# উচ্চ শিক্ষাৰ সমীক্ষাত্মক অধ্যয়ন

ড° লিপিকা শৰ্মা

राष्ट्रीय उच्चतर शिक्षा अभियान
NATIONAL HIGHER EDUCATION MISSION

**ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম**
কাহিলীপাৰা, গুৱাহাটীঃ ৭৮১০১৯

# উচ্চ শিক্ষাৰ সমীক্ষাত্মক অধ্যয়ন

ড° লিপিকা শৰ্মা

ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম

কাহিলীপাৰা, গুৱাহাটীঃ ৭৮১০১৯

UCHCHA SHIKSHAR SAMIKHATMAK ADHYAAN: A compilation of Research Articles published in “Pragya”, an online E- Magazine of Rashtriya Uchchatar Shiksha Abhiyan, Assam, written by Dr. Lipika Sarmah & published by Rashtriya Uchchatar Shiksha Abhiyan, Assam, Kahilipara, Guwahati:781019

প্ৰকাশকঃ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান,অসম
বেটুপাত আৰু অলংকৰণঃ শ্ৰী ৰক্তিম বৰুৱা
অক্ষৰ বিন্যাসঃ শ্ৰী ধনজিৎ গগৈ
মূল্যঃ চৰকাৰী ব্যৱহাৰৰ বাবে বিনামূলীয়া ভাৱে নিম্নলিখিত ৱেবচাইটত উপলব্ধ
https://rusa.assam.gov.in/
প্ৰথম সংস্কৰণঃ জুলাই, ২০২২
গ্ৰন্থস্বৰ্তঃ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান,অসম

এই গ্ৰন্থ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান,অসম আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যৌথ প্ৰচেষ্টাত বিকাশ ঘটোৱা ইউনিকো'ড ফ'ণ্ট ‘উষা’ ব্যৱহাৰ কৰি অক্ষৰ বিন্যাস কৰা হৈছে।

# আগকথা

মই যোৱা ২০১৯ চনত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ মিছন সঞ্চালকৰ দায়িত্ব লওঁতে আন্তঃগাঠনিমূলক বিকাশৰ লগতে শৈক্ষিক বিকাশৰ গুণগত দিশটো পৰ্য্যালোচনা কৰি চোৱাটো অতিশয় জৰুৰী বুলি উপলব্ধি হৈছিল। ইয়াৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ অংশীদাৰিত্বৰ আভাস পোৱাটো প্ৰয়োজন হৈছে বুলিও অনুভৱ হৈছিল। সেই প্ৰসংগতে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ ই-আলোচনী 'প্ৰজ্ঞাৰ' জন্ম হৈছিল। জন্ম লগ্ন পৰা প্ৰতিটো সংখ্যাতে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ প্ৰগ্ৰেম বিষয়া ড° লিপিকা শৰ্মাক এনে কিছুমান বিষয় বাচনি কৰি দিয়া হৈছিল যাতে সেইবোৰৰ ওপৰত গৱেষণা মূলক আলোকপাত কৰিব পৰা যায়। এতিয়ালৈকে প্ৰকাশ পোৱা পাঁচটা মৌলিক গৱেষণা মূলক প্ৰবন্ধৰ একত্ৰিত সংকলন গ্ৰন্থাকাৰে প্ৰস্তুত কৰি উলিওৱাৰ মূল উদ্দেশ্য হ'ল শিক্ষা জগতৰ উত্তৰণৰ বাবে লোৱা সমাজ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ একত্ৰিত প্ৰচেষ্টাৰে উন্নয়ণৰ দিশত লোৱা পদক্ষেপ সমূহ আলোচনা কৰা। উচ্চ শিক্ষাত অৰ্থনীতিৰ প্ৰভাৱ, অসমত নৃতত্ব অধ্যয়ণৰ প্ৰয়োজনীয়তা, সমাজত সমাজ বিজ্ঞানৰ গুৰুত্ব, উচ্চ শিক্ষাত জনগোষ্ঠীগত অংশীদাৰিত্ব, আৰু বিজ্ঞান শিক্ষাত মহিলাৰ অংশীদাৰিত্বই আছিল সংকলিত গ্ৰন্থখনৰ মূল বিষয় বস্তু। প্ৰৱন্ধ কেইটাৰ মৌলিকতাত কোনো সন্দেহ নাথাকিলেও ইয়াৰ ফলাফলৰ ওপৰত বিৰ্তক সৃষ্টি হ'লহে ইয়াৰ গুণগত দিশটো অধিক পৰিস্ফুট হ'ব। যোৱা চাৰিটা সংখ্যাৰ প্ৰজ্ঞাত ছাত্ৰ-ছাত্ৰীৰ পৰা  পোৱা মুঠ ১৫ টা গৱেষণা মূলক প্ৰৱন্ধ প্ৰকাশ হৈছিল আৰু পঞ্চম সংখ্যাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছে। ইয়াৰ পিচৰ পৰ্য্যায়ত সেই প্ৰৱন্ধ কেইটাৰো একত্ৰ সংকলন গ্ৰন্থাকাৰে উলিয়াৱলৈ প্ৰয়াস কৰা হ'ব। বৰ্তমানৰ এই সংকলনখনত সন্নিবিষ্ট প্ৰৱন্ধ কেইটা শৈক্ষিক মহলত যথোচিত আদৰ পালে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ প্ৰয়াস সফল হৈছে বুলি ক'ব পৰা যাব।

ড° দীপক মজুমদাৰ আই.এ.এছ.
অসম চৰকাৰৰ সচিব,উচ্চ শিক্ষা বিভাগ আৰু
মিছন সঞ্চালক, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসম
তাৰিখঃ ২২ জুলাই, ২০২২

## ‘প্ৰজ্ঞা’ৰ আলোকত ৰে **********

শিক্ষা জগতৰ বৌদ্ধিক বিকাশৰ লক্ষ্য আগত ৰাখি ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, (ৰুচা) অসমে ২০১৯ চনতে ‘প্ৰজ্ঞা’ নামৰ এখনি ই-আলোচনী প্ৰকাশ কৰিবলৈ আগবাঢ়িছিল। প্ৰজ্ঞাৰ প্ৰথমটো সংখ্যা প্ৰকাশ কৰা হৈছিল ২০২০ চনৰ জুন মাহত। আলোচনীখনিৰ দ্বিতীয়টো সংখ্যাৰ প্ৰকাশৰ সময়ত মিছন সঞ্চালকৰ কল্পনাৰে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা গৱেষণামূলক প্ৰৱন্ধ প্ৰস্তুতিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল, এনে প্ৰৱন্ধ প্ৰকাশৰ মূলতে আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গৱেষণামূলক দৃষ্টিকোনৰ বিকাশ ঘটোৱা। দ্বিতীয় সংখ্যাৰ প্ৰকাশৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ সকলৰ ফালৰ পৰা গৱেষণামূলক প্ৰৱন্ধ তিনিটা হে পোৱা গৈছিল। আলোচনীখনৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগেলগে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰস্তুত কৰা গৱেষণামূলক প্ৰৱন্ধৰ সংখ্যাও বৃদ্ধি পাবলৈ ধৰিলে। তৃতীয় সংখ্যাত মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰি উলিওৱা ৭ টা গৱেষণামূলক প্ৰৱন্ধ আলোচনীখনত প্ৰকাশ পাইছিল। উক্ত বিষয়সমূহ ৰুচা অসমৰ কাৰ্য্যালয়ৰ দ্বাৰাই নিৰ্বাচন কৰি দিয়া হৈছিল। গৱেষণাৰ বিষয়বস্তু সমূহ ৰাজ্যৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনিৰ উত্তৰণৰ লগত জড়িত বিষয়ৰ লগতে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ লগত জড়িত বিষয়সমূহো আছিল। লগতে ৰুচা কাৰ্য্যালয়ৰ অধীনত ইণ্টাৰ্নশ্বিপ কৰা এম.চি.এৰ. ছাত্ৰ-ছাত্ৰী সকলৰ গৱেষণামূলক প্ৰৱন্ধ সমূহৰ মাজৰ পৰা নিৰ্বাচিত দুটি গৱেষণামূলক প্ৰৱন্ধও তৃতীয় আৰু চতুৰ্থ সংখ্যাত স্থান পালে। ই-মেগাজিনখনৰ চতুৰ্থ সংখ্যাত চাৰিটা গৱেষণামূলক প্ৰৱন্ধ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা প্ৰস্তুত কৰি প্ৰকাশ কৰা হ’ল।

এতিয়ালৈকে ৰুচা অসমৰ ই-মেগাজিনৰ প্ৰথম, দ্বিতীয়,তৃতীয় আৰু চতুৰ্থ সংখ্যাটিত ১১৩৮২ জন পাঠকে দৰ্শন কৰিছে। ই-মেগাজিন খনিৰ পঞ্চম সংখ্যা প্ৰকাশৰ কাম ইতিমধ্যে সমাপ্ত হোৱাৰ পথত। এই সংখ্যাত ভালেসংখ্যাক ছাত্ৰ-ছাত্ৰীৰ গৱেষণামূলক প্ৰৱন্ধ প্ৰকাশ পাব। এই খিনিতে উল্লেখ কৰিব লাগিব যে ই-মেগাজিনখনৰ প্ৰতিটো সংখ্যাতে এনে কিছুমান গৱেষণাৰ বিষয়বস্তুও সন্নিবিষ্ট কৰা হৈছিল, যাৰ দ্বাৰা ৰুচা আঁচনিখনে ৰাজ্যখনত উচ্চ শিক্ষাৰ উত্তৰণৰ উদ্দেশ্য সমূহৰ প্ৰাপ্তিত কিদৰে অৰিহণা যোগাইছে সেইয়াও প্ৰতিফলিত হৈছে।

আলোচনীখনৰ প্ৰকাশৰ সময়ত ৰুচা বিষয়াসকলকো গৱেষণামূলক প্ৰৱন্ধ প্ৰস্তুতিৰ বাবে বিষয় নিৰ্বাচন কৰি দিয়া হৈছিল। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে কাৰ্য্যালয়ৰ অন্যান্য বিষয়াসকলৰ লগতে ৰুচা অসমৰ প্ৰগ্ৰেম বিষয়া ড° লিপিকা শৰ্মাই এতিয়ালৈকে ৫ টা কৈ গৱেষণামূলক প্ৰৱন্ধ প্ৰস্তুত কৰি উলিয়াই আৰু উক্ত প্ৰৱন্ধ প্ৰজ্ঞাৰ আটাইকেইটা সংখ্যাতে ইতিমধ্যে প্ৰকাশ হৈছিল। বিষয়সমূহৰ গুৰুত্বতাৰ ওপৰত লক্ষ্য কৰি ড° লিপিকা শৰ্মাই লিখি উলিওৱা আৰু প্ৰজ্ঞাত প্ৰকাশিত হোৱা প্ৰৱন্ধ সমূহক একত্ৰিত কৰি এই পুথি খনি প্ৰস্তুতিৰ সিদ্ধান্ত লোৱা হৈছে। আশা কৰিছো ইয়াৰ দ্বাৰা পঢ়ুৱৈ সকল উপকৃত হ’ব।

শ্ৰী নমিতা বৰুৱা
(সম্পাদিকা প্ৰজ্ঞা/প্ৰকল্প পৰিকল্পনা বিষয়া আৰু শাখা মুৰব্বী,
পৰিকল্পনা ৰূপায়ণ আৰু নিৰীক্ষণ শাখা, ৰুচা অসম)
তাৰিখঃ ২২ জুলাই,২০২২

# লেখিকাৰ দুআষাৰ

উচ্চ শিক্ষাৰ সমীক্ষাত্মক অধ্যয়ন নামেৰে মোৰ পাঁচটা প্ৰবন্ধ যি কেইটা ইতিমধ্যেই প্ৰজ্ঞা নামৰ ৰুচা অসমৰ ই-মেগাজিন খনত প্ৰকাশিত আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ মিছন সঞ্চালক মহোদয়ে যি পুথিগত ৰূপ দিয়াৰ ইচ্ছা প্ৰকাশ কৰিছে তাৰ বাবে তেখেতক মই পোন প্ৰথমেই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। উক্ত পুথিখনৰ পাঁচটা প্ৰবন্ধই গৱেষণাত্মক। উচ্চ শিক্ষাৰ লগত জড়িত বিভিন্ন সমস্যাক ক্ষেত্ৰভিত্তিক অধ্যয়ণৰ জড়িয়তে আলোচনা কৰাৰ ইয়াত প্ৰয়াস কৰা হৈছিল। প্ৰতিটো লিখনি তথ্য সমৃদ্ধ। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ লগত সংগতি ৰাখিয়েই প্ৰবন্ধৰ বিষয়বস্তু নিৰ্বাচন কৰা হৈছিল। প্ৰবন্ধ সমূহৰ মাজেদি উচ্চ শিক্ষাত অৰ্থনীতিৰ প্ৰভাৱ, নৃতত্ত্ব অধ্যয়নৰ প্ৰয়োজনীয়তা, গুৱাহাটীৰ পাশ্ববৰ্তী এলেকাত সমাজ বিজ্ঞান বিভাগত অধ্যয়নৰত স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী সকলৰ বৰ্তমান স্থিতী, উচ্চ শিক্ষাত জনগোষ্ঠীগত অংশীদাৰিত্ব আৰু বিজ্ঞান শিক্ষাত মহিলাৰ অংশীদাৰিত্ব আদিৰ দৰে বিষয় সমূহৰ ওপৰত অধ্যয়ন চলাবলৈ মিছন সঞ্চালক মহোদয়ৰ নিৰ্দেশত প্ৰয়াস কৰা হৈছিল। প্ৰতিটো ক্ষেত্ৰত মিছন সঞ্চালক মহোদয়ে আগবঢ়োৱা ইতিবাচক সহায় সহযোগিতা এই ক্ষেত্ৰত মোৰ বাবে এক বিৰাট সাহস আছিল। কাৰ্য্যালয়ৰ ব্যস্ততাৰ মাজতেই এই পুথিখনৰ কাম হাতত লোৱা হৈছিল। গতিকে ভুল-ভ্ৰান্তিৰ যথেষ্ট স্থল আছে। জ্ঞাতে-অজ্ঞাতে কৰা সকলো ভুলৰ আগতিয়াকৈ ক্ষমা প্ৰাৰ্থনা বিচাৰি লগতে যাত্ৰা পথত সহায় কৰা প্ৰতিখন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱকলৈ মোৰ প্ৰণাম জনাই স্বীকাৰ কৰো যে, তেখেতসকলৰ সহায় অবিহণে এই যাত্ৰা কেতিয়াও সম্পূৰ্ণ নহ'ল হয়। ধন্যবাদ ৰুচা পৰিয়ালৰ প্ৰতিগৰাকীলৈ। তেখেত সকলে সময় সাপেক্ষে কৰা সহায় মোৰ বাবে আৰ্শীবাদ। বিশেষ ভাৱে ধন্যবাদ শ্ৰী ধনজীৎ গগৈলৈ। প্ৰতিটো লিখনিৰ অক্ষৰ বিন্যাস তেখেতে সম্পূৰ্ণ কৰি প্ৰকাশৰ উপযোগী কৰি দিয়াৰ বাবে তেখেতলৈ ধন্যবাদ। বহুবাৰ বানান সমূহ ব্যক্তিগত ভাৱে পৰীক্ষা কৰি শুদ্ধ কৰাৰ চেষ্টা কৰিছো যদিও এতিয়াও অজস্ৰ ভুলৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। অতি ক'ম সময়ৰ ভিতৰত কিতাপ খনৰ কাম কাৰ্যালয়ৰ আন কামৰ মাজত কৰি সম্পূৰ্ণ কৰাৰ বাবে অনিচ্ছাকৃত এনে ভুল থাকি গ'ল। অলংকৰণৰ বাবে শ্ৰী ৰক্তিম বৰুৱা আৰু প্ৰজ্ঞাৰ সম্পাদিকা নমিতা বৰুৱালৈ এই সুযোগতে ধন্যবাদ জনালোঁ। শেষত, গঠনমূলক সমালোচনাৰে পাঠক সমাজে পুথিখন আকোৱালি লোৱাৰ আশাৰে আৰু অসমৰ উচ্চ শিক্ষাৰ জগতখন নৱপ্ৰজন্মৰ অৰিহণাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ প্ৰভাৱত জিলিকি উঠাৰ মানসেৰে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান, অসমৰ হৈ আপোনালোক সকলোকে পুথিখন হাতত তুলি দি ইয়াৰ উত্তৰোত্তৰ কামনা কৰিলো।

ড° লিপিকা শৰ্মা
প্ৰগ্ৰেম বিষয়া,ৰুচা অসম
তাৰিখঃ ২২ জুলাই,২০২২

# সূচীপত্র

| | |
|---|---|
| অৰ্থনৈতিক বিকাশৰ দৃষ্টিকোনৰ পৰা ৰুচা ১.০ অধীনস্থ আঁচনি সমূহৰ প্ৰভাৱঃ গোলাঘাট আৰু কামৰূপ (গ্ৰাম্য) জিলাৰ ওপৰত এটি তুলনামূলক অধ্যয়ণ | ১-১১ |
| অসমৰ মহাবিদ্যালয়ত নৃতত্ব অধ্যয়নৰ প্ৰয়োজনীয়তা | ১২-১৬ |
| গুৱাহটী পাশ্ববৰ্তী এলেকাৰ মহাবিদ্যালয় সমূহৰ স্নাতকোত্তৰ শ্ৰেণীৰ সমাজ বিজ্ঞান বিভাগত অধ্যয়নৰত ছাত্ৰী সকলৰ এক চমু ক্ষেত্ৰভিত্তিক অধ্যয়ন | ১৭-২৮ |
| উচ্চ শিক্ষাত জনগোষ্ঠীগত অংশীদাৰিত্বঃ গুৱাহাটী মহানগৰ এলেকাৰ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন | ২৯-৪৩ |
| বিজ্ঞান শিক্ষাত মহিলাৰ অংশীদাৰিত্বঃ উত্তৰ গুৱাহাটী আৰু দাঁতিকাষৰীয়া এলেকাৰ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন | ৪৪-৫৬ |

## অধ্যায়ঃ ১

## অৰ্থনৈতিক বিকাশৰ দৃষ্টিকোনৰ পৰা ৰুচা ১.০ অধীনস্থ আঁচনি সমূহৰ প্ৰভাৱঃ গোলাঘাট আৰু কামৰূপ (গ্ৰাম্য) জিলাৰ ওপৰত এটি তুলনামূলক অধ্যয়ণ

### প্ৰস্তাৱনা

লিখনিটো ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান চমুকৈ ৰুচা ১.০ ৰ অধীনত অনুদান লাভ কৰা গোলাঘাট আৰু কামৰূপ (গ্ৰাম্য) জিলাৰ ওপৰত প্ৰস্তুত কৰা হৈছিল। দুয়োখন জিলাই যি হাৰত অনুদান লাভ কৰিছিল, তাৰ ওপৰত ভিত্তি কৰি ইয়াৰ তুলনামূলক প্ৰভাৱ বিশ্লেষণ কৰাই আছিল অধ্যয়ণৰ মুল বিষয়বস্তু। অৰ্থনৈতিক বিকাশৰ দৃষ্টিকোনেৰে আঁচনি সমূহ ফঁহিয়াই চাবলৈ নিৰ্বাচিত জিলা ভিত্তিত এক প্ৰয়াস কৰা গৈছিল। যিহেতু দুয়োখন জিলাই শিক্ষাৰ ক্ষেত্ৰত আগবঢ়া, তেনেক্ষেত্ৰত বিশেষ পাৰ্থক্য পৰিলক্ষিত নহ'ল যদিও আমাৰ কাম্য পৰৱৰ্তী সময়ত যাতে ৰুচাৰ অনুদান দুয়োখন জিলাৰ লগতেই অসমৰ সকলো শিক্ষানুষ্ঠানে সমানে লাভ কৰে, তাৰ বাবে প্ৰতিখন চৰকাৰী বা প্ৰাদেশীকৃত শিক্ষানুষ্ঠানক ৰুচাৰ অনুদান লাভ কৰিবলৈ প্ৰয়োজন হোৱা বৈধ NAAC স্বীকৃতিৰ প্ৰমাণ অৰ্জন কৰিবলৈ কাৰিকৰী ভাৱে প্ৰস্তুত কৰা। সবাংগীন উন্নতিৰ স্বাৰ্থত প্ৰতিখন জিলাৰ সকলো শিক্ষানুষ্ঠান সমানে উন্নতি নহ'লে ৰুচাৰ উদ্দেশ্য সফল ন'হব।

### পাতনি

প্ৰজ্ঞাৰ প্ৰথম খণ্ডটিত উক্ত বিষয়টোৰ ওপৰত মোৰ দ্বাৰা ইংৰাজী মাধ্যমত এটা তথ্যভিত্তীক লেখা প্ৰকাশ পাইছিল। পৰৱৰ্তী সময়ত মিছন সঞ্চালক মহোদয়ে মোৰ দ্বাৰা প্ৰজ্ঞাৰ জৰিয়তে অধ্যয়ণ চলোৱা প্ৰতিটো সংখ্যাৰ গৱেষণাত্মক অধ্যয়নবোৰ পুথিগত ৰূপ দিয়াৰ মানসৰে এক পদক্ষেপ হাতত লয়। সেয়েহে তেখেতৰ অনুৰোধত প্ৰথম সংখ্যাৰ ইংৰাজী ভাষাত লিখা মূল তুলণাত্মক অধ্যয়নটো অসমীয়া ভাঙণি কৰিবলৈ প্ৰয়াস কৰা হয়। এই প্ৰয়াসৰ বাবেই উক্ত লিখনিটোৰ আত্মপ্ৰকাশ ঘটিছে। কেন্দ্ৰীয় পৃষ্ঠপোষকতাত ২০১৩ চনত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান অসমত আৰম্ভ হয়। আঁচনি খনৰ মূল উদ্দেশ্যই হৈছে উচ্চ শিক্ষাত সমতা, প্ৰৱেশাধিকাৰ আৰু উৎকৰ্ষতা সুনিশ্চিত কৰা। উচ্চশিক্ষাৰ অনুষ্ঠানসমূহৰ সামগ্ৰিক উন্নয়ণ সাধনেই আছিল ৰুচাৰ মূল উদ্দেশ্য। **অৰাজনৈতিক ভাৱে শিক্ষাৰ মানদণ্ড উন্নত কৰাই আছিল ৰুচাৰ প্ৰকৃত নীতি।** ৰুচাৰ নিয়ম অনুযায়ী সেইবোৰ শিক্ষানুষ্ঠানেহে পুঁজি লাভ কৰিবলৈ সক্ষম হয় যিবোৰ শিক্ষানুষ্ঠানৰ বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰদান কৰা 12B সন্মানেৰে সন্মাণিত। ইয়াৰ ওপৰিও বৈধ NAAC স্বীকৃতিৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰিও ৰুচা অনুদান উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহে লাভ কৰিব পাৰে। নূন্যতম B গ্ৰেড এই ক্ষেত্ৰত বাঞ্চনীয়৷অৱশ্যে এই ক্ষেত্ৰত চৰকাৰী আদৰ্শ মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অনুদান নিৰ্দ্ধাৰণৰ প্ৰক্ৰিয়াটো ওপৰত উল্লেখ কৰা চৰ্তাৱলীতকৈ অলপ বেলেগ।

উক্ত আলোচনাৰ বাবে ৰুচাৰ বিভিন্ন শিতান সমূহৰ ভিতৰৰ পৰা মাত্ৰ তিনিটা শিতানক আলোচনা মাধ্যম জ্ঞান কৰি সবিশেষ উপস্থাপনৰ চেষ্টা কৰিম৷ সেই শিতান কেইটা ক্ৰমেঃ "Upgradation of Existing Degree Colleges to Model Degree Colleges", "Infrastructure Grants to Colleges" আৰু "Equity Initiatives" ।

অধ্যয়ণৰ বাবে নিৰ্বাচিত জিলা দুখনে ৰুচা ১.০ অধীনত কেৱল সেই তিনিটা শিতানহে যোগ্যতাৰ ভিত্তিত পুঁজি লাভ কৰিবলৈ সক্ষম হৈছিল।

মুঠ ১,৩৫২ বৰ্গ মিটাৰে আৱৰি ৰখা গোলাঘাট জিলাৰ ২০১১ চনৰ লোক পিয়ল অনুসৰি মুঠ জনসংখ্যা ১,০৬৬, ৮৮৮ জন। জিলা খনৰ উক্ত লোক পিয়ল মতে সাক্ষৰতাৰ হাৰ ৭৫.৯৪%। গোলাঘাট জিলাৰ মুঠ ২৩ খন উচ্চ শিক্ষানুষ্ঠানৰ ভিতৰত ৰুচা ১.০ ৰ অধীনত অনুদান প্ৰাপ্ত মহাবিদ্যালয় মাত্ৰ ৮ খন।

### তালিকা নং ১: গোলাঘাট জিলাৰ ৰুচা ১.০ অধীনৰ শিতানসমূহ

| Upgradation Existing Degree Colleges to Model Degree Colleges (বিদ্যমান ডিগ্ৰী মহাবিদ্যালয় সমূহক আদৰ্শ মহাবিদ্যালয়লৈ উন্নীতকৰণ) | | | Infrastructure Grants to Colleges (মহাবিদ্যালয় সমূহক আন্তঃগাঠনিৰ বাবে অনুদান) | | | Equity Initiatives (সমতাৰ পদক্ষেপ) | | | মুঠ মহাবিদ্যালয়ৰ সংখ্যা |
|---|---|---|---|---|---|---|---|---|---|
| মহাবিদ্যালয়ৰ নাম | পুঁজিৰ পৰিমান (কোটিৰ হিচাপত) | সদ্ ব্যৱহাৰৰ স্থিতী | মহাবিদ্যালয়ৰ নাম | পুঁজিৰ পৰিমান (কোটিৰ হিচাপত) | সদ্ ব্যৱহাৰৰ স্থিতী | মহাবিদ্যালয়ৰ নাম | পুঁজিৰ পৰিমান (লাখৰ হিচাপত) | সদ্ ব্যৱহাৰৰ স্থিতী | |
| দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয় (মুঠঃ১ খন) | ৪.০০ কোটি টকা | ১০০% কাম সম্পূৰ্ণ হৈছে | ১) দেৰৱাজ ৰয় মহাবিদ্যালয় ২) গোলাঘাট বাণিজ্য মহাবিদ্যালয় ৩) হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয় ৪) জয়া গগৈ মহাবিদ্যালয় ৫) কমাৰগাওঁ মহাবিদ্যালয় ৬) যোগানন্দ দেৱ সত্ৰাধিকাৰ গোস্বামী মহাবিদ্যালয় ৭) ফৰকাটিং মহাবিদ্যালয় (মুঠঃ ৭ খন) | ২.০০ কোটি টকা কৈ প্ৰতিখন মহাবিদ্যালয়ে লাভ কৰিছে | প্ৰতিখন মহাবিদ্যালয়ে ১০০% ৰ সদ্ ব্যৱহাৰিক প্ৰমান প্ৰত্ৰ দাখিল কৰিছে | দেৱৰাজ ৰয় মহাবিদ্যালয় (মুঠঃ ১ খন) | ২০ লাখ টকা | ৯৯.০৬ % (বাকী থকা ধনৰাশি অহা ৩১ -০৭-২২ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰি সদ্ ব্যৱহাৰিক প্ৰমাণ প্ৰত্ৰ দাখিল কৰিব | ৮ খন (দেৰৱাজ ৰয় মহাবিদ্যালয়ে দুটা শিতানত পুঁজি লাভ কৰে) |

বিশ্লেষণঃ শেষতীয়া ভাৱে ৰুচা ১.০ অধীনত গোলাঘাট জিলাখনে মুঠ  ১৮ কোটি ২০ লাখ টকা লাভ কৰিছিল। তাৰে ভিতৰত আজিৰ তাৰিখলৈ জিলাখনে মুঠ ১৮ কোটি ১৯ লাখ টকাৰ সদ্ ব্যৱহাৰিক প্ৰমান পত্ৰ দাখিল কৰিছে।

কামৰূপ অসমৰ এখন অন্যতম প্ৰশাসনিক জিলা যাৰ মুখ্য কাৰ্য্যালয় আমিনগাওঁত আছে। উক্ত কামৰূপ (গ্ৰাম্য) এখন অনুকৰণীয় আদৰ্শ অসামৰিক জিলা। জিলাখন প্ৰায় ২৭৪০ বৰ্গ কিলোমিটাৰ এলেকাৰে আৱৰি আছে। কামৰূপ (গ্ৰাম্য) ত ১০২৭ খন গাওঁ আছে যিবোৰ ৰাজহ চক্ৰৰ অধীনত পৰিচালিত হয়। ২০১১ চনৰ লোক পিয়ল অনুসৰি জিলাখনৰ জনসংখ্যা ১,৫১,৭,৬৪২ জন। সাক্ষৰতাৰ হাৰ ৭৫.৫৫%, কামৰূপ (গ্ৰাম্য) জিলাৰ মুঠ ৩৭ খন উচ্চ শিক্ষানুষ্ঠানৰ ভিতৰত ৯ খন শিক্ষানুষ্ঠানে ৰুচা ১.০ ৰ অধীনত অনুদান লাভ কৰিছিল।

## তালিকা নং ২: কামৰূপ (গ্ৰাম্য) জিলাৰ ৰুচা ১.০ ৰ অধীনৰ শিতানসমূহ

| Upgradation Existing Degree Colleges to Model Degree Colleges (বিদ্যমান ডিগ্ৰী মহাবিদ্যালয় সমূহক আদৰ্শ মহাবিদ্যালয়লৈ উন্নীতকৰণ ) | | | Infrastructure Grants to Colleges (মহাবিদ্যালয় সমূহক আন্তঃগাঠনিৰ বাবে অনুদান) | | | Equity Initiatives (সমতাৰ পদক্ষেপ) | | | মুঠ মহাবিদ্যালয়ৰ সংখ্যা |
|---|---|---|---|---|---|---|---|---|---|
| মহাবিদ্যালয়ৰ নাম | পুঁজিৰ পৰিমান (কোটিৰ হিচাপত ) | সদ্ ব্যৱহাৰৰ স্থিতী | মহাবিদ্যালয়ৰ নাম | পুঁজিৰ পৰিমান (কোটিৰ হিচাপত) | সদ্ ব্যৱহাৰৰ স্থিতী | মহাবিদ্যালয়ৰ নাম | পুঁজিৰ পৰিমান (লাখৰ হিচাপত) | সদ্ ব্যৱহাৰৰ স্থিতী | |
| পূব কামৰূপ মহাবিদ্যালয় (মুঠঃ১ খন) | ৪.০০ কোটি টকা | ১০০% কাম সম্পূৰ্ণ হৈছে | ১) শৰাইঘাট মহাবিদ্যালয় ২) সুৰেণ দাস মহাবিদ্যালয় ৩) গুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয় ৪) পশ্চিম গুৱাহাটী মহাবিদ্যালয় ৫) ছয়গাওঁ মহাবিদ্যালয় ৬)জৱহাৰলাৰ নেহেৰু মহাবিদ্যালয় ৭) পুঁঠিমাৰী মহাবিদ্যালয় ৮) ৰঙীয়া মহাবিদ্যালয় (মুঠঃ ৮ খন) | ২.০০ কোটি টকা প্ৰতিখন মহাবিদ্যালয়ে লাভ কৰিছে | প্ৰতিখন মহাবিদ্যালয়ে ১০০% ৰ সদ্ ব্যৱহাৰিক প্ৰমান প্ৰত্ৰ দাখিল কৰিছে | পশ্চিম গুৱাহাটী মহাবিদ্যালয় (মুঠ ১ খন) | ২৫ লাখ টকা | ১০০% সদ্ ব্যৱহাৰিক প্ৰমাণ প্ৰত্ৰ দাখিল কৰিছে | ৯ খন (পশ্চিম গুৱাহাটী মহাবিদ্যালয়ে দুটা শিতানত পুঁজি লাভ কৰে) |

বিশ্লেষণঃ কামৰূপ (গ্ৰাম্যৰ) মুঠ ৯ খন শিক্ষানুষ্ঠানে ২০ কোটি ২৫ লাখ টকা লাভ কৰিছিল আৰু জিলাখনৰ নিৰ্বাচিত শিক্ষানুষ্ঠান কেইখনে ১০০% ৰ সদ্ ব্যৱহাৰিক প্ৰমান পত্ৰও ৰুচা অসমক দাখিল কৰিছে। গোলাঘাট জিলাৰ তুলনাত কামৰূপ (গ্ৰাম্যই) অৰ্থনৈতিক অনুদান হিচাপে ৰুচা অসমৰ পৰা মুঠ ২ কোটি ৫ লাখ টকা বেছিকৈ লাভ কৰিছিল।

## <u>অধ্যয়নৰ উদ্দেশ্য</u>

১) গোলাঘাট আৰু কামৰূপে ৰুচা ১.০ ৰ অধীনত লাভ কৰা আঁচনিৰ প্ৰভাৱ।

২) জিলা দুখনৰ উচ্চ শিক্ষাৰ দিশত আন্তঃগাঠনি উন্নয়ণত ৰুচাৰ অৰিহণা সম্পৰ্কে তথ্যভিত্তিক আলোচনা কৰা।

৩) জিলা দুখনত ৰুচা ১.০ অধীনত শিতান অনুযায়ী লাভ কৰা পুঁজিৰ সদ্ ব্যৱহাৰ সম্পৰ্কে অধ্যয়ণ।

## <u>অধ্যয়নৰ পূৰ্বানুমান</u>

৯০:১০ অনুপাতত ৰুচা ১.০ ৰ অধীনত অনুদান লাভ কৰা জিলা দুখনৰ শিক্ষানুষ্ঠানবোৰ অনুদান লাভ নকৰা আন শিক্ষানুষ্ঠানৰ তুলনাত ব্যাপক ভাৱে উপকৃত হৈ শিক্ষাৰ দিশত নৱ প্ৰজন্মৰ বাবে আশাৰ ৰেঙণি কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

## অধ্যয়নৰ পদ্ধতি

পৰীক্ষামূলক অধ্যয়নৰ বাবে উজনি অসমৰ গোলাঘাট জিলা আৰু নামনি অসমৰ কামৰূপ (গ্ৰাম্য) ক সমল হিচাপে লৈ অধ্যয়ন আৰম্ভ কৰা হৈছিল। অধ্যয়ণ কেৱল PMS (Project Monitoring System) ত উপলব্ধ তথ্য আৰু অধ্যক্ষ সকলৰ লগত হোৱা টেলিফোনিক বাৰ্তালাপৰ ওপৰত ভিত্তি কৰি আগবঢ়াই নিয়া হৈছিল। বিশেষ প্ৰয়োজনত সংশ্লিষ্ট প্ৰগ্ৰেম বিষয়া গৰাকীৰো সহায় লৈ লিখনিটো সম্পূৰ্ণ কৰিবলৈ প্ৰয়াস কৰা হৈছিল। অৰ্থনৈতিক উন্নয়ণৰ নমুনা তালিকাৰ দ্বাৰা প্ৰকাশ কৰিবলৈ প্ৰকল্প অভিযন্তাৰ দ্বাৰা প্ৰস্তুত কৰা Excel Sheet খন বিশেষ ভাৱে ব্যৱহাৰ কৰা হৈছিল। শিক্ষাৰ লগত যে অৰ্থনীতি আৰু অৰ্থনৈতিক বিকাশ ওতঃপ্ৰোতঃ ভাৱে জড়িত তাকে বুজাবলৈ দুয়োখন জিলাক সমল হিচাপে লৈ প্ৰয়াস চলোৱা হৈছিল। ৰুচাৰ অনুদানেৰে দুয়োখন জিলাৰ ছাত্ৰ-ছাত্ৰীৰ বিকাশত আগবঢ়োৱা অৰিহণা জুখিবলৈ মূলতঃ এই প্ৰয়াস কৰা হৈছিল। ৰুচাই যিহেতু উচ্চ শিক্ষাৰ লগত জড়িত চৰকাৰী বা প্ৰাদেশীকৃত শিক্ষানুষ্ঠান সমূহকহে অনুদান আগবঢ়াই গতিকে অনুদান প্ৰাপ্ত সেই সমূহ শিক্ষানুষ্ঠানৰ আন্তঃগাঠনি উন্নয়ণত ৰুচাৰ প্ৰভাৱ আৰু তাৰ দ্বাৰা সমাজত প্ৰতিফলিত হোৱা প্ৰতিক্ৰিয়া সম্পৰ্কে জানিবলৈ এই অধ্যয়নটো মুখ্যতঃ চলোৱা হৈছিল।

## অধ্যয়নৰ গুৰুত্ব

সুস্থ-সৰল শৈক্ষিক বাতাৱৰণৰ বাবে শিক্ষানুষ্ঠান সমূহে ছাত্ৰ-ছাত্ৰীক ভাল আন্তঃগাঠনিযুক্ত পৰিবেশ প্ৰদান কৰাটো তেওঁলোকৰ এক মৌলিক দায়িত্ব। চৰকাৰী খণ্ডৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানবোৰৰ আন্তঃগাঠনিৰ অভাৱ ৰুচাই জন্মলগ্নৰে পৰাই সমাধান কৰি আহিছে। ভাল আন্তঃগাঠনিৰ শিক্ষানুষ্ঠানত বিদ্যালাভ কৰি সমাজৰ হকে সুস্থ মানসিকতাৰে কাম কৰিব পৰোটো প্ৰতিজন ভৱিষ্যত সম্ভৱা ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্য অধিকাৰ। শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দুয়োখন জিলাৰ শৈক্ষিক আন্তঃগাঠনিৰ মান নিৰূপণ কৰি অৰ্থনৈতিক দিশত ইয়াৰ প্ৰভাৱ সম্পৰ্কে বুজাবলৈ কৰা প্ৰয়াসেই আছিল সম্ভৱতঃ অধ্যয়নৰ মূল গুৰুত্ব।

## অধ্যয়নৰ ফলাফল

Project Monitoring System (PMS) আৰু প্ৰকল্প অভিযন্তাই দিয়া Excel Sheet খনৰ ওপৰত ভিত্তী কৰি আগবঢ়োৱা বিশ্লেষাত্মক ফলাফল এনে ধৰণৰঃ

**১) বিদ্যমান মহাবিদ্যালয় সমূহ আদৰ্শ মহাবিদ্যালয়লৈ উন্নীতকৰণ কৰা শিতান অৰ্থাৎ "Upgradation of Existing Degree Colleges to Model Degree Colleges", শিতানত দুয়োখন জিলাতেই এখনকৈ মহাবিদ্যালয়ে ৪ কোটি কৈ টকা লাভ কৰিছিল। মহাবিদ্যালয় দুখন ক্ৰমে দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয় আৰু পূব কামৰূপ মহাবিদ্যালয়। নিৰ্মীয়মান কামৰ হিচাপ জুখিলে জিলা দুখনৰ কামৰ হিচাপ এনে ধৰণে প্ৰকাশ কৰিব পাৰিঃ**

৪৬৬.৫৬ বৰ্গ মিটাৰ আগুৰাকৈ দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ে এটা পৰীক্ষাগাৰ নিৰ্মাণ কৰিছিল। আৱণ্টিত ধনৰ মুঠ ৮৪,৬৭০০০.০০ টকাৰ। যথা সময়ত ১০০% খৰছ কৰি সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰও মহাবিদ্যালয়ে দাখিল কৰে। ঠিক তেনেদৰে পূব কামৰূপ মহাবিদ্যালয়েও ১ কোটি টকাৰে ৫৪৪.০৫ বৰ্গ মিটাৰ আগুৰি এটা পৰীক্ষাগাৰ নিৰ্মাণ কৰে। ঠিক তেনেদৰে দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ে ৩১২ বৰ্গ মিটাৰত মুঠ ৫৫,৩৩,০০০ টকা ব্যয়ৰে এটা কম্পিউটাৰ কক্ষ ছাত্ৰ- ছাত্ৰীৰ বাবে নিৰ্মাণ কৰে। পূব কামৰূপ মহাবিদ্যালয়েও ৪০,০০০.০০ টকাৰে ২৫১.০২৫ বৰ্গ মিটাৰ আগুৰি এটা ছাত্ৰ -ছাত্ৰীৰ বাবে কম্পিউটাৰ কক্ষ ৰুচাৰ অনুদানেৰে নিৰ্মাণ কৰে।

**বিঃদ্রঃ মুঠতে দুয়োখন মহাবিদ্যালয়ে নিৰ্মাণ কাৰ্য্যৰ বাবে মুঠ আবণ্টিত ধন ৪.০০ কোটি টকাৰ পৰা ১ কোটি ৪০ লাখ টকাকৈ খৰছ কৰি ওপৰোক্ত নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিছে।**

**পুনৰ নিৰ্মাণ সম্পৰ্কীয় কামৰ খতিয়ান এনে ধৰণৰঃ**

দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ে আৰু পূব কামৰূপ মহাবিদ্যালয়ে মুঠ ৪.০০ কোটি টকাৰ পৰা ১ কোটি ৪০ লাখ টকা খৰছ কৰি পুনৰ নিৰ্মাণ সম্পৰ্কীয় বহুতো প্ৰকল্প হাতত লৈ যথাসময়ত উচিত সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰ দাখিল কৰি ছাত্ৰ - ছাত্ৰীৰ ব্যৱহাৰৰ উপযোগী কৰি তোলে। সেই প্ৰকল্প সমূহৰ সৱিশেষ এনে ধৰণৰঃ

দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ে ১৭২.৪ বৰ্গ মিটাৰৰ এটা শৈক্ষিক ভৱন ২৫ লাখ টকাৰে পুনৰ নিৰ্মাণ কৰে। ইয়াৰ উপৰিও চৌহদ উন্নয়ণ, ছাত্ৰবাস উন্নয়ণ, শ্ৰেণীকোঠা উন্নয়ণ, পুঁথিভড়াল উন্নয়ণ, প্ৰেক্ষাগৃহ উন্নয়ণ, ছাত্ৰ-ছাত্ৰীৰ প্ৰসাৰগাৰ উন্নয়ণ আদিৰ দৰে গুৰুত্বপূৰ্ণ বহুদিনীয়া অভাৱ ৰুচাৰ পুঁজিৰে সম্পাদন কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি কৰিবলৈ সক্ষম হয়। মুঠ ৯২২.০৯ বৰ্গ মিটাৰ এলেকা পুনৰ নিৰ্মাণ আঁচনিৰে ৰূপায়ণ কৰি ছাত্ৰ-ছাত্ৰীক উপকৃত কৰে। তেনেদৰে, পূব কামৰূপ মহাবিদ্যালয়ে ৪২৮.৮ বৰ্গ মিটাৰৰ এটা ছাত্ৰনিৱাস ২৫,০০,০০০.০০ লাখ টকাৰে উন্নয়ণ কৰে। ইয়াৰ উপৰিও শৈক্ষিক ভৱন উন্নয়ণ, চৌহদ উন্নয়ণ, প্ৰসাৰগাৰ উন্নয়ণ, পুঁথিভড়াল উন্নয়ণ, শ্ৰেণীকোঠা উন্নয়ণ, প্ৰেক্ষাগৃহ উন্নয়ণ, কেণ্টিন উন্নয়ণ আদিৰ দৰে গুৰুত্বপূৰ্ণ প্ৰকল্প উন্নয়ণৰ কাম হাতত লৈ যথা সময়ত সম্পূৰ্ণ কৰে। পুনৰ নিৰ্মাণ আঁচনিৰ অধীনত মুঠ ১ কোটি ৪০ লাখ টকাৰে মুঠ ১৪৩৫.৬৪৩ বৰ্গ মিটাৰ এলেকা মহাবিদ্যালয় খনে উন্নয়ণ কৰে।

সঁজুলি ক্ৰয়ৰ নামতো দুয়োখন মহাবিদ্যালয়ে মুঠ ৪.কোটি টকাৰ পৰা ১ কোটি ২০ লাখ টকাকৈ খৰছ কৰে। উক্ত ধনৰাশিৰে দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয়ে খেলৰ সামগ্ৰী ৩০ লাখ টকাদি ক্ৰয় কৰে। ইয়াৰ উপৰিও ৩৫ লাখ টকাৰ কম্পিউটাৰ আৰু আনুসংগিক বস্তু ক্ৰয়ৰ লগতে ৫৫ লাখ টকাদি পুঁথিভড়ালৰ বাবে প্ৰয়োজনীয় কিতাপ, আলোচনী, ইলেক্ট্ৰনিক পুথি, কিতাপ ৰখা শ্বেল্ফ আদি ক্ৰয় কৰে। পূব কামৰূপ মহাবিদ্যালয়েও ১ কোটি ২০ লাখ টকাৰে কিতাপ, খেলৰ সামগ্ৰী, কম্পিউটাৰ আদি ক্ৰয় কৰে। মুঠ ৭৮ টা কম্পিউটাৰ, ৮ টা UPS, ৩ খন স্মাৰ্ট বৰ্ড, এটা প্ৰিণ্টাৰ, ৫ টা প্ৰজেক্টৰ, ৩ টা স্কেনাৰ ৩৭,২৯০০০.০০ লাখ টকাৰে ক্ৰয় কৰে। ৫২,৭১০০০.০০ লাখ টকাৰে মুঠ ২০৮০ খন কিতাপ পূব মহাবিদ্যালয়ে ক্ৰয় কৰে। ৩০,০০,০০০.০০ লাখ টকা দি কিনা খেলৰ সামগ্ৰীৰ ভিতৰত বাস্কেটবল, বেডমিণ্টন ক'ৰ্ট আদিৰ লগত জড়িত সকলো সামগ্ৰী ক্ৰয় কৰে। লগতে খেল পথাৰ সমূহৰো উন্নয়ণ সাধন কৰে। দুয়োখন মহাবিদ্যালয়েই ৩৫:৩৫:৩০: অনুপাতত মুঠ ৪ কোটি টকা খৰছ কৰি সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰ যথা সময়ত ৰুচা কাৰ্য্যালয়ত দাখিল কৰিছে। পৰৱৰ্তী সময়ত এই সকলো তথ্য কেন্দ্ৰীয় চৰকাৰৰ উচ্চ শিক্ষা বিভাগক ৰাজ্যৰ সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰ হিচাপেও দাখিল কৰা হয়।

**তালিকা ৩: জিলা দুখনে শিতানটোত লাভ কৰা পুঁজিৰ সংক্ষিপ্ত বিৱৰণঃ**

| জিলাৰ নাম | মহাবিদ্যালয়ৰ নাম | নিৰ্মাণ সম্পৰ্কীয় কামত কৰা খৰছ (কোটিৰ হিচাপত) | পুনৰ নিৰ্মাণ সম্পৰ্কীয় কামত কৰা খৰছ (কোটিৰ হিচাপত) | সজুঁলি ক্ৰয়ৰ বাবদ কৰা খৰছ (কোটিৰ হিচাপত) | মুঠ (কোটিৰ হিচাপত) |
|---|---|---|---|---|---|
| গোলাঘাট | দেৰগাওঁ কমল দুৱৰা মহাবিদ্যালয় | ১.৪০ কোটি | ১.৪০ কোটি | ১.২০ কোটি | ৪.০০ কোটি |
| কামৰূপ (গ্ৰাম্য) | পূব কামৰূপ মহাবিদ্যালয় | ১.৪০ কোটি | ১.৪০ কোটি | ১.২০ কোটি | ৪.০০ কোটি |
| মুঠ | | ২.৮০ কোটি | ২.৮০ কোটি | ২.৪০ কোটি | ৮.০০ কোটি |

(২) Infrastructure Grants to Colleges **বা মহাবিদ্যালয় সমূহে লাভ কৰা আন্তঃগাঠনি উন্নয়ণৰ অনুদানঃ**

ইয়াৰ অধীনত দুয়োখন জিলাৰ মুঠ ৭ আৰু ৮ খনকৈ মহাবিদ্যালয়ে ৰুচা ১.০ অধীনত ২ কোটি টকাকৈ লাভ কৰিছিল। মহাবিদ্যালয় সমূহৰ নাম ইতিমধ্যেই তালিকা নং:১ আৰু ২ ত উল্লেখ কৰি আহা হৈছে। গোলাঘাট জিলাৰ নিৰ্মাণ সম্পৰ্কীয় কামত প্ৰতিখন মহাবিদ্যালয়ে ৭০ লাখকৈ টকা খৰছ কৰিছিল। উক্ত ৭০ লাখ টকাৰে প্ৰতিখন মহাবিদ্যালয়ে মূলতঃ শ্ৰেণীকোঠা নিৰ্মাণৰ কামেই সম্পূৰ্ণ কৰিছিল। ইয়াৰ উপৰিও প্ৰসাৰগাৰ,পৰীক্ষাগাৰ, ছাত্ৰ জিৰণী কোঠা, কম্পিউটাৰ কক্ষ আদিৰ কাম নিৰ্মাণ সম্পৰ্কীয় অনুদানেৰে সম্পূৰ্ণ কৰে। পুনৰ নিৰ্মাণৰ বাবেও ৭ খন মহাবিদ্যালয়ে ৭০ লাখ কৈ টকা খৰছ কৰি চৌহদ উন্নয়ণ, ছাত্ৰ নিৱাস উন্নয়ণ, শ্ৰেণীকোঠা উন্নয়ণ, প্ৰেক্ষাগৃহ উন্নয়ণ, পৰীক্ষাগাৰ উন্নয়ণ আদিৰ দৰে কাম হাতত লৈছিল। সজুঁলি ক্ৰয়ৰ বাবে ৭ খন মহাবিদ্যালয়ে ৬০ লাখ টকাকৈ ৰুচাৰ পৰা লাভ কৰিছিল আৰু তাৰ পৰা মুলতে তেওঁলোকে খেলৰ সামগ্ৰী, কম্পিউটাৰ, কিতাপ আদি ক্ৰয় কৰে।

ঠিক তেনেদৰে কামৰূপ (গ্ৰাম্য) ত ৮ খন মহাবিদ্যালয়ে উক্ত শিতানত মুঠ ১৬.০০ কোটি টকা লাভ কৰে। মহাবিদ্যালয়ৰ নাম ইতিমধ্যেই তালিকা নং: ২ ত উল্লেখ আছে। নিৰ্মাণ সম্পৰ্কীয় কামত ৭০ লাখকৈ টকাৰে শ্ৰেণী কোঠা, প্ৰসাৰগাৰ, পৰীক্ষাগাৰ, আদিৰ নিৰ্মাণ কাৰ্য্য মহাবিদ্যালয় সমূহে সম্পাদন কৰে। পুনৰ নিৰ্মাণ সম্পৰ্কীয় কামৰ বাবেও ৭০ লাখ টকাকৈ ৮ খন মহাবিদ্যালয়ে লাভ কৰি চৌহদ উন্নয়ণ, পুঁথিভড়াল উন্নয়ণ, শ্ৰেণীকোঠা উন্নয়ণ আদিৰ দৰে কাম সম্পূৰ্ণ কৰে। তেনেদৰে সজুঁলি ক্ৰয়ৰ বাবদ প্ৰতিখনে লাভ কৰা ৬০ লাখ টকাৰে কম্পিউটাৰ, খেলৰ সামগ্ৰী আৰু কিতাপ আদি ক্ৰয় কৰি সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰ দাখিল কৰে।

**তালিকা নং ৪: জিলা দুখনে শিতানটোত লাভ কৰা পুঁজিৰ সংক্ষিপ্ত বিৰৰণ**

| জিলাৰ নাম | মুঠ মহাবিদ্যালয়ৰ সংখ্যা | নিৰ্মাণ সম্পৰ্কীয় কামত কৰা খৰছ (কোটিৰ হিচাপত) | পুনৰ নিৰ্মাণ সম্পৰ্কীয় কামত কৰা খৰছ (কোটিৰ হিচাপত) | সজুঁলি ক্ৰয়ৰ বাবদ কৰা খৰছ (কোটিৰ হিচাপত) | মুঠ (কোটিৰ হিচাপত) |
|---|---|---|---|---|---|
| গোলাঘাট | ৭ | ৪.৯০ কোটি | ৪.৯০ কোটি | ৪.২০ কোটি | ১৪.০০ কোটি |
| কামৰূপ (গ্ৰাম্য) | ৮ | ৫.৬০ কোটি | ৫.৬০ কোটি | ৪.৮০ কোটি | ১৬.০০ কোটি |
| **মুঠ** | | **১০.৫ কোটি** | **১০.৫ কোটি** | **৯.০০ কোটি** | **৩০.০০ কোটি** |

(৩) Equity Initiatives **বা সমতাৰ পদক্ষেপ শিতানত জিলা দুখনে লাভ কৰা পুঁজিৰ হিচাপঃ**

উক্ত শিতানত ৰাজ্য খনে ৰুচা ১.০ ৰ অধীনত মুঠ ৫ কোটি টকা ২৯ খন মহাবিদ্যালয়ৰ বাবে লাভ কৰে। পুঁজিৰ বিতৰণত ৰাজ্যখনক এটা গোট হিচাপে ধৰি মহাবিদ্যালয় সমূহে চাহিদা অনুসৰি দাখিল কৰা DPR বা বিতং প্ৰকল্প প্ৰতিবেদন চাই ধনৰাশি স্থিৰ কৰা হৈছিল। গোলাঘাট জিলাৰ দেৰৰাজ ৰয় মহাবিদ্যালয়ে লাভ কৰা ২০ লাখ টকাৰে শাৰীৰিক ভাৱে অক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ সুবিধাযুক্ত প্ৰসাৰগাৰ নিৰ্মাণ , ৰেম্প নিৰ্মাণ, শ্ৰৱণ পুঁথি, শ্ৰৱণ মেচিন ইত্যাদি ক্ৰয় কৰা হৈছিল। বৰ্তমানলৈ ৯৯.০৬% ৰ সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰ তেখেত সকলে ৰুচালৈ প্ৰেৰণ কৰিছে। আনহাতে, পশ্চিম গুৱাহাটী মহাবিদ্যালয়ে ২৫ লাখ টকাৰে ভাষা গৱেষণাগাৰ এটা নিৰ্মাণ কৰে। ১০০% ৰ সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰও ইতিমধ্যে মহাবিদ্যালয় খনে দাখিল কৰিছে।

**তালিকা ৫: জিলা দুখনৰ সমতাৰ পদক্ষেপ শিতানত লাভ কৰা পুঁজিৰ সংক্ষিপ্ত বিৱৰণঃ**

| **জিলাৰ নাম** | **মহাবিদ্যালয়ৰ নাম** | **পুঁজিৰ পৰিমাণ (লাখৰ হিচাপত)** | **সদ্ ব্যৱহাৰিক প্ৰমাণ পত্ৰ দাখিলৰ স্থিতী** |
|---|---|---|---|
| গোলাঘাট | দেৱৰাজ ৰয় মহাবিদ্যালয় | ২০ লাখ | ৯৯.০৬% |
| কামৰূপ (গ্ৰাম্য) | পশ্চিম গুৱাহাটী মহাবিদ্যালয় | ২৫ লাখ | ১০০% |
| **মুঠ** | | ৪৫ লাখ | |

## <u>সামৰণি</u>

(ক) ৰুচাই অনুদান ৯০:১০ অনুপাতত অসমক প্ৰদান কৰে। অৰ্থাৎ কেন্দ্ৰই ৯০% পুঁজি শিতান অনুযায়ী যোগান ধৰে আৰু তাৰে ৰাজ্যই মাত্ৰ ১০% হে Matching Share হিচাপে মহাবিদ্যালয় সমূহক যোগান ধৰে। এনে কৰাৰ ফলত নিশ্চিত ভাৱে ৰাজ্য চৰকাৰ খনে এটা ডাঙৰ অৰ্থনৈতিক সকাঁহ কেন্দ্ৰৰ তৰফৰ পৰা লাভ কৰিছে।

(খ) ৰুচা ১.০ ৰ অনুদান উক্ত দুয়োখন জিলাই ৩৫:৩৫:৩০: অনুপাতত লাভ কৰি প্ৰকল্প ৰূপায়ণ কৰিছিল। অনুদান লাভ কৰা প্ৰতিখন মহাবিদ্যালয়ে নৱ-নিৰ্মাণ কাৰ্য্যৰ লগতে পুনৰ নিৰ্মাণ সম্পৰ্কীয় কামৰ বাবেও পুঁজি লাভ কৰিছিল। এনে কৰাৰ ফলত প্ৰতিখন মহাবিদ্যালয়ে পূৰ্বৰ তুলনাত ভাল আন্তঃগাঠনি নিৰ্মাণৰ সুবিধা লাভ কৰিছিল। স্থিৰ চিত্ৰত ইয়াৰ উমাণ পোৱা যায়। কেৱল নিৰ্মাণ কাৰ্য্যতেই ৰুচা সীমাবদ্ধ নহয়। তাৰ প্ৰমাণ ৰুচাই সজুঁলি আৰু পুঁথি ক্ৰয়ৰ বাবেও পুঁজিৰ যোগান ধৰি দৃষ্টান্ত দাঙি ধৰিছে। এই সকলোবোৰ কথা দৰাচলতে তথ্য সহকাৰে অধ্যয়ণৰ ফলাফলত আলোচনা কৰি অহা হৈছে।

(গ) ৰুচাৰ অনুদানৰ বাবে আজি মহাবিদ্যালয় সমূহৰ ভাল আকৰ্ষণীয় আন্তঃগাঠনি হ'ল। যাৰ ফলত ৰুচাৰ অনুদান প্ৰাপ্ত মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী পঢ়িবলৈ অহা সংখ্যাও ক্ৰমাগত হাৰত বাঢ়িছে। অধ্যক্ষ/অধ্যক্ষা সকলৰ দ্বাৰা এই তথ্য ৰুচাৰ কাৰ্য্যালয়লৈ প্ৰেৰণ কৰিছে। ৰুচাই আন্তঃগাঠনি উন্নত কৰিবলৈ প্ৰদান কৰা অনুদানৰ প্ৰভাৱত মহাবিদ্যালয় সমূহে NAAC মূল্যায়নটো ভাল ফলাফল দেখুৱাব পাৰিছে।

(ঘ) ৰুচাই Equity Initiatives অৰ্থাৎ সমতাৰ পদক্ষেপ শিতানত দুয়োখন জিলাতেই দুটা সুন্দৰ প্ৰকল্প হাতত লৈছিল। তাৰ বিষয়ে সবিশেষ ইতিমধ্যে আলোচনা কৰিছো। ছাত্ৰ-ছাত্ৰীৰ মাজত সমতা ৰক্ষাৰ বাবে ৰুচাৰ এই পদক্ষেপ নিশ্চিন্তে উচ্চ শিক্ষাৰ বাবে এক ডাঙৰ সংযোজন।

দুয়োখন জিলাই ৰুচা ১.০ অধীনত যি অনুদান লাভ কৰিলে তাৰ পৰা এই কথা নিশ্চিত হ'ল যে, **জিলা দুখনৰ বাবে ৰুচাৰ অনুদান বহল অৰ্থত এক আৰ্শীবাদ।** আশা ৰাখিছো এই ধাৰাবাহিকতা পৰৱৰ্তী সময়তো জিলা দুখনে অব্যাহত ৰাখিব আৰু নতুন মহাবিদ্যালয় ৰুচাৰ অধীনত সংযোজন হৈ জিলা আৰু ৰাজ্যৰ শৈক্ষিক মানচিত্ৰখনত ইতিবাচক ভাৱে প্ৰভাৱ পেলাব পাৰিব। এই মানসেৰেই উক্ত লিখনিটোৰ উত্তৰোত্তৰ কামনা কৰি সামৰণি মাৰিলো।

## কৃতজ্ঞতা

পুনৰ উল্লেখ কৰি জনাওঁ যে উক্ত লিখনিটো দৰাচলতে প্ৰজ্ঞাৰ প্ৰথম খণ্ডটিত লিখা লিখনিটোৰ মাত্ৰ অসমীয়া ৰূপান্তৰহে। মিছন সঞ্চালক মহোদয়ৰ অনুৰোধ মৰ্মে এই কাম হাতত লোৱা হয় আৰু যথা সময়ত প্ৰয়োজন সাপেক্ষে Project Monitoring System (PMS) ৰ সহায়ত লাভ কৰা তথ্যৰ আধাৰত লিখনিটো সম্পূৰ্ণ কৰা হয়। উক্ত লিখনিটো মিছন সঞ্চালক মহোদয়ৰ নিৰ্দেশত **"উচ্চ শিক্ষাৰ সমীক্ষাত্মক অধ্যয়ণ"** বুলি নামকৰণ কৰা গৱেষণামূলক পুঁথি খনৰ বাবে লিখা হৈছিল। ইয়াৰ প্ৰতিটো তথ্য সময় সাপেক্ষে লাভ কৰা PMS তথ্যৰ ভিত্তিত আহৰণ কৰা হৈছিল। জিলা দুখনৰ তুলনাত্মক অধ্যয়ণৰ পৰা এটা কথা স্পষ্ট হ'ল যে, সচৰাচৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা পোৱা শ্ৰেণী কোঠাৰ অভাৱ ৰুচাৰ অনুদানে বহু পৰিমাণে লাঘৱ কৰিলে। সেয়েহে এই সুযোগতে কেন্দ্ৰীয় চৰকাৰৰ এই অভিলাষী আঁচনিখনক অসমৰ শিক্ষা জগতৰ অভাৱ দূৰ কৰাৰ বাবে ধন্যবাদ জনালোঁ। দুয়োখন জিলাৰ মহাবিদ্যালয় কেইখনৰ শিক্ষক শিক্ষয়ত্ৰী, অধ্যক্ষ/অধ্যক্ষাই প্ৰদান কৰা সহযোগিতাৰ বাবেও তেখেত সকললৈ এই সুযোগতে ধন্যবাদ জনালোঁ। মিছন সঞ্চালক মহোদয়ৰ মোৰ ওপৰত থকা আস্থাৰ বাবে তেখেতক ধন্যবাদ জনোৱাৰ লগতে ৰুচা অসমৰ পৰিয়ালে প্ৰয়োজন সাপেক্ষে প্ৰদান কৰা সহযোগৰ বাবে নতশিৰে ধন্যবাদ জ্ঞাপন কৰিলো। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী দেশৰ ভৱিষ্যত। তেওঁলোকক সামৰ্থ অনুযায়ী সহায় আগবঢ়োৱাটো প্ৰতিজন দায়িত্বৰত ব্যক্তিৰ কৰ্তব্য। আশা কৰিছো ৰুচাৰ অনুদানেৰে অসমৰ উচ্চ শিক্ষাৰ সকলো শিক্ষানুষ্ঠান এদিন আলোকিত হ'ব। অসমৰ উচ্চ শিক্ষাৰ জয় যাত্ৰা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতিৰে লিখনিটোৰ সামৰণি মাৰিলো।

## স্পষ্টিকৰণ

(ক) ইয়াত কেৱল দুয়োখন জিলাৰ ৰুচা ১.০ ৰ অধীনৰ শিক্ষানুষ্ঠান সমূহৰ বিষয়েহে উল্লেখ আছে।


(খ) যিহেতু লিখনিটো তথ্য ভিত্তিক। সেয়েহে অজানিতে কৰা ভুলৰ বাবে পাঠক সমাজৰ আগত আগতিয়াকৈ ক্ষমা প্ৰাৰ্থনা বিচাৰি তেওঁলোকৰ গঠনমূলক প্ৰতিক্ৰিয়া লিখিত ৰূপত দাখিল কৰিবলৈ অনুৰোধ জনালোঁ।

(গ) অধ্যয়ণৰ পূৰ্বানুমান আপেক্ষিক ভাৱে সঁচা। কিন্তু ৰুচাৰ উদ্দেশ্য সকলো উচ্চ শিক্ষাৰ চৰকাৰী বা প্ৰাদেশীকৃত শিক্ষানুষ্ঠানক সমানে আগুৱাই নি সৰ্বাংগীন উন্নতী সাধন কৰা। তাৰ বাবে সকলোৰে সহযোগ এই ক্ষেত্ৰত বাঞ্চনীয়।

(ঘ) কামৰূপ জিলাক কামৰূপ (গ্ৰাম্য) বুলি কেৱল বুজিবৰ সহায়ক হ'ব বুলি ভাবিহে ব্যৱহাৰ কৰা হৈছে।

## স্থিৰচিত্ৰ

**গোলাঘাট জিলাৰ শৈক্ষিক আন্ত:গাঠনিত ৰুচা ১.০ ৰ প্ৰভাৱ:**





দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়



দেৰৰাজ ৰয় মহাবিদ্যালয়



গোলাঘাট বাণিজ্য মহাবিদ্যালয়



হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়



জয়া গগৈ মহাবিদ্যালয়



কমাৰগাওঁ মহাবিদ্যালয়



ফৰকাটিং মহাবিদ্যালয়




যোগানন্দ দেৱ সত্ৰাধিকাৰ গোস্বামী মহাবিদ্যালয়

**কামৰূপ (গ্ৰাম্য) জিলাৰ শৈক্ষিক আন্ত:গাঠনিত ৰূচা ১.০ ৰ প্ৰভাৱ:**






পূব কামৰূপ মহাবিদ্যালয়



শৰাইঘাট মহাবিদ্যালয়



সুৰেন দাস মহাবিদ্যালয়




পশ্চিম গুৱাহাটী মহাবিদ্যালয়



পুঠিমাৰী মহাবিদ্যালয়



ৰঙিয়া মহাবিদ্যালয়




শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়



ছয়গাঁও মহাবিদ্যালয়




জৱাহৰলাল নেহৰু মহাবিদ্যালয়

# অধ্যায়ঃ ২

# অসমৰ মহাবিদ্যালয়ত নৃতত্ত্ব অধ্যয়নৰ প্ৰয়োজনীয়তা

## প্ৰস্তাৱনা

আলোচ্য বিষয় "অসমৰ মহাবিদ্যালয়ত নৃতত্ত্ব অধ্যয়নৰ প্ৰয়োজনীয়তা" বিশ্লেষণ কৰোতে এই কথা প্ৰতিফলিত হ'ল যে, মানৱৰ বিষয়ে কৰা বৈজ্ঞানিক অধ্যয়নেই নৃতত্ত্ব। ইয়াত মানৱৰ আৱয়বিক আৰু সাংস্কৃতিক দুয়োটা দিশেই অধ্যয়ন কৰা হয়।

পৃথিৱীত বহু ধৰণৰ মানুহ বসবাস কৰে। তেওঁলোকৰ দৈহিক লক্ষ্যণবোৰ বিচিত্ৰ। সেইদৰে তেওঁলোকৰ জীৱনধাৰাও বৈচিত্ৰময় হয়। মুঠতে মানৱৰ উৎপত্তিৰ পৰা বৰ্তমানলৈকে মানৱৰ আৱয়বিক দিশটোৰ লগত জড়িত সকলোবোৰ বিষয় আৱয়বিক নৃতত্ত্বত অধ্যয়ন কৰা হয়।

তেনেদৰে প্ৰাণী জগতত মানুহেই একমাত্ৰ সংস্কৃতি সম্পন্ন প্ৰাণী। মানৱে উন্নত মগজুৰ সহায়ত জীৱনৰ বিভিন্ন চাহিদা সমূহ পূৰণ কৰিবলৈ বিভিন্ন কাৰ্য্য সম্পাদনা কৰে। সাংস্কৃতিক নৃতত্ত্বই মানুহৰ এই দিশৰ অধ্যয়ন কৰে। নৃতত্ত্বৰ অধ্যয়নে উচ্চ শিক্ষাত এক মাত্ৰা প্ৰদান কৰে। মানুহৰ সম্পূৰ্ণ বৈজ্ঞানীক অধ্যয়ন এই বিজ্ঞানে কৰে। উত্তৰ পূৰ্ব ভাৰতত এই অধ্যয়ণৰ এক বিশেষ স্হল আছে। সেয়েহে উত্তৰ পূৰ্ব ভাৰতৰ লগতেই অসমতো এই বিষয়টোৰ বহুল প্ৰসাৰ আৰু প্ৰচাৰ হ'ব লাগে।

## আৰম্ভনী

মানৱ সম্বন্ধে সকলো দিশ খৰচি মাৰি অধ্যয়ন কৰাটোৱেই হ'ল নৃতত্ত্বৰ লক্ষ্য। সেয়েহে ইয়াৰ পৰিসৰ বৰ বিস্তৃত। গ্ৰীক শব্দ Anthropos যাৰ অৰ্থ মানুহ আৰু Logos যাৰ অৰ্থ বিজ্ঞান এই শব্দ দুটাৰ পৰাই Anthropology শব্দটো সৃষ্টি হৈছিল। নৃতত্ত্বৰ বিষয় বস্তু প্ৰধানঃ দুটা ভাগত ভগাৱ পাৰি। যেনে- (১) আৱয়ৱিক নৃতত্ত্ব (২) সাংস্কৃতিক নৃতত্ত্ব। অসমীয়াত নৃতত্ত্ব শব্দটো দুটা শব্দৰ সংযোজনত সৃষ্টি হৈছে। নৃ আৰু তত্ত্ব। নৃ মানে 'মানুহ' আৰু তত্ত্ব মানে 'বিজ্ঞান'। সেয়েহে ইয়াক মানৱ বিজ্ঞান বুলিও জনা যায়।

(১) আৱয়ৱিক নৃতত্ত্বঃ- আৱয়ৱিক নৃতত্ত্বত মানুহৰ জীৱ জগতত কি স্হান সেইটো উলিয়াবলৈ মানুহৰ নিকটৱৰ্তী অন্যান্য স্তন্যপায়ী জীৱ যেনে- বান্দৰ, বনমানুহ আদিৰ দেহতত্ত্বৰ অধ্যয়ন কৰা হয়, যাক প্ৰাইমেটতত্ত্ব বোলে। মানুহক এটা সুকীয়া জৈৱিক গোষ্ঠী হিচাপে লৈ মানুহৰ উত্পত্তি, বিৱৰ্তন, শাৰীৰিক গঠন, আৱয়বিক লক্ষণ আদি বিভিন্ন দিশবোৰ অধ্যয়ন কৰা হয় আৰু তাক নৃজীৱতত্ত্ব বোলে। আৱয়ৱিক নৃতত্ত্বত পৃথিৱীৰ বিভিন্ন মানুহৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য অধ্যয়ন কৰি প্ৰজাতিৰ বংশানুক্ৰম আৰু বংশগতিৰ দ্বাৰা নিয়ন্ত্ৰীত লক্ষণসমূহ বৈজ্ঞানীক উপায়েৰে অধ্যয়ন কৰা হয়। আৱয়ৱিক নৃতত্ত্বত প্ৰাকৃতিক পৰিবেশে মানুহৰ ওপৰত কি প্ৰভাৱ পেলায় তাৰ বিষয়েও অধ্যয়ন কৰা হয়। তদুপৰি সু প্ৰজনন বিজ্ঞান (Eugenics)ৰ সহায়ত কোনো জনগোষ্ঠীৰ মাজত বৰ্তী থকা অনিষ্ঠকাৰী লক্ষণ সমূহ আঁতৰাই সমষ্টিটোৰ উন্নতি সাধন কৰিব পৰা যায়।

(২) সাংস্কৃতিক নৃতত্ত্বঃ সাংস্কৃতিক নৃতত্ত্বত মানুহৰ জন্ম লগ্নৰে পৰা এতিয়ালৈকে বিভিন্ন সময়ত পৃথিৱীৰ বিভিন্ন ঠাইত বসবাস কৰা লোকৰ সংস্কৃতি প্ৰণালীবদ্ধ ভাৱে অধ্যয়ন কৰা হয়। মানুহে কেতিয়া আৰু কি দৰে সমাজ পাতি থাকিবলৈ ললে, কিদৰে মানুহৰ ভাষা জ্ঞান উদয় হ'ল, কিদৰে হাতেৰে সা-সুঁজুলি তৈয়াৰ কৰিবলৈ শিকিলে আৰু এইবোৰ তৈয়াৰ কৰাত কি কি সামগ্ৰী ব্যৱহাৰ কৰিছিল, কেনেকৈ জীৱন প্ৰৱৰ্তন কৰিবলৈ নৃতত্ত্ব অধ্যয়নৰ পৰা পোৱা জ্ঞান সমূহ মানৱ সমাজৰ উন্নতিৰ হকে দুই ধৰণে প্ৰয়োগ কৰিব পৰা যায়। প্ৰয়োগিক নৃতত্বই কোনো এটা কাম কেনেদৰে কৰিলে ভাল হব সেই বিষয়ে পৰামৰ্শ আগবঢ়াই। আনহাতে, ক্ৰিয়া নৃতত্ত্বই সমাজত কোনো পৰিৱৰ্তনৰ ফলত উদ্ভৱ হোৱা প্ৰতিকূল সমস্যা সমাধানৰ বাবে পৰামৰ্শ আগবঢ়াই।

## অধ্যয়নৰ মূল উদ্দেশ্য

(১) উচ্চশিক্ষাত নৃতত্ত্বৰ প্ৰয়োজনীয়তা।

(২) নৃতত্ত্বৰ পৰিষৰ সমন্ধে আলোচনা কৰা।

(৩) নৃতত্ত্বৰ লগত আন প্ৰাকৃতিক বিজ্ঞান বা সমাজ বিজ্ঞানৰ সাদৃশ্যতা।

(৪) নৃতত্ত্বৰ অসমত ভৱিষ্যত।

## কাৰ্য্যপ্ৰণালী

অধ্যয়নৰ সমল হিচাপে অসমৰ আগশাৰীৰ নৃতত্ত্ব থকা তিনিখন শিক্ষানুষ্ঠান বাছি লোৱা হৈছে। আৰু তাত পোৱা তথ্যৰ আলমতে লিখনিতো সজাই পৰাই প্ৰস্তুত কৰা হৈছে। কথাখিনি বিশেষকৈ নিৰীক্ষণ পদ্ধতি ব্যৱহাৰ কৰিয়েই লিখা হৈছে। পৰৱৰ্তী সময়ত প্ৰয়োজন সাপেক্ষে সাক্ষাতকাৰ পদ্ধতি ব্যৱহাৰ কৰা হৈছে। লিখনিটোৰ বাবে প্ৰাথমিক তথ্য আৰু গৌণ তথ্য দুয়োটাই সময় সাপেক্ষে ব্যৱহাৰ কৰা হৈছে।


## নৃতত্ত্ব অধ্যয়নৰ আৱশ্যকতা

যিহেতু মানৱৰ বিষয়ে কৰা বৈজ্ঞানীক অধ্যয়নেই হ'ল নৃতত্ত্ব। সেয়েহে নৃতত্ত্বত মানৱ বুলিলে সমগ্ৰ মানৱ গোষ্ঠীক বুজোৱা হয়। নৃতত্ত্বত মানৱৰ লগত জড়িত সকলো দিশেই অধ্যয়ন কৰা হয়। মানুহ জীৱ শ্ৰেষ্ঠ হোৱাৰ উপৰিও একমাত্ৰ সংস্কৃতি সম্পন্ন প্ৰানী, সেয়েহে ওপৰত উল্লেখ কৰি আহাৰ দৰেই মানৱ বোলোতেই ইয়াৰ দুটা প্ৰধান দিশ আমাৰ মনলৈ আহে। তাৰে এটা হ'ল আগতে কৈ অহাৰ দৰেই আৱয়বিক দিশ আৰু আনটো হ'ল সাংস্কৃতিক দিশ।

আৱয়বিক নৃতত্ত্বত মানুহৰ উৎপত্তিত পৰা আৰম্ভ কৰি বৰ্তমান যুগলৈকে সমগ্ৰ পৃথিৱীতে বিস্তাৰিত হৈ থকা বিভিন্ন মানৱগোষ্ঠী সম্বন্ধে অধ্যয়ন কৰা হয়। মানুহৰ উৎপত্তিৰ আতঁ বিচাৰিবলৈ গৈ জীৱজগতত মানুহৰ স্হান আৰু অন্যান্য জীৱৰ লগত থকা মানুহৰ সম্বন্ধৰ বিষয়েও আৱয়বিক নৃতত্ত্বত অধ্যয়ন কৰা হয়।

পৃথিৱীৰ বিভিন্ন মানৱ সম্প্ৰদায় সমূহৰ সমগ্ৰ জীৱনধাৰৰ অধ্যয়নেই সাংস্কৃতিক নৃতত্ত্ব। ভাষা, ধৰ্ম, লৌকিক বিশ্বাস, ৰিতী-নীতি, আইন-কানুন, আচাৰ-ব্যৱহাৰ, শিল্পকলা, খোৱা-বোৱা, পিন্ধন উৰণ, সামাজিক চিন্তাধাৰা, সামাজিক অনুষ্ঠান, সা-সজুঁলি, আ- অলংকাৰ, বিভিন্ন হাতিয়াৰ ইত্যাদি সকলোবোৰ সমল লৈ সংস্কৃতি এটাই গঢ় লয়। বিভিন্ন মানৱ সম্প্ৰদায়ৰ সংস্কৃতিও বিভিন্ন আৰু এইবোৰৰ তুলনামূলক অধ্যয়নেই হ'ল সাংস্কৃতিক নৃতত্ত্ব।

## নৃতত্ত্বৰ শাখা উপশাখা সমূহ



## মহাবিদ্যালয়ত নৃতত্ত্ব অধ্যয়নৰ আৱশ্যকতা

এখন মহাবিদ্যালয় হৈছে উচ্চ শিক্ষাৰ প্ৰান কেন্দ্ৰ। দৰাচলতে মানৱ বিজ্ঞান অধ্যয়নৰ বহুল প্ৰচাৰে উচ্চ শিক্ষাক এক মাত্ৰা প্ৰদান কৰিব পাৰে। মানুহৰ সম্পূৰ্ণ বৈজ্ঞানিক অধ্যয়ন এই বিজ্ঞানে কৰে। অসমত নৃতত্ত্ব অধ্যয়নৰ পৰিষৰ ব্যাপক কিয়নো অসমকে ধৰি উত্তৰ পূৱ ভাৰতৰ বিভিন্ন জনগোষ্ঠী, ভাষা-ভাষীৰ লোকেৰে আবৃত। তেওঁলোকৰ জীৱন শৈলীৰ সম্পূৰ্ণ অধ্যয়নৰ ইয়াত স্হল আছে। ইয়াৰ উপৰিও বহুতো প্ৰসিদ্ধ প্ৰাগৈতিহাসিক ক্ষেত্ৰৰে অসম বা উত্তৰ পূব ভাৰত সু সমৃদ্ধ। ছাত্ৰ-ছাত্ৰীয়ে নৃতত্ত্বক বিষয় হিচাপে লৈ পঢ়িলে পৰৱৰ্তী সময়ত তেওঁলোকক জীৱন আৰু জীৱিকা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত ই সহায়ক হ'ব পাৰে। বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাতো নৃতত্ত্বক বিষয় হিচাপে লৈ পৰীক্ষাত অৱতীৰ্ণ হলে সুফল পোৱাত সহজ হয়। নিয়োগৰ ক্ষেত্ৰতো নৃতত্ত্বৰ আছে এক বিপুল সম্ভাৱনা। মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত শিক্ষকতা কৰাৰ উপৰিও, বিভিন্ন কাৰ্য্যালয়ত ক্ষেত্ৰ বিষয়া, জৰীপ বিষয়া ইত্যাদি হোৱাৰ উপৰিও গৱেষণা মূলক অনুষ্ঠানত গৱেষক হিচাপেও সেৱা আগবঢ়াব পাৰে।

নৃতত্ত্ব অধ্যায়ন কৰিলে নিয়োগৰ ক্ষেত্ৰত অসমত এক ব্যাপক সম্ভাৱনা আছে। সকলো প্ৰয়োগীক ক্ষেত্ৰতেই নৃতত্ত্বৰ প্ৰয়োজন। নৃতত্ত্বৰ ব্যৱহাৰিক জ্ঞান অবিহনে যি কোনো কৰ্ম ক্ষেত্ৰত দৰাচলতে ব্যক্তি বিশেষে সফলতা লাভ কৰিব নোৱাৰে। অসমত এই অধ্যয়নৰ প্ৰচুৰ সম্বাৱনা থকাৰ পিছতো অসমৰ মাত্ৰ কেইখন মান মহাবিদ্যালয়তহে এই বিষয়টো উপলব্ধ হোৱাটো এক চিন্তনীয় বিষয়। বিশ্ববিদ্যালয়ৰ শিক্ষক সমাজে এই বিষয়টোৰ উত্তৰণৰ বাবে দৰাচলতে এক আদৰণীয় পদক্ষেপ হাতত লব লাগে। নৃতত্ত্ব এক বৃত্তিগত শিক্ষা। এই শিক্ষাৰ বহল প্ৰচাৰ হোৱাটো আৱশ্যক। চৰকাৰী খণ্ডৰ লগতেই আন-আন ক্ষেত্ৰ যেনে NGO, শিক্ষা, স্বাস্হ্য, ব্যৱসায় আদিতো নৃতত্ত্বৰ জ্ঞানে এক বিশেষ সফলতাৰ মাত্ৰা প্ৰদান কৰিব পাৰে। সংগ্ৰহালয়ৰ চাকৰিৰ বাবেও নৃতত্ত্ব এক প্ৰয়োজনীয় বিষয়।

ৰাষ্ট্ৰীয় শিক্ষা নিতী ২০২০ য়ে জীৱন শৈলীৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিছে। এই ক্ষেত্ৰত নৃতত্ত্বৰ জ্ঞানে ভৱিষ্যত সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত এক আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিব। অসমত প্ৰাগৈতিহাসিক নৃতত্ত্ব অধ্যয়নৰো এক বিপুল সম্ভাৱনা আছে। আমবাৰী খনন কাৰ্য্যৰ পৰা আৰম্ভ কৰি মদনকামদেৱ, অশ্বক্লান্ত দেৱালয়, কানাই বৰশি বোৱা শিল আদি এনে অলেখ উদাহৰণেৰে অসম সমৃদ্ধ। এজন মানুহক প্ৰকৃতাৰ্থে সামাজিক কৰি তুলিবলৈ নৃতত্ত্বৰ জ্ঞান অতি দৰকাৰী। এখন সমাজ সুস্হ দিশত পৰিচালিত কৰিবলৈ সামজিক নৃতত্ত্বৰ জ্ঞানৰ অতি প্ৰয়োজন। সংস্কৃতি সম্পন্ন জীৱ হিচাপে মানুহ জীয়াই থাকিব হলে নৃতত্ত্বৰ জ্ঞানৰ অতি প্ৰয়োজন। অসমত নৃতত্ত্বৰ ভৱিষ্যত সম্পৰ্কে প্ৰাথমিক তথ্য সংগ্ৰহৰ অৰ্থে আমি গুৱাহাটীৰ তিনিখন আগশাৰী শিক্ষানুষ্ঠান চিনাক্ত কৰি উলিয়াইছিলো। সেইকেই খন যথাক্ৰমে-(ক) কটন বিশ্ববিদ্যালয় (খ) আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় আৰু (গ) প্ৰাগজ্যোতিষ মহাবিদ্যালয়। এই মহাবিদ্যালয় তিনিখনৰ পৰা ছাত্ৰ-ছাত্ৰীৰ নৃতত্ত্ব প্ৰতি থকা আগ্ৰহ, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, তেওঁলোকৰ ভৱিষ্যত পৰিকল্পনা আদিৰ বিষয়ে জানিব চেষ্টা কৰিছিলো।

তালিকা নংঃ ১ " মহাবিদ্যালয়ত ছাত্ৰ- ছাত্ৰী আৰু আসনৰ সংখ্যা''

| শ্ৰেণী | কটন বিশ্ববিদ্যালয় | | | | আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয় | | | | প্ৰাগজ্যোতিষ মহাবিদ্যালয়। | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | গুৰু বিষয় | | লঘু বিষয় | | গুৰু বিষয় | | লঘু বিষয় | | গুৰু বিষয় | | লঘু বিষয় | |
| | সংৰিক্ষত আসনৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | সংৰিক্ষত আসনৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | সংৰিক্ষত আসনৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | সংৰিক্ষত আসনৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | সংৰিক্ষত আসনৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | সংৰিক্ষত আসনৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
| প্ৰথম ষান্মাষিক | ২৫ | ২৪ | শ্ৰেণী সমূহ আৰম্ভ হোৱা নাই | শ্ৰেণী সমূহ আৰম্ভ হোৱা নাই | ২৬ | ৩৪ | ৭৫ | ৮০ | ২০ | ২৪ | ২০ | ৪৫ |

| | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| প্ৰথম ষান্মাষিক | ২৫ | ২৪ | শ্ৰেণী সমূহ আৰম্ভ হোৱা নাই | শ্ৰেণী সমূহ আৰম্ভ হোৱা নাই | ২৬ | ৩৪ | ৭৫ | ৮০ | ২০ | ২৪ | ২০ | ৪৫ |
| তৃতীয় ষান্মাষিক | ২৫ | ২৬ | ১৩ | ১৮ | ২৬ | ২৩ | ৭৫ | ৩০ | ২০ | ৩৮ | ২০ | ২৭ |
| পঞ্চম ষান্মাষিক | ২৫ | ১৮ | ছাত্ৰ-ছাত্ৰী নাই | ছাত্ৰ-ছাত্ৰী নাই | ২৬ | ৩০ | ৭৫ | ২৭ | ২০ | ৩০ | ২০ | ৫ |

উৎসঃ (তথ্য সমূহ বিভাগীয় শিক্ষক গোটৰ পৰা সংগ্ৰহ কৰা হৈছে)

ওপৰোক্ত তালিকা খনৰ পৰা গ'ম পোৱা গ'ল যে, ছাত্ৰ-ছাত্ৰীৰ নৃতত্ত্ব পঢ়াৰ প্ৰতি আগ্ৰহ আছে। ইয়াক প্ৰমান কৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় বোৰ শিক্ষানুষ্ঠানতেই সংৰক্ষিত আসনতকৈ বেছি। আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ৰ দুগৰাকীমান ছাত্ৰ-ছাত্ৰীক নৃতত্ত্বৰ পঢ়াৰ প্ৰতি আগ্ৰহ আছে নে নাই সুধাত কয়- 'নৃতত্ত্বই এনে এটা বিষয় য'ত মানুহৰ আচৰণ অধ্যয়ন কৰা হয়। জীৱন যুজত ব্ৰতী হ'বলৈ নৃতত্ত্বৰ জ্ঞান অপৰিহাৰ্য্য। নৃতত্ত্বই এটা বিষয় য'ত পুংখানুপুংখ ভাৱে ক্ষেত্ৰ অধ্যয়ন সম্ভৱ। সমাজ জীৱনৰ বিষয়ে জানিবলৈ আৰু জনাবলৈ নৃতত্ত্ব বৰ দৰকাৰী'। শিক্ষক সকলক তেখেতসকলৰ মন্তব্য সোধাত কয়- 'ছাত্ৰ-ছাত্ৰী নৃতত্ত্ব পঢ়াৰ প্ৰতি বহুত আগ্ৰহী কিন্তু সেই অনুপাতে অসমত নৃতত্ত্ব বিষয় হিচাপে থকা শিক্ষানুষ্ঠান নথকাৰ ফলত লৰা-ছোৱালী পঢ়াৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত তেওঁলোকে আৰু কয় যে তেওঁলোকৰ কৰণীয় দায়িত্ব হ'ল-চৰকাৰক অসমৰ সকলো মহাবিদ্যালয়ত নৃতত্ত্ব বিষয়টো খোলাৰ বাবে অনুৰোধ জনোৱা। যিহেতু যিকোনো চাকৰিৰ লগতে প্ৰশাসনীয় দিশটোত যাবলৈ নৃতত্ত্বৰ অতি প্ৰয়োজন, গতিকে উচ্চ শিক্ষা বিভাগ, অসম চৰকাৰে, বিষয়টো গুৰুত্ব সহকাৰে ল'ব লাগে'। শিক্ষক সকলৰ দৃষ্টিত নৃতত্ত্ব কেৱল- শিক্ষকতা, গৱেষণা আদিতেই সীমাবদ্ধ নহয়। মূল্যবোধৰ শিক্ষাৰ বাবে নৃতত্ত্বই এতিয়া বহুত নতুন নতুন দিশ অধ্যয়ন কৰে। যেনে-Tourism Anthropology, Business & Corporate Anthropology, Media & Photography, Medical Anthropology, Visual Anthropology, Kinanthropology ইত্যাদি। নিয়োগৰ সম্পূৰ্ণ সম্ভাৱনা থকা অন্যতম এটা বিষয়েই হ'ল নৃতত্ত্ব। মুঠতে মানুহৰ উত্পত্তি, বিৱৰ্ত্তণ আৰু পৰিবৰ্তন সম্পৰ্কে সম্পূৰ্ণ খৰছি মাৰি অধ্যয়ন কৰা বিষয়টোই হ'ল নতৃত্ব। শিক্ষক সমাজৰ মতে, নৃতত্ত্ব বিষয়টোৰ প্ৰতি সঠিক সজাগতাৰ অভাৱৰ বাবেই আজিও অসমৰ মাত্ৰ কেইখন মান মহাবিদ্যালয়তেই বিষয়টো সীমাবদ্ধ হৈ ৰৈ গৈছে।

## সামৰণি

এ.এল. ক্ৰোবাৰৰ ভাষাত নৃতত্ত্ব হ'ল মানুহ, তেওঁৰ কৰ্ম আৰু আচৰণৰ বিষয়ে অধ্যয়ন কৰা এক বিজ্ঞান। মানুহে সদায় সমাজ পাতি বাস কৰে আৰু জীৱৰ ভিতৰত মানুহেই একমাত্ৰ সংস্কৃতি সম্পন্ন প্ৰাণী। গতিকে মানৱক কেন্দ্ৰ কৰি মানৱৰ আৱয়বিক, সামাজিক, সাংস্কৃতিক, ঐতিহাসিক, ভৌগোলিক প্ৰমুখ্যে সকলো দিশ প্ৰণালীবদ্ধ বাৱে অধ্যয়ন কৰা বিজ্ঞানেই হ'ল নৃতত্ত্ব। কলা বা বিজ্ঞান দুয়োটা শাখাৰ ছাত্ৰ-ছাত্ৰীয়েই নৃতত্ত্ব বিষয় হিচাপে লৈ উচ্চ শিক্ষা গ্ৰহণ কৰিব পাৰে। মূল্যবোধৰ শিক্ষা গ্ৰহণৰ বাবে নৃতত্ত্বৰ অধ্যয়ন অতিকৈ প্ৰয়োজনীয়। প্ৰাকৃতিক বিজ্ঞান যেনে জীৱ বিজ্ঞান, প্ৰাণী বিজ্ঞান, শৰীৰ বিজ্ঞান, শৰীৰতত্ব বিজ্ঞান, ভূ-বিজ্ঞান, ৰাসায়ন বিজ্ঞান আদিৰ লগত আৱয়বিক নৃতত্ত্বৰ ওতঃপ্ৰোতঃ সম্বন্ধ আছে। তেনেদৰেই সামাজিক বিজ্ঞান যেনে সমাজ বিজ্ঞান, মনোবিজ্ঞান, মানৱ ভূগোল, অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, ইতিহাস ইত্যাদি আটাইবোৰ বিষয়ৰ লগতে নৃতত্ত্বৰ যোগাযোগ অতিকৈ মনকৰিব লগীয়া। সাংস্কৃতিক নৃতত্ত্ব অধ্যয়নৰ ক্ষেত্ৰত মানৱ ভূগোল, অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, ইতিহাস আদি বিশেষ সহায়ক হয়। প্ৰাগ ঐতিহাসিক নৃতত্ত্ব অধ্যয়নৰ ক্ষেত্ৰত পুৰাতত্ত্ব, ভূতত্ত্ব আদি বিষয়ৰ জ্ঞান অতি আৱশ্যকীয়। জীৱাশ্ম বিজ্ঞান, ৰাসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান আদিৰ জ্ঞান প্ৰাক্ঐতিহাসিক যুগৰ সমল সমূহৰ কাল নিৰ্ণয় কৰাত, ঠাইসমূহ খনন কৰাৰ পাছত তাৰ কাল নিৰ্ণয়, বিশ্লেষণ আদিত অতি আৱশ্যক হয়। ঠিক তেনেদৰে সামাজিক নৃতত্ত্ব আৰু সমাজতন্ত্ৰ এটি মুদ্ৰাৰ ইপিঠি-সিপিঠি।

আশা ৰাখিছো পৰৱৰ্তী সময়ত অসমত নৃতত্ব পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু বাঢ়িব আৰু এই সকল ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ সকলো দিশ অধ্যয়ন আৰু গৱেষণা কৰি এক নৱজাগৰণৰ সুচনা কৰিব। তাৰ বাবে লাগিব সঠিক সজাগতা। আশা ৰাখিছো পৰৱৰ্তী সময়ত উচ্চ শিক্ষা বিভাগ, অসম চৰকাৰে বিষয়টোৰ তাপৰ্য্য বুজি অসমৰ সকলো মহাবিদ্যালয়ত এই বিষয়টোৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰিব আৰু ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাংগীন উন্নতিত ইতিবাচক ভূমিকা গ্ৰহণ কৰিব।

(প্ৰজ্ঞাৰ জানুৱাৰী-মাৰ্চ, ২০২১ সংখ্যাত প্ৰকাশিত)

<u>অধ্যায়ঃ ৩</u>

# গুৱাহাটীৰ পাশ্বৱৰ্তী এলেকাৰ মহাবিদ্যালয় সমূহৰ স্নাতকোত্তৰ শ্ৰেণীৰ সমাজ বিজ্ঞান বিভাগত অধ্যয়নৰত ছাত্ৰী সকলৰ এক চমু ক্ষেত্ৰভিত্তিক অধ্যয়ন

## প্ৰস্তাৱনা

লিখনিটো নগাওঁ জিলাৰ তিনিখন আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ তথ্য ভিত্তিক মতামতৰ ওপৰত নিৰ্ভৰ কৰি প্ৰস্তুত কৰা হৈছে। স্নাতকোত্তৰ শ্ৰেণীৰ সমাজ বিজ্ঞান বিভাগত অধ্যয়ণৰত ছাত্ৰী সকল মূলতে আছিল অধ্যয়নৰ বিষয় বস্তু। গুৱাহাটীৰ পাশ্বৱৰ্তী এলেকা হিচাপে নগাওঁ জিলাই উচ্চ শিক্ষাৰ দিশত কি ব্যৱস্থা গ্ৰহণ কৰিছে,বিশেষকৈ নাৰী শিক্ষা প্ৰসাৰত জিলাখনৰ ভূমিকা থূলমূলকৈ নিৰূপন কৰাই আছিল অধ্যয়নৰ লক্ষ্য । সমাজত নাৰীৰ স্থান আৰু উচ্চ শিক্ষাত নাৰীৰ ভূমিকা নিৰ্ণয় কৰিবলৈ ৰুচা অসমে এটা ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ যোগেদি এই প্ৰচেষ্ঠা হাতত লৈছিল। অধ্যক্ষ সমন্বিতে সকলো শিক্ষক শিক্ষয়ত্ৰী আৰু ছাত্ৰী সকলৰ সহযোগত প্ৰস্তুত কৰা লিখনিটোই পূণাংগ ৰূপ লোৱাটোই আছিল ৰুচা, অসমৰ কাম্য।

## পাতনি

নাৰী শিক্ষা অবিহনে এখন সুস্থ সৱল সমাজ গঠন হ'ব নোৱাৰে। নাৰী কেৱল জন্মদাতৃয়েই নহয়, সৃষ্টিকামীও। এখন সমাজত পুৰুষৰ সমানেই নাৰী শিক্ষিত নহ'লে সমাজ খন সুস্থিৰ হ'ব নোৱাৰে। এজন লৰা শিক্ষিত হোৱা মানে তেওঁ শিক্ষিত হোৱা বুজায় কিন্তু এজনী ছোৱালী শিক্ষিত হোৱা মানে ঘৰ খন শিক্ষিত হোৱা বুজায়।

এজনী উচ্চ শিক্ষিতা নাৰীয়ে কেৱল জ্ঞানেই অৰ্জন নকৰে, তাই লগতে জীৱন আৰু জীৱিকাৰো বাট প্ৰসস্থ কৰিব পাৰে। টকাই কেৱল জীৱনটো চলাই নিব পাৰে কিন্তু শিক্ষাই জীৱনটো উপভোগ কৰাব পাৰে। শিক্ষা কেৱল আনুষ্ঠানিক প্ৰক্ৰিয়াতেই সীমাবদ্ধ নহয়, শিক্ষা দৰাচলতে জ্ঞান অৰ্জন কৰাৰ এটা প্ৰক্ৰিয়া যাৰ দ্বাৰা এটা শিশুৱে কৌশল আৰু আদৰ্শ, পৰিৱেশ সাপেক্ষে গ্ৰহণ কৰিব পাৰে। প্ৰকৃত শিক্ষাই ব্যক্তিৰ সাবাংগীণ উন্নতি সাধন কৰি সমাজৰ এজন সুস্থ নাগৰিক ৰূপে স্থাপন কৰে। বৰ্তমানৰ শিক্ষা মূল্যবোধৰ শিক্ষা যি শিক্ষাই পুৰুষ-নাৰী উভয়কে জীৱনৰ যিকোনো পৰিস্থিতিৰ লগত মুকাবিলা কৰিবলৈ সক্ষম কৰি তুলিব পাৰে। যদি আমি অসমৰ নাৰী শিক্ষাৰ পটভূমিত শিক্ষাৰ গুৰুত্ব পৰ্য্যালোচনা কৰো তেন্তে দেখা পাওঁ ২০১১ চনৰ লোক পিয়ল অনুযায়ী অসমৰ মুঠ সাক্ষৰতাৰ হাৰ ৭২.১৯ শতাংশ। পুৰুষৰ বিপৰীতে মহিলা সাক্ষৰতাৰ হাৰ এনেধৰণৰ-

| পুৰুষ | মহিলা | পুৰুষ | মহিলা |
|---|---|---|---|
| গাওঁ | গাওঁ | চহৰ | চহৰ |
| ৭৫.৮০% | ৬০.০৫% | ৯১.৮১% | ৭৯.৮৫% |

(২০১১ চনৰ লোক পিয়ল অনুসৰি)

মহিলা সাক্ষৰতাৰ হাৰ পুৰুষৰ তুলনাত এতিয়াও ভাৱিব নোৱাৰা ধৰণে কম। ইয়াৰ কাৰণ বিভিন্ন যেনে-নাৰী শিক্ষাৰ প্ৰতি অৱহেলা, পুৰুষ তান্ত্ৰিক সমাজ ব্যৱস্থা, ছোৱালীৰ কম বয়সতে হোৱা বিবাহ, অন্ধ বিশ্বাস, দৰিদ্ৰ অৰ্থনীতি ইত্যাদি।

ৰুচাৰ মাননীয় মিছন সঞ্চালক মহোদয়ৰ তত্বাৱধানত বিগত কিছু দিন ধৰি শিক্ষা সজাগতাৰ উদ্দেশ্যে ই-মেগাজিন প্ৰজ্ঞাৰ যোগেদি বিভিন্ন প্ৰকল্প হাতত লৈ আহিছে। এই বাৰ তেখেতৰ তত্বধানত গুৱাহাটীৰ পাশ্ববৰ্তী এলেকাৰ মহাবিদ্যালয় সমূহৰ স্নাতকোত্তৰ শ্ৰেণীৰ সমাজ বিজ্ঞান বিভাগত অধ্যয়নৰত ছাত্ৰী সকলৰ ওপৰত এটি ক্ষেত্ৰ ভিত্তিক অধ্যয়ন চলাৱলৈ মোক নিৰ্দেশ দিয়ে। এই সুত্ৰেই আমি নগাওঁ জিলাৰ তিনিখন আগশাৰীৰ মহাবিদ্যালয় নিৰ্বাচন কৰি বিষয়টো আলোচনা কৰিবলৈ যত্ন কৰো। মহাবিদ্যালয় কেইখন যথাক্ৰমে-

(১) আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় (২) নগাওঁ মহাবিদ্যালয় (৩) নগাওঁ ছোৱালী কলেজ।

সমাজ বিজ্ঞানৰ এক বিস্তৃত পৰিষৰ আছে। বিভিন্ন বিষয় ইয়াৰ অন্তৰ্গত। যেনে- নৃতত্ব, ভূগোল, সমাজ বিদ্যা, মনোবিজ্ঞান, বুৰঞ্জী, অৰ্থনীতি, দৰ্শন, ৰাজনীতি বিজ্ঞান, শিক্ষাতত্ব, ইংৰাজী, অসমীয়া, বঙালী, হিন্দী, মণিপুৰী ইত্যাদি। সহজ অৰ্থত সমাজ বিজ্ঞানে এজন ব্যক্তিক সামাজিক ৰূপে গঢ় দিব পাৰে। অধ্যয়নৰ বাবে নগাওঁ জিলাখন বাছি লোৱাৰ মূলতেই আছিল (১) জিলাখন অসমৰ এখন আগশাৰীৰ জিলা (২) শিক্ষা সংস্কৃতিত এই জিলাখনৰ অৱদান মনকৰিবলগীয়া (৩) মহিলা সাক্ষৰতাৰ হাৰ আন জিলাতকৈ বহু খিনি উন্নত।

গুৱাহাটী অসমৰ প্ৰানকেন্দ্ৰ। প্ৰায়বোৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ইয়াতেই গঢ় লৈ উঠে। অসমকে ধৰি  উত্তৰ পূৱ ভাৰতৰ সকলো ছাত্ৰ-ছাত্ৰী ইয়ালৈ উচ্চ শিক্ষাৰ বাবে আহে। কিন্তু বিগত কেইটা মান বছৰৰ পৰা মন কৰিছো ৰুচাই আগবঢ়োৱা আৰ্থিক অনুদান লাভ কৰি অসমৰ আন আন প্ৰান্তৰ মহাবিদ্যালয় সমূহো একো একো খন আগশাৰীৰ মহাবিদ্যালয়লৈ ৰূপান্তৰিত হৈছে। প্ৰায়বোৰ শিক্ষানুষ্ঠানৰ শিক্ষাৰ গুনগত মানদণ্ড গুৱাহাটীৰ মহাবিদ্যালয় সমূহৰ সমানে সমানেই ফেৰ মাৰিব পৰা হৈছে। ই আমাৰ বাবে এক শুভ লক্ষণ। এই দিশটোলৈ লক্ষ্য ৰাখিয়েই আমি নগাওঁ জিলাখনৰ আগশাৰীৰ তিনিখন মহাবিদ্যালয় নিৰ্বাচন কৰি অধ্যয়নৰ বাবে বাছি লওঁ। ছাত্ৰী সকলক অধ্যয়নৰ সমল হিচাপে নিৰ্বাচন কৰাৰ অন্তৰালত আছিল এতিয়াও উচ্চ শিক্ষাত মহিলাৰ স্থান আশানুৰূপ নহয়। সময়ে সময়ে বিভিন্ন কাৰকে ইয়াত প্ৰভাৱান্বিত কৰে।

এই কাৰক সমূহেনো কেনেকৈ প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে আমাৰ নিৰ্বাচিত মহাবিদ্যালয় সমূহকো প্ৰভাৱিত কৰিছে তাক চালি-জাৰি চোৱাটেই আমাৰ অধ্যয়নৰ প্ৰধান লক্ষ্য।

<u>অধ্যয়নৰ উদ্দেশ্যঃ</u>

(ক) উচ্চ শিক্ষাত সমাজ বিজ্ঞানৰ ভূমিকা।
(খ) ছাত্ৰী সকলৰ উচ্চ শিক্ষাৰ প্ৰতি ধাৰণা।
(গ) স্নাতকোত্তৰ শিক্ষা গ্ৰহণকাৰী ছাত্ৰীৰ ভৱিষ্যত পৰিকল্পনা।
(ঘ) নাৰী শিক্ষা প্ৰসাৰত সমাজৰ অৰিহণা।

<u>পৰিকল্পনাঃ</u> (ক) শিক্ষাৰত ছাত্ৰীসকল ভৱিষ্যত সম্পৰ্কে সকাৰাত্মক ভাৱে সচেতন।

## <u>অনুসন্ধান ক্ৰিয়াবিধিঃ</u>

মূলতে অধ্যয়নৰ বাবে নগাওঁ জিলাৰ তিনিখন মহাবিদ্যালয় ক্ৰমে (১) আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় (২) নগাওঁ মহাবিদ্যালয় আৰু (৩) নগাওঁ ছোৱালী কলেজ নিৰ্বাচন কৰা হয়। স্নাতকোত্তৰ শ্ৰেণীত পাঠদান কৰা ছাত্ৰী সকলক অধ্যয়ণৰ বিষয় বস্তু হিচাপে অগ্ৰাধিকাৰ দিয়া হয়। সমাজ বিজ্ঞানকেই অধ্যয়নৰ কাৰক হিচাপে প্ৰতিস্থা কৰাৰ অন্তৰালত আছিল নিৰ্বাচিত মহাবিদ্যালয় কেইখনত স্নাতকোত্তৰ পঢ়িবৰ বাবে সমাজ বিজ্ঞানৰ বিষয়বোৰেই আটাইতকৈ বেছি থকাৰ লগতেই বিষয় সমূহৰ গ্ৰহণ যোগ্যতাও উল্লেখনীয় আছিল। মানুহক সমাজিক প্ৰানী হিচাপে চিনাকী দিবলৈ সমাজ  বিজ্ঞানৰ বিষয়সমূহৰ জ্ঞান অপৰিহাৰ্য্য।

যদিও সমাজ বিজ্ঞানৰ ভিতৰত আধুনিক ভাৰতীয় ভাষা বিষয়টোও অন্তভূৰ্ক্ত কিন্তু তথাপি আমাৰ অধ্যয়নত কেৱল আন আন সমাজ বিজ্ঞানৰ বিষয় সমূহকে অগ্ৰধিকাৰ দিয়া হৈছে। পৰৱৰ্তী পৰ্য্যায়ত আধুনিক ভাৰতীয় ভাষা সমূহৰ ওপৰতো আলোচনা কৰা হ'ব।

অধ্যয়নৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় পৰা বুৰঞ্জী বিষয়টোৰ ওপৰত ছাত্ৰীৰ মতামত লোৱা হৈছে। ঠিক তেনেদৰে নগাওঁ মহাবিদ্যালয়ৰ পৰা দৰ্শন, বুৰঞ্জী আৰু শিক্ষা বিভাগৰ মতামত আৰু নগাওঁ ছোৱালী কলেজৰ পৰা ভূগোল বিষয়টোৰ তথ্য আহৰণ কৰা হৈছে। স্নাতকোত্তৰ ডিগ্ৰীৰ প্ৰথম আৰু তৃতীয় ষান্মাষিকৰ ছাত্ৰী সকলক অধ্যয়নৰ সমল হিচাপে গণ্য কৰি অধ্যয়নটো আগবঢ়াই নিয়া হৈছে। ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা ২১৯ ৰ বিপৰীতে ছাত্ৰীৰ সংখ্যা আছিল ১৭৯ (৭৮.১৬%)। প্ৰশ্নাৱলীৰ যোগেদি সৃষ্টি হোৱা সাক্ষাতকাৰৰ দ্বাৰাই আমাৰ অধ্যয়নে অগ্ৰগতি লাভ কৰিছিল।

অধ্যয়নৰ বাবে মূলতঃ সাক্ষতকাৰ পদ্ধতিটোই ব্যৱহাৰ কৰিছিলো। ইয়াৰ ওপৰিও সময় সাপেক্ষে নিৰিক্ষণ আৰু প্ৰশ্নাৱলী পদ্ধতিটোও ব্যৱহাৰ কৰিছিলো। অধ্যয়নৰ নমুনা সংগ্ৰহৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা মুঠ ১৪ জনী, নগাওঁ মহাবিদ্যালয়ৰ পৰা মুঠ ৫৯ জনী আৰু নগাওঁ ছোৱালী কলেজৰ পৰা মুঠ ৪০ জনী ছোৱালীৰ সাক্ষাতকাৰ গ্ৰহণ কৰা হৈছিল। ২২৯ জন মুঠ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে উক্ত অধ্যয়নত আমি ১১৩ জনী ছাত্ৰীৰ সাক্ষাতকাৰ গ্ৰহণ কৰিছিলো। প্ৰশ্নাৱলী সমূহ আমি দুটা পৰ্য্যায়ত তৈয়াৰ কৰিছিলো।

(ক) সাধাৰণ প্ৰশ্নাৱলী যাৰ উত্তৰ অধ্যক্ষ সকলে প্ৰদান কৰিছিল।

(খ) ছাত্ৰীৰ তথ্য সম্বলিত প্ৰশ্নাৱলী। যাৰ উত্তৰ ছাত্ৰী সকলে লিখিত ৰূপত আমাক দিছিল। প্ৰশ্নাৱলীৰ দ্বাৰা সৃষ্টি হোৱা সাক্ষাতকাৰৰ যোগেদিয়েই আমাৰ অধ্যয়নে অগ্ৰগতি লাভ কৰিছিল।

## অধ্যয়নৰ গুৰুত্বঃ

সমাজত পুৰুষ আৰু মহিলাৰ অনুপাত যদি চোৱা যায়, দেখা পাওঁ মহিলাৰ সংখ্যা কম। শিক্ষাৰ ক্ষেত্ৰতো বিভিন্ন কাৰকে মহিলাক প্ৰভাৱান্বিত কৰি মহিলা শিক্ষাৰ হাৰ পুৰুষতকৈ কমোৱাত অৰিহণা যোগাইছে। কি কি কাৰকে মহিলা শিক্ষাত হেঙাৰ হৈছে তাক জনাটোই বৰ্তমান অধ্যয়নৰ লক্ষ্য আৰু গুৰুত্ব। নিৰ্বাচিত নগাওঁ জিলা খনৰ তিনিখন আগশাৰীৰ মহাবিদ্যালয়ক অধ্যয়নৰ সম্বল হিচাপে লৈ আমি চলোৱা অধ্যয়নে প্ৰতিফলিত কৰা প্ৰতিচ্ছবি খন এনে ধৰণৰঃ

### টেবুলঃ ১ মহাবিদ্যালয় অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

| মহাবিদ্যালয়ৰ নাম | বিষয় | ছাত্ৰৰ সংখ্যা | | ছাত্ৰীৰ সংখ্যা | | ছাত্ৰীৰ মুঠ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা | ছাত্ৰীৰ মুঠ শতকৰা সংখ্যা |
|---|---|---|---|---|---|---|---|---|
| | | প্ৰথম ষান্মষিক | তৃতীয় ষান্মষিক | প্ৰথম ষান্মষিক | তৃতীয় ষান্মষিক | | | |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | বুৰঞ্জী | ৪ | ৪ | ৮ | ৮ | ১৬ | ২৪ | ৬৬.৬৬ |
| নগাওঁ মহাবিদ্যালয় | দৰ্শন | ২ | ৩০ | ১৮ | ১৪ | ৩২ | ৬৪ | ৫০ |
| | বুৰঞ্জী | ৫ | ০ | ২০ | ১৯ | ৩৯ | ৪৪ | ৮৮.৬৩ |
| | শিক্ষা | ৩ | ২ | ২৭ | ২৫ | ৫২ | ৫৭ | ৯১.২২ |
| নগাওঁ ছোৱালী কলেজ | ভূগোল | ০ | ০ | ২০ | ২০ | ৪০ | ৪০ | ১০০ |
| মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | | ১৪ | ৩৬ | ৯৩ | ৮৬ | ১৭৯ | ২২৯ | ৭৮.১৬ |

উৎসঃ (মহাবিদ্যালয় সমূহে প্ৰদান কৰা তথ্যৰ ভিত্তিত)

বিশ্লেষণঃ ওপৰোক্ত টেবুলখনৰ ভিত্তিত এই কথা স্পষ্ট হ'ল স্নাতকোত্তৰ শিক্ষাৰ বাবে অহা ছাত্ৰীৰ শতকৰা হাৰ ৭৮.১৬ শতাংশ। শিক্ষাৰত ছাত্ৰৰ সংখ্যা কিন্তু ছাত্ৰীৰ তুলনাত এই তিনিখন মহাবিদ্যালয়ত আপেক্ষিক ভাৱে কম।

মহাবিদ্যালয় সমূহৰ অধ্যক্ষৰ লিখিত বিৰৰণৰ ভিত্তিত এই কথা জানিব পাৰিলো যে বিষয় নিৰ্বাচন বা উচ্চ শিক্ষা গ্ৰহণৰ বাবে লিংগ ভিত্তিক বৈষম্য এই তিনিখন মহাবিদ্যালয়ত নাই।

**টেবুলঃ ২ লিংগ ভিত্তিক বৈষম্য**

| মহাবিদ্যালয়ৰ নাম | লিংগ ভিত্তিক বৈষম্য | |
|---|---|---|
| | আছে | নাই |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | X | নাই |
| নগাওঁ মহাবিদ্যালয় | X | নাই |
| নগাওঁ ছোৱালী কলেজ | X | নাই |

বিশ্লেষণঃ উক্ত টেবুলখনে ধনাত্মক ভাবে সমাজত চলি থকা লিংগ বৈষম্য দূৰ কৰাৰ এক সুন্দৰ ছবি মহাবিদ্যালয় তিনিখনৰ মতামত দ্বাৰা দাঙি ধৰিছে। লিংগ বৈষম্য দূৰ কৰিব হ'লে পুৰুষৰ দৰে মহিলাকো সম মৰ্য্যদা দিৱই লাগিব। সময়ৰ তাগিদা অনুযায়ী সময়ে সময়ে সমাজত লিংগ বৈষম্যই মূৰ দাঙি উঠে। বিচাৰ ধাৰা সলনি কৰি এই সমস্যাৰ সমাধান কৰিব পাৰি।

**টেবুলঃ ৩ জীৱন জীৱিকাৰ শিক্ষা**

| মহাবিদ্যালয়ৰ নাম | ব্যক্তিত্ব বিকাশৰ প্ৰশিক্ষণ | কেমপাচ্ ইণ্টাৰভিউ | NET/SET প্ৰাৰম্ভিক প্ৰশিক্ষণ | বৰ্তমান কোনো আঁচনি নাই |
|---|---|---|---|---|
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | হয় | হয় | হয় | - |
| নগাওঁ মহাবিদ্যালয় | হয় | হয় | হয় | - |
| নগাওঁ ছোৱালী কলেজ | হয় | হয় | হয় | - |

বিশ্লেষণঃ উক্ত টেবুল খনৰ জৰিয়তে অধ্যক্ষ সকলে স্পষ্ট ভাৱে আমাক জনালে যে এই তিনিখন মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা দানতেই ক্ষান্ত নাথাকি জীৱন জীৱিকাৰ বিষয়েও এক সুন্দৰ শিক্ষাৰ নিদৰ্শন দাঙি ধৰিছে। শিক্ষা জীৱিকামুখী নহ'লে শিক্ষাৰ উদ্দেশ্য বিপৰীত দিশে গতি কৰে। সেয়েহে তেওঁলোকে ব্যক্তিত্ব বিকাশৰ লগতেই, কেমপাচ ইণ্টাৰভিউ আৰু NET/SET ৰ প্ৰাৰম্ভিক প্ৰশিক্ষণ ইত্যাদি আগবঢ়াই ছাত্ৰ-ছাত্ৰীক বাস্তৱ মুখী কৰি তুলিছে।

**টেবুলঃ ৪ যোৱা ৫ বছৰত স্নাতকোত্তৰ শিক্ষাৰ বাবে অধ্যয়ন কৰিব অহা ছাত্ৰীৰ সংখ্যা**

| মহাবিদ্যালয়ৰ নাম | চন অনুযায়ী ছাত্ৰীৰ নাম ভৰ্ত্তিৰ সংখ্যা | | | | | | স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বছৰ | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | ২০১৬ | ২০১৭ | ২০১৮ | ২০১৯ | ২০২০ | মুঠ | বুৰঞ্জী | শিক্ষা | দৰ্শন | ভূগোল |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | | ১২ | ১৬ | ১১ | ৮ | ৪৭ | ৩ | | | |
| নগাওঁ মহাবিদ্যালয় | ৮৪ | ৯৭ | ১১৬ | ১৩০ | ১২৩ | ৫৫০ | ১০ | ৫ | ৮ | |
| নগাওঁ ছোৱালী কলেজ | | | | ২০ | ৪০ | ৬০ | | | | ২ |
| **মুঠ** | ৮৪ | ১০৯ | ১৩২ | ১৬১ | ১৭১ | ৬৫৭ | | | | |

বিশ্লেষণঃ উক্ত টেবুল খনে দুটা কথা প্ৰতিফলিত কৰিছে। যোৱা ১০ বছৰৰ পৰা নগাওঁ জিলা খনে স্নাতকোত্তৰ শিক্ষা ছাত্ৰ-ছাত্ৰী সকলক আগবঢ়াই আহিছে। ই সচাঁই এক আদৰণীয় পদক্ষেপ। নগাওঁ মহাবিদ্যালয়ে যোৱা ১০ বছৰৰ পৰা বুৰঞ্জী বিভাগত স্নাতকোত্তৰ পাঠ দান ছাত্ৰ-ছাত্ৰী সকলক আগবঢ়াইছে। ঠিক তেনেদৰে উক্ত মহাবিদ্যালয় খনে ৮ বছৰ আগৰ পৰা দৰ্শন আৰু ৫ বছৰ আগৰ পৰা শিক্ষা বিষয়ত স্নাতকোত্তৰ শিক্ষা ছাত্ৰ-ছাত্ৰীক আগবঢ়াই আহিছে। সেইদৰেই ৩ বছৰ ধৰি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ পাঠদান কৰাই আহিছে। নগাওঁ ছোৱালী কলেজেও যোৱা ২ বছৰ পৰা ভূগোল বিষয়ত স্নাতকোত্তৰ শিক্ষা প্ৰদান কৰি জিলা খনক উচ্চ শিক্ষাত এক মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে। যোৱা পাঁচটা বছৰত মুঠ ৬৫৭ জনী ছাত্ৰীয়ে এই তিনি খন মহাবিদ্যালয়ৰ পৰা স্নাতকোত্তৰ শিক্ষা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল।

**টেবুলঃ ৫ - যোৱা ৫ বছৰত ছাত্ৰী সকলৰ ফলাফল**

| বৰ্ষ অনুযায়ী উত্তীৰ্ণৰ সংখ্যা | | | | | | | | | | | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| মহাবিদ্যালয়ৰ নাম | ২০১৬ | | | | ২০১৭ | | | | ২০১৮ | | | | ২০১৯ | | | | ২০২০ | | | | মুঠ উত্তীৰ্ণৰ সংখ্যা |
| | প্ৰথম বিভাগ | দ্বিতীয় বিভাগ | তৃতীয় বিভাগ | মুঠ উত্তীৰ্ণৰ সংখ্যা | প্ৰথম বিভাগ | দ্বিতীয় বিভাগ | তৃতীয় বিভাগ | মুঠ উত্তীৰ্ণৰ সংখ্যা | প্ৰথম বিভাগ | দ্বিতীয় বিভাগ | তৃতীয় বিভাগ | মুঠ উত্তীৰ্ণৰ সংখ্যা | প্ৰথম বিভাগ | দ্বিতীয় বিভাগ | তৃতীয় বিভাগ | মুঠ উত্তীৰ্ণৰ সংখ্যা | প্ৰথম বিভাগ | দ্বিতীয় বিভাগ | তৃতীয় বিভাগ | মুঠ উত্তীৰ্ণৰ সংখ্যা | |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | | | | | | | | | | | | | ০ | ২ | | ০২ | | | | | ১৬০ |
| নগাওঁ মহাবিদ্যালয় | ২ | ২১ | | ২৩ | ২ | ২১ | | ২৩ | ১২ | ২৭ | | ৩৯ | ৯ | ২৫ | | ৩৪ | ১৯ | | | ১৯ | |
| নগাএঁ ছোৱালী কলেজ | | | | | | | | | | | | | | | | | ১৮ | ২ | | ২০ | |
| মুঠ | ২ | ২১ | | ২৩ | ২ | ২১ | | ২৩ | ১২ | ২৭ | | ৩৯ | ৯ | ২৭ | | ৩৬ | ৩৭ | ২ | | ৯ | |

বিশ্লেষণঃ টেবুল নং ৪ ৰ মুঠ ৬৫৭ জনী ছাত্রীৰ পৰা ১৬০ জনী ছাত্রীয়ে যোৱা পাঁচ বছৰত স্নাতকোত্তৰ ডিগ্রী লাভ কৰিবলৈ সক্ষম হৈছে। অৱশ্যে উপৰোক্ত ৬৫৭ জনীৰ ছাত্রীৰ বহুতেই আধাতেই শিক্ষা অসম্পর্ণও কৰিছিল। নগাওঁ মহাবিদ্যালয়ৰ উর্ত্তীণৰ সংখ্যা তুলনামূলকভাৱে আন দুখন মহাবিদ্যালয়তকৈ আগবঢ়া । প্রথম, দ্বিতীয়, তৃতীয় বিভাগত পাছ কৰা ছাত্রীৰ বিশদ বিৱৰণ টেবুল নং ৫ ত দেখিবলৈ পাব।
চলিত বর্ষৰ Dropout ছাত্রীৰ সংখ্যা মন কৰিবলগীয়া । প্রথম আৰু তৃতীয় ষান্মাষিক মিলি তিনিওখন মহাবিদ্যালয়ৰ ভিতৰত মুঠ ১৮ জনী ছোৱালীয়ে শিক্ষা আধাতেই সমাপ্ত কৰে। কাৰণ সমূহৰ বেছি ভাগেই অর্থনৈতিক নতুবা বিবাহ। টেবুল নং ৬ ত বিশদ বিৱৰণ দিয়া হ’ল।

ছাত্রীৰ তথ্য সম্বলিত প্রশ্নাৱলীৰ আতঁ ধৰি প্রথম আৰু তৃতীয় ষান্মাষিকৰ পৰা মুঠ ১১৩ জনী ছাত্রীৰ আমি সাক্ষাতকাৰ গ্রহণ কৰিছিলো।

**টেবুলঃ ৬ Dropout ছাত্রীৰ সংখ্যা আৰু কাৰণ**

| মহাবিদ্যালয়ৰ নাম | ষান্মাষিক অনুযায়ী | | | | | Dropout কাৰণ | | | |
|---|---|---|---|---|---|---|---|---|---|
| | প্রথম ষান্মাষিক | দ্বিতীয় ষান্মাষিক | তৃতীয় ষান্মাষিক | চতুর্থ ষান্মাষিক | মুঠ | অর্থনৈতিক | ঘৰৰ হেঁচা | বিবাহ | অন্য কিবা |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | | | ৩ | | ৩ | হয় | হয় | | |
| নগাওঁ মহাবিদ্যালয় | ২ | ৩ | ৮ | ২ | ১৫ | হয় | | হয় | |
| নগাওঁ ছোৱালী কলেজ | | | | | | | | | |
| মুঠ | ২ | ৩ | ১১ | ২ | ১৮ | | | | |

স্নাতকোত্তৰ শিক্ষা আগবঢ়াবলৈ মহাবিদ্যালয় সমূহক বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমতি দৰকাৰ। আৱেদনকাৰী নগাওঁ ছোৱালী কলেজৰ বাদে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আৰু নগাওঁ মহাবিদ্যালয়ত অনুদান আয়োগৰ অনুমতি আছে। ঠিক তেনেদৰে প্রতিখন মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়ত্রীৰ পদ সমূহৰো অনুমোদন বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা প্রাপ্ত।

**টেবুলঃ ৭ বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্থিতি**

| মহাবিদ্যালয় নাম | বিশ্ববিদ্যালয় অনুদান মঞ্জুৰী | | | শিক্ষক-শিক্ষয়ত্রীৰ পদ সমূহৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদনৰ স্থিতি | |
|---|---|---|---|---|---|
| | আছে | নাই | আৱেদন কৰা হৈছে | আছে | ঠিকা ভিত্তিক |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | আছে | | | আছে | |
| নগাওঁ মহাবিদ্যালয় | আছে | | | আছে | |
| নগাঁও ছোৱালী কলেজ | | | আৱেদন কৰা হৈছে | আছে | |

(উপৰোক্ত টেবুল সহ সকলো খিনি তথ্য প্রতিখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ দ্বাৰা প্রাপ্ত)।

ছাত্ৰীৰ তথ্য সম্বলিত প্ৰশ্নাৱলীৰ আতঁ ধৰি প্ৰথম আৰু তৃতীয় ষান্মাষিকৰ পৰা মুঠ ১১৩ জনী ছাত্ৰীৰ আমি সাক্ষাতকাৰ গ্ৰহণ কৰিছিলো।

**টেবুলঃ ৮ সাক্ষাতকাৰী মুঠ ছাত্ৰীৰ সংখ্যা**

| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | | | | | নগাওঁ মহাবিদ্যালয় | | | | | নগাওঁ ছোৱালী কলেজ | | | | | মুঠ সাক্ষাতকাৰী ছাত্ৰীৰ সংখ্যা |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| প্ৰথম ষান্মাষিক | দ্বিতীয় ষান্মাষিক | তৃতীয় ষান্মাষিক | চতুৰ্থ ষান্মাষিক | মুঠ | প্ৰথম ষান্মাষিক | দ্বিতীয় ষান্মাষিক | তৃতীয় ষান্মাষিক | চতুৰ্থ ষান্মাষিক | মুঠ | প্ৰথম ষান্মাষিক | দ্বিতীয় ষান্মাষিক | তৃতীয় ষান্মাষিক | চতুৰ্থ ষান্মাষিক | মুঠ | ১১৩ |
| ৬ | ০ | ৮ | ০ | ১৪ | ৫৩ | ০ | ৬ | ০ | ৫৯ | ২০ | ০ | ২০ | ০ | ৪০ | |

মহাবিদ্যালয় অনুযায়ী আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা ১৪ জনী ছাত্ৰীৰ, নগাওঁ মহাবিদ্যালয়ৰ পৰা ৫৯ জনী ছাত্ৰীৰ আৰু নগাওঁ ছোৱালী কলেজৰ পৰা আমি ৪০ জনী ছাত্ৰীৰ সাক্ষাতকাৰ গ্ৰহণ কৰো। যাচ্ছিক নুমুনা সংগ্ৰহ পদ্ধতি ব্যৱহাৰ কৰি তথ্য সমূহ ছাত্ৰী সকলৰ পৰা আহৰণ কৰা হৈছে। টেবুলে প্ৰমান কৰিছে এই তিনিও খন মহাবিদ্যালয়ৰ ভিতৰত নগাওঁ মহাবিদ্যালয়তেই সমাজ বিজ্ঞানৰ বিষয়ৰ সংখ্যা অত্যাধিক হোৱাৰ লগতেই পঢ়িবলৈ অহা ছাত্ৰীৰ সংখ্যাও আন দুখন মহাবিদ্যালয়তকৈ অত্যাধিক। টেবুল নং ৫ এ প্ৰমান কৰিছে যে, বিগত পাঁচ বছৰত এই মহাবিদ্যালয় খনৰ পৰা উৰ্ত্তীণ হোৱা ছাত্ৰীৰ সংখ্যাও তুলনা মূলক ভাবে আন দুখনতকৈ বেছি।

উচ্চ শিক্ষা দৰাচলতে জীৱনৰ সপোন পূৰাবলৈ কৰা এটা প্ৰয়াস। বৰ্তমান সময়ত শিক্ষা অবিহনে জীৱন অসাৰ। শিক্ষা বৃত্তিমুখী হোৱাৰ লগে লগেই লৰাৰ সমানেই ছোৱালীও উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা দেখা যায় । কিন্তু সমাজ, অৰ্থনিতী আৰু ঘৰুৱা পৰিৱেশৰ বাবে কেতিয়াবা কিছুমান ছাত্ৰীৰ সপোন আধাতেই বৈ যায়। যিটো বৰ্তমান সময়ৰ বাবে অতি দূৰ্ভাগ্যজনক। নাৰী শিক্ষা প্ৰসাৰৰ বাবে অসম চৰকাৰে লোৱা ন-ন পদক্ষেপে এই ধৰণৰ আসোৱাহ বোৰ দূৰ কৰি নাৰী শিক্ষাৰ প্ৰসাৰ কৰিব পাৰিব। সাক্ষাতকাৰৰ সময়ত ছাত্ৰী সকলক দুটা মান প্ৰশ্ন সোধিছিলো যেনে- বিষয়টোৰ প্ৰতি তোমাৰ আগ্ৰহ ? কিয় স্নাতকোত্তৰ কৰিব বিছাৰিছা ইত্যাদি?

## টেবুলঃ ৯ বিষয়টোৰ প্ৰতি আগ্ৰহ

| মহাবিদ্যালয়ৰ নাম | বিষয়টোৰ প্ৰতি থকা আগ্ৰহৰ কাৰণ সমূহ (বহু বিকল্পী উত্তৰো সম্ভৱ) | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | স্নাতক হোৱাৰ বিশেষ পাৰদৰ্শিতাৰ বাবে | নিয়োগৰ সুবিধাৰ বাবে | প্ৰতিযোগিতা মূলক পৰীক্ষাৰ বাবে | ভবিষ্যতে গৱেষণা কৰাৰ বাবে | বিষয়টো সহজ | বিষয়টোই নম্বৰ পোৱাত সহায় কৰে | বিষয়টো জ্ঞানবৰ্দ্ধক | বিষয়টো প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সহায়ক |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | ৩(২১.৪২) | | | | | ৫(৩৫.৭১) | ৫(৩৫.৭১) | ১(৭.১৪) |
| নগাওঁ মহাবিদ্যালয় | ৩(৫.০৮) | ৭ (১১.৮৬) | | ২(৩.৩৮) | ৫(৮.৪৭) | ১৩(২২.০৩) | ২২ (৩৭.২৮) | ৭(১১.৮৬) |
| নগাওঁ ছোৱালী কলেজ | ৩৭(৯২.৫) | ১২(৩০.০০) | | ২(৫.০০) | ৪ (১০.০০) | | ১৭(৪২.৫) | ২০(৫০.০০) |

বিশ্লেষণঃ প্ৰায় ভাগ ছাত্ৰীৰ টেবুল অনুসৰি দিয়া উত্তৰ এনে ধৰণৰ আছিল-স্নাতক যেতিয়া হলোই গতিকে জীৱনৰ শেষ শিক্ষা স্নাতকোত্তৰ ডিগ্ৰীটো একেবাৰে লৈ থওঁ। নগাওঁ কলেজৰ ৯২.৫% ছাত্ৰীয়ে এই কথাকেই আমাক অৱগত কৰিলে। ইয়াৰ ওপৰিও ৫০% নগাওঁ ছোৱালী কলেজৰ ছাত্ৰীয়ে জনাঁলে যে, বিষয়টো প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সহায়ক। আনন্দৰাম ঢেকিয়াল ফুকনৰ ৩৫.৭১% ছাত্ৰীয়ে জনাঁলে যে, বিষয়টোই ভাল নম্বৰ পোৱাত সহায় কৰে। ভৱিষ্যতে গৱেষণা কৰাৰ ইচ্ছা প্ৰকাশ মাত্ৰ ৩.৩৮% নগাওঁ মহাবিদ্যালয়ৰ ছাত্ৰী আৰু ৫.০০% নগাওঁ ছোৱালী কলেজৰ ছাত্ৰীয়ে কয়। দৰাচলতে এখন সুস্থ উচ্চ শিক্ষিত সমাজত গৱেষণাৰ গুৰুত্ব অত্যাধিক। গৱেষণাই শিক্ষাৰ নতুনত্ব আনে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ বৃদ্ধি কৰিবলৈ চৰকাৰেও সময়ে-সময়ে জলপানি আৰু শিক্ষামূলক ভ্ৰমণৰ সুবিধা আদি প্ৰদান কৰি আগ্ৰহ বৃদ্ধিৰ কৰিব চেষ্টা কৰিব লাগে। অতি সহজ আৰু স্পষ্ট ভাষাত কেৱল নিয়োগৰ সুবিধাৰ বাবেই স্নাতকোত্তৰ কৰি আছে বুলি বহু সংখ্যক ছাত্ৰীয়ে অৱগত কৰিলে। উদ্দেশ্য মুখী শিক্ষাই নিয়োগৰ বাট মুকলি কৰে। গতিকে ছাত্ৰী সকলে মুলতে নিয়োগৰ সুবিধা পাৱলৈয়ে উচ্চ শিক্ষা গ্ৰহণ কৰিব খোজে। নগাওঁ ছোৱালী কলেজৰ ৩০.০০% ছাত্ৰীয়ে এই কথাকেই জনাই দিলে। জ্ঞান অৰ্জনৰ উদ্দেশ্যে শিক্ষা গ্ৰহণ কৰা ছাত্ৰীৰ সংখ্যাও উল্লেখনীয়। জানি সুখী যে ৩৫.৭১% আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ, ৩৭.২৮% নগাওঁ মহাবিদ্যালয়ৰ, আৰু ৪২.৫% নগাওঁ ছোৱালী কলেজৰ ছাত্ৰীয়ে জ্ঞান অৰ্জনৰ বাবেই স্নাতকোত্তৰ ডিগ্ৰী কৰিব আগবাঢ়ি আহিছিল। জ্ঞান অৱিহনে জীৱন অসামৰ্থ। এই কাথাষাৰ কথা প্ৰসংগত ছাত্ৰী সকলে বুজাই দিলে। প্ৰশ্ন প্ৰসংগত আমি আৰু এটা কথা সুধিছিলো যে বৰ্তমান সময়ত তুমি পঢ়ি থকা বিষয়টোৰ গুৰুত্ব তোমাৰ ধাৰণাত কি? ৭.১৪% আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ,৫.০৮% নগাওঁ মহাবিদ্যালয় ছাত্ৰী আৰু ১৭.৫% নগাওঁ ছোৱালী কলেজৰ ছাত্ৰীয়ে কয় যে আমি পঢ়িব লাগে বাবেহে পঢ়ি আছো। উত্তৰ শুনি এনে লাগিল যেন এক উদ্দেশ্য বিহিন শিক্ষাহে তেওঁলোকে লৈ আছে। পুনৰ প্ৰশ্ন কৰিলো এনেই পঢ়ি আছা যে কিয়? প্ৰায় ভাগ ছাত্ৰীয়ে ক'লে ভাল দৰা পাবলৈ উচ্চ শিক্ষাৰ দৰকাৰ গতিকে পঢ়ি আছো। অসমত ইমানবোৰ উচ্চ শিক্ষাৰ অনুষ্ঠান থকাৰ পিছতো নগাওঁ জিলা বা এই তিনিখন মহাবিদ্যালয়তেই কিয় স্নাতকোত্তৰ কৰিবলৈ বাচি ললে বুলি প্ৰশ্ন কৰাত উত্তৰ তলৰ এই টেবুল খনৰ জৰিয়তে প্ৰদান কৰে।

**টেবুলঃ ১০ মহাবিদ্যালয়খন বাচনি কৰাৰ কাৰণ**

| মহাবিদ্যালয়ৰ নাম | মহাবিদ্যালয় খন বাচনি কৰাৰ কাৰণ (বহু বিকল্পী উত্তৰো সম্ভৱ) | | | | |
|---|---|---|---|---|---|
| | বাসগৃহৰ ওচৰত | মহাবিদ্যালয়খনতেই মই স্নাতক কৰিছিলো | শিক্ষকসকলৰ গুণগত মানদণ্ড | বিদ্যায়তনীক সকলো সুবিধা আছে | অন্যান্য |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | | | ৯(৬৪.২৮) | ৫(৩৫.৭১) | ৫(৮.৪৭) |
| নগাওঁ মহাবিদ্যালয় | ৫(৮.৪৭) | ৪(৬.৭৭) | ১৮(৩০.৫০) | ২৭(৪৫.৭৬) | |
| নগাওঁ ছোৱালী কলেজ | | | ৩৭(৯২.৫) | ৩৭(৯২.৫) | |

বিশ্লেষণঃ বিদ্যায়তনিক সকলো সুবিধা এই তিনিও খন মহাবিদ্যালয়তেই আছে আৰু ই অতি উন্নত মানদণ্ডৰ। শিক্ষক শিক্ষয়ত্ৰী সকলৰ গুণগত মানদণ্ড এই ক্ষেত্ৰত উল্লেখনীয়। ছাত্ৰ-ছাত্ৰীয়ে এটা বিষয় বাচনি কৰোতে সদায় মন কৰিব লাগে সেই বিষয়টোৰ সমাজত গুৰুত্ব কিমান? এই বিষয়লৈ যেতিয়া আমি প্ৰশ্ন কৰিছিলো প্ৰাপ্ত উত্তৰ সমূহ আছিল এনেধৰণৰঃ

**টেবুলঃ ১১ বিষয়টোৰ প্ৰতি গুৰুত্ব (বহু বিকল্পী উত্তৰো সম্ভৱ)**

| মহাবিদ্যালয়ৰ নাম | নিয়োগৰ বাবে সহায়কাৰী | বিষয়টোৰ গুৰুত্ব বাঢ়ি আহিছে | উত্তীৰ্ণ হ'ব সহজ | প্ৰতিযোগিতামূলক পৰীক্ষাৰত ভাল ফলাফল দেখুৱাব সহজ | এনেয়ে পঢ়িব লাগে পঢ়ি আছো |
|---|---|---|---|---|---|
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | ৫(৩৫.৭১) | ২ (১৪.২৮) | | ৬(৪২.৮৫) | ১(৭.১৪) |
| নগাওঁ মহাবিদ্যালয় | ১০(১৬.৯৪) | ২১(৩৫.৫৯) | ৩(৫.০৮) | ২২(৩৭.২৮) | ৩(৫.০৮) |
| নগাওঁ ছোৱালী কলেজ | ২৮(৭০.০০) | ৩০(৭৫.০০) | ১০(২৫.০০) | ১৭(৪২.৫) | ৭(১৭.৫) |

বিশ্লেষণঃ বহু ছাত্ৰীৰ ভিতৰত ২৫.০০% শতাংশ নগাওঁ ছোৱালী কলেজৰ ছাত্ৰীয়ে কৈছিল তেওঁলোকে নিৰ্বাচন কৰা বিষয়টো হেনো উত্তীৰ্ণ হ'ব সহজ। জানি ভাল লাগিল যে, নগাওঁ ছোৱালী কলেজৰ ৭০.০০% ছাত্ৰীয়ে তেওঁলোকে যিটো বিষয়ত পঢ়ি আছে সেই বিষয়টোৰ গুৰুত্ব সমাজত বাঢ়ি অহাৰ বাবে সেই বিষয়টো নিৰ্বাচন কৰা বুলি আমাক অৱগত কৰাই। শেষত ছাত্ৰীখিনিক আৰু দুটা প্ৰশ্ন কৰিছিলো। (১) তেওঁলোকৰ মহাবিদ্যালয় খনত পঢ়ি হোৱা অভিজ্ঞতা আৰু (২) ভৱিষ্যত পৰিকল্পনা। উত্তৰ এনেধৰণৰঃ

টেবুলঃ ১২ মহাবিদ্যালয়ত পঢ়াৰ অভিজ্ঞতা আৰু ভৱিষ্যত পৰিকল্পনা( বহু বিকল্পী উত্তৰো সম্ভৱ)

| মহাবিদ্যালয়ৰ নাম | সন্তোষজনক নে | | | ভৱিষ্যত পৰিকল্পনা | | | |
|---|---|---|---|---|---|---|---|
| | হয় | নহয় | কোনো মন্তব্য নাই | চাকৰিৰ বাবে | গৱেষণা | ব্যৱসায় | গৃহিণী |
| আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় | ১৪ (১০০%) | | | ১৪ (১০০%) | | | |
| নগাওঁ মহাবিদ্যালয় | ৫৯ (১০০%) | | | ৩৫ (৫৯.৩২%) | ৭ (১১.৮৬%) | ৫ (৮.৪৭%) | ১২ (২০.৩৩%) |
| নগাওঁ ছোৱালী কলেজ | ৩৭ (৯২.৫%) | | | ৩০ (৭৫.০০%) | ২ (৫.০০%) | | ৫ (১২.৫%) |

বি.দ্রঃ নগাওঁ ছোৱালী কলেজৰ তিনিগৰাকী ছাত্ৰীয়ে কিছু প্ৰশ্নৰ উত্তৰ আমাক লিখিত ৰূপত প্ৰকাশ কৰা নাছিল।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আৰু নগাওঁ মহাবিদ্যালয়ৰ ছাত্ৰী সকল নিজৰ নিজৰ মহাবিদ্যালয় কেইখনত পঢ়ি অত্যন্ত সুখী। কাৰণ বিদ্যায়তনিক সকলো সুবিধা তাত উপলব্ধ। ৯২.৫% নগাওঁ ছোৱালী কলেজৰ ছাত্ৰী মহাবিদ্যালয় খনত পঢ়ি সুখী। ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে ছাত্ৰী সকলে দিয়া মন্তব্য মন কৰিবলগীয়া। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ১০০% ছাত্ৰীয়েই এটা ভাল চাকৰি পাৰলৈ স্নাতকোত্তৰ শিক্ষা গ্ৰহণ কৰি আছে। সু গৃহিণী হ'বলৈও সু শিক্ষাৰ প্ৰয়োজন। এই কথাকেই বুজালে নগাওঁ মহাবিদ্যালয়ৰ ২০.৩৩% ছাত্ৰীয়ে ব্যৱসায়ত লক্ষীৰ বসতি হয়। এই কথাৰে যুক্তি আগবঢ়াই নগাওঁ মহাবিদ্যালয়ৰ ৮.৪৭% ছাত্ৰীয়ে ভৱিষ্যতে স্নাতকোত্তৰ ডিগ্ৰী লৈ ব্যৱসায় আৰম্ভ কৰিম বুলি মন্তব্য আগবঢ়াই।

যোৱা ১৫-০২-২০২১ তাৰিখে উক্ত আলোচ্য সকলো তথ্য সংগ্ৰহৰ বাবে মই নগাওঁৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাওঁ মহাবিদ্যালয় আৰু নগাওঁ ছোৱালী কলেজত উপস্থিত হওঁ। ছাত্ৰী সকলৰ বাস্তৱ মুখী কথা আৰু শিক্ষক শিক্ষয়ত্ৰী তথা অধ্যক্ষ সকলৰ বিপুল সহযোগ আছিল মোৰ বাবে চিৰস্মৰণীয়।

## সামৰণি

উক্ত অধ্যয়ণৰ উদ্দেশ্যই আছিল অসমত সমাজ বিজ্ঞানৰ বিভিন্ন বিষয় সমূহৰ প্ৰসাৰ আৰু প্ৰচাৰ কৰা। প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে দৰকাৰ ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ আৰু সহযোগৰ। ছাত্ৰী সকলকেই অধ্যয়ণৰ আওঁতাত আনাৰ উদ্দেশ্যই আছিল যাতে নাৰী শিক্ষাৰ ব্যাপক প্ৰচাৰ হয়। এই উদ্দেশ্যে অধ্যয়ন আৰম্ভ কৰি পোৱা ফলাফল সমূহ এনে ধৰণৰঃ

(১) সমাজ বিজ্ঞান বুলিলে বিভিন্ন বিষয় বুজাই কিন্তু আমি প্ৰাৰম্ভীক পৰ্য্যায়ত আধুনিক ভাৰতীয় ভাষা সমূহক বাদ দি নগাওঁ জিলাৰ তিনিওখন মহাবিদ্যালয়ত প্ৰচলিত সমাজ বিজ্ঞানৰ বিষয় সমূহহে অধ্যয়ন কৰিছিলো। তথ্যই প্ৰমাণ কৰিলে ছাত্ৰীৰ নামভৰ্ত্তিকৰণ ছাত্ৰৰ তুলনাত আশানুৰূপ আছিল। টেবুল ১ ত এই কথা প্ৰমাণ হৈছে।

(২) প্ৰাপ্ত তথ্যৰ ভিত্তিত জিলাখনৰ সামাজিক প্ৰতিচ্ছবিয়ে তথ্য সহকাৰে প্ৰমাণ কৰিলে উচ্চ শিক্ষাৰ ক্ষেত্ৰত লিংগ ভিত্তিক কোনো বৈষম্য নাই। পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালী দুয়োটাকেই সমানে শিক্ষিত কৰিব বিচাৰে যদিহে অন্য কোনো প্ৰাসংগিক কাৰক যেনে দাৰিদ্ৰতা, অন্ধ বিশ্বাস আদিয়ে প্ৰভাৱ বিস্তাৰ নকৰে।

(২) প্ৰাপ্ত তথ্যৰ ভিত্তিত জিলাখনৰ সামাজিক প্ৰতিচ্ছবিয়ে তথ্য সহকাৰে প্ৰমাণ কৰিলে উচ্চ শিক্ষাৰ ক্ষেত্ৰত লিংগ ভিত্তিক কোনো বৈষম্য নাই। পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালী দুয়োটাকেই সমানে শিক্ষিত কৰিব বিচাৰে যদিহে অন্য কোনো প্ৰাসংগিক কাৰক যেনে দাৰিদ্ৰতা, অন্ধ বিশ্বাস আদিয়ে প্ৰভাৱ বিস্তাৰ নকৰে।

(৩) অধ্যয়ণে স্পষ্ট কৰিলে তিনিওখন মহাবিদ্যালয়েই ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি দায়বদ্ধ, বিভিন্ন জীৱন জিৱীকাৰ শিক্ষা মহাবিদ্যালয় প্ৰশাসনে ছাত্ৰ-ছাত্ৰীৰ বাবে সময়ে সময়ে আয়োজন কৰে তাৰ প্ৰমাণ আমাক টেবুল ৩ য়ে দেখুৱাই দিছে।

(৪) বিগত পাঁচ বছৰত এই তিনিখন মহাবিদ্যালয়লৈ স্নাতকোত্তৰ বাবে অহা ছাত্ৰীৰ সংখ্যা উল্লেখনীয়। উচ্চ শিক্ষাত এই তিনিওখন মহাবিদ্যালয়ে জিলা খনক এক সুন্দৰ দিশত প্ৰতিনিধিত্ব কৰিছে।

(৫) বিগত পাঁচ বছৰত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰো আশানুৰূপ।

(৬) জীৱনৰ প্ৰত্যাহ্বানক মূৰ দুৱাই কিছু ছাত্ৰীয়ে আধাতেই শিক্ষা সমাপ্ত কৰিব লগা হৈছে। তাৰে বেছি ভাগ কাৰণেই আছিল অৰ্থনৈতিক। কিন্তু আমি আশাবাদী বৰ্তমান চৰকাৰে কৰা মুক্ত শিক্ষা ব্যৱস্থাই এই প্ৰত্যাহ্বানো দূৰ কৰি পেলাব পাৰিব।

(৭) ধণাত্মক দিশটোই হ'ল বৰ্তমান ছাত্ৰী সকল স্নাতকোত্তৰ শিক্ষাৰ বাবে আগ্ৰহী কাৰণ তেওঁলোকে বুজি পায় শিক্ষাৰ গুৰুত্ব কিমান? এটা ভাল চাকৰি পোৱাৰ লগতেই তেওঁলোকে ভৱিষ্যতে এখন সমাজকো প্ৰতিনিধিত্ব কৰিব। তেওঁলোকে বুজি পায় এগৰাকী নাৰী কেৱল সন্তান জন্ম দিয়া এটা মেচিনেই নহয় তেওঁলোক ভৱিষ্যতৰ ধৰোহৰ। এগৰাকী নাৰী যদি শিক্ষিত হয় গোটেই ঘৰখন শিক্ষিত হোৱাৰ লগতেই সমাজ খনো শিক্ষিত হ'ব।

(৮) অধ্যয়নে প্ৰতিফলন কৰিলে যে, উক্ত নগাওঁ জিলাৰ তিনিওখন মহাবিদ্যালয়েই আন্তঃগাঠনিৰ ফালৰ পৰা উন্নত মানদণ্ডৰ। অধ্যক্ষ তিনিওগৰাকীৰ লগতেই শিক্ষক-শিক্ষয়ত্ৰী সকলৰ শিক্ষা দানৰ মানদণ্ডও উল্লেখনীয়।

(৯) ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে ছাত্ৰী সকলৰ পৰা জানিব বিছাৰোতে কয় কৰ্মমুখী জীৱন তেওঁলোকে বিছাৰে। যদি চৰকাৰী চাকৰি নাপায়ো তেন্তে যাতে নিজৰ শিক্ষাৰ দ্বাৰা আন কিবা কাম কৰি হ'লেও জীৱন প্ৰৱৰ্তন কৰিব পাৰে তাৰ বাবে তেওঁলোক প্ৰস্তুত হ'ব বিচাৰে। সকলোতকৈ দৃষ্টি আকৰ্ষণ কাৰী এষাৰ কথাই খুউব অনুপ্ৰানিত কৰিছিল যেতিয়া কিছু সংখ্যক ছাত্ৰীয়ে কৈছিল যে তেওঁলোক ভৱিষ্যতে গৃহিণী হ'ব। তাৰ আঁৰৰ কাহিনী মন কৰিবলগীয়া। তেওঁলোকৰ মতে গৃহিণী কেৱল ঘৰৰ কাম বন কৰা নাৰীয়েই নহয়, এখন ঘৰ সচাঁ অৰ্থত ঘৰ কেৱল গৃহিণীয়েহে বনাব পাৰে (Home Maker)।

ছাত্ৰী সকলৰ এনেধৰণৰ বাস্তৱ মুখী চিন্তা ধাৰণাই আপ্লোত কৰিলে। শিক্ষক সমাজৰ সহযোগিতা অবিহনে ছাত্ৰ-ছাত্ৰী সফল হ'ব নোৱাৰে। অধ্যয়ণৰত তিনিওখন মহাবিদ্যালয়ৰ গুৰু শিষ্যৰ সহযোগ মন কৰিবলগীয়া। প্ৰতিখন মহাবিদ্যালয়ৰ গৌৰৱ উজ্বল ভৱিষ্যত কামনা কৰিলো লগতে অধ্যয়ণৰ আৰম্ভানিতেই লোৱা পূৰ্ব পৰিকল্পনাই সঠিক দিশত গতি কৰাৰ বাবে লিখনিটোই সমাজত এক ধণাত্মক প্ৰভাৱ পেলাৱ বুলি আমি আশাবাদী।

## কৃতজ্ঞতা স্বীকাৰ

পোন প্ৰথমেই এনে এটি তত্ত্বগধূৰ বিষয় বস্তুৰ ওপৰত অধ্যয়ণ কৰিবলৈ অনুমতি দিয়াৰ বাবে মিছন সঞ্চালক ড°দীপক মজুমদাৰ ছাৰক ধন্যবাদ জনালো। ছাৰৰ সম্পূৰ্ণ তত্ত্বৱধানত বিষয় বস্তুটোই অগ্ৰগতি লাভ কৰিছিল। দ্বিতীয়তে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাওঁ মহাবিদ্যালয় আৰু নগাওঁ ছোৱালী কলেজৰ অধ্যক্ষ তিনিগৰাকীৰ লগতেই সমূহ শিক্ষক শিক্ষয়ত্ৰী বৃন্দক তেওঁলোকৰ অপৰিসীম সহযোগিতাৰ বাবে ধন্যবাদ জনালো। ছাত্ৰী সকলে সময়মতে দিয়া তথ্য

আৰু সহায়ৰ বাবে অশেষ ধন্যবাদ। তেওঁলোকৰ গৌৰৱ উজ্বল ভৱিষ্যত কামনা কৰিলো। যাত্ৰাপথত সহযোগ কৰা ৰুচা, অসমৰ শ্ৰী অংকিতা কৌশিক আৰু টাইপ মাৰি লিখনি টোৰ পূনাংগ ৰূপ দিয়া শ্ৰী ধনজিত গগৈ লৈও অশেষ ধন্যবাদ। শেষত, অনিচ্ছাকৃত ভূল ত্ৰুটিৰ বাবে আগতিয়াকৈ ক্ষমা খুজি লিখনিটোৰ এক সাৰ্থক সমাপ্তিৰ আশা প্ৰকাশ কৰিলো।

আলোক চিত্ৰঃ



আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়


নগাওঁ মহাবিদ্যালয়

(প্ৰজ্ঞাৰ এপ্ৰিল-জুন, ২০২১ সংখ্যাত প্ৰকাশিত)

# <u>অধ্যায়ঃ ৪</u>

# উচ্চ শিক্ষাত জনগোষ্ঠীগত অংশীদাৰিত্বঃ গুৱাহাটী মহানগৰ এলেকাৰ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন

## <u>প্ৰস্তাৱনা</u>

লিখনিটো গুৱাহাটী মহানগৰ এলেকাৰ তিনিখন প্ৰতিষ্ঠিত মহাবিদ্যালয়ৰ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী সকলৰ তথ্য ভিত্তিক মতামতৰ ওপৰত নিৰ্ভৰ কৰি প্ৰস্তুত কৰা হৈছে। স্নাতক পৰ্য্যায়ৰ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিকেই মুলতঃ অধ্যয়নৰ বিষয় বস্তু বুলি গণ্য কৰি অধ্যয়নটো আগবঢ়াই নিয়া হৈছিল। গুৱাহাটীৰ নিচেই কাষতে থকা ২ খন জনগোষ্ঠীয় অঞ্চলৰ মহাবিদ্যালয়ক আৰু এখন জনগোষ্ঠীয় বসতিৰে পৰিপূৰ্ণ অঞ্চলৰ মহাবিদ্যালয়ক নিৰ্বাচন কৰি তাত অধ্যয়নৰত জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিৰ উচ্চ শিক্ষাৰ প্ৰতি মনোভাৱ কি জানিবলৈ এক প্ৰয়াস কৰা  হৈছিল। সমাজত জনজাতি সকলৰ স্থিতি, উচ্চ শিক্ষাত তেওঁলোকৰ ভূমিকা ইত্যাদি কথাবোৰ বিশ্লেষণ কৰিবৰ বাবেই ৰুচা অসমৰ মিছন সঞ্চালকৰ নিৰ্দেশত এটা ক্ষেত্ৰভিত্তিক অধ্যয়ন চলোৱা হ'ল। অধ্যক্ষ সমন্বিতে সকলো শিক্ষক শিক্ষয়ত্ৰী আৰু জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিৰ সহযোগত প্ৰস্তুত কৰা উক্ত লিখনিটো যদি পৰৱৰ্তী সময়ত ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰূপায়ণত ইতিবাচক প্ৰভাৱ পেলাই, তেন্তে ৰুচা অসমৰ এই প্ৰচেষ্টাই এক পূৰ্ণাংগ ৰূপলোৱা বুলি নিশ্চিত হ'ম।

## <u>পাতনি</u>

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ য়ে জনজাতীয় শিক্ষা আৰু তেওঁলোকৰ জীৱন শৈলীৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি শিক্ষা নীতি প্ৰস্তুতৰ যি ব্যৱস্থা গ্ৰহণ কৰিব খুজিছে তাক সন্মান জনাই উক্ত লিখনিটো এক ক্ষেত্ৰ ভিত্তিক তথ্যৰ আলমত কিছু সমাধান সুচক ইতিবাচক চিন্তাধাৰাৰে উচ্চ শিক্ষাত জনগোষ্ঠীগত অংশীদাৰিত্ব ওপৰত লিখিবলৈ প্ৰয়াস কৰা হৈছিল।

ভাৰত বিভিন্ন সাংস্কৃতিক বৈচিত্ৰৰে ভৰপূৰ এখন দেশ। এনে বিবিধ বৈচিত্ৰতা থকাৰ পিছতো ভাৰতত একতা বিৰাজ কৰে। জনজাতীয় গোট বোৰৰ মাজত দেখা দিয়া শাৰীৰিক,সাংস্কৃতিক আৰু চৰিত্ৰগত বিবিধতা আৰু তাৰ লগত দেখা পোৱা অনৈক্য মাজত ঐক্যই ভাৰতীয় সাংস্কৃতিৰ চহকী ৰূপ নিৰ্দ্ধাৰণ কৰে।

জনগোষ্ঠী সমূহৰ সমাজ ব্যৱস্থাৰ বিষয়ে নজনাকৈ শৈক্ষিক দিশটো পৰ্য্যবেক্ষণ কৰিব নোৱাৰি। সহজ অৰ্থত ক'বলৈ হ'লে সমাজ হ'ল সামাজিক আন্তঃসম্বন্ধ থকা ব্যক্তিৰ বৃহত্তম গোট। বিশিষ্ট সমাজতত্ববিদ মেকাইৱাৰ আৰু পেজৰ "মতে সমাজ হ'ল এটা সামূহিক ব্যৱস্থা, যত নিহিত হৈ আছে প্ৰচলিত আচাৰ ব্যৱহাৰ কাৰ্য্য পদ্ধতি, কৰ্তৃত্ব আৰু পাৰস্পৰিক সাহায্য, বিভিন্ন গোট আৰু বিভাজন, ব্যক্তিৰ আচৰণ আৰু স্বতন্ত্ৰতাৰ নিয়ন্ত্ৰণ"।

সহজ অৰ্থত সমাজ মানে ব্যক্তিৰ সমষ্টি। তেওঁলোকে এটা নিৰ্দিষ্ট ভৌগলিক এলেকা বা অঞ্চল দখল কৰি থকে। প্ৰত্যেক সমাজৰেই এক নিজস্ব সুকিয়া সংস্কৃতি থাকে। সমাজ মানেই সাৰ্বজনীন। সমাজৰ সত্বা পৃথিৱীৰ সকলো জনগোষ্ঠীৰ মাজতেই বিৰাজ মান। সমাজ মানে আচলতে এখন মকৰাৰ জালৰ দৰে। জনজাতি সম্পৰ্কে এক সম্যক ধাৰণা দিয়াৰ উদ্দেশ্যে মুল বিষয় বস্তুৰ পাতনি মেলাৰ আগতে কিছু কথা কৈ ল'ব বিচাৰিছো। সমাজত জাতি প্ৰথাৰ বাহিৰেও বহু গোট আছে যি বোৰ পাহাৰ পৰ্বত,হাবি বননি ইত্যাদিত বাস কৰে। তেওঁলোকে বৈদিক যুগৰ পৰাই নানা নাম লৈ যেনেঃ অসুৰ, নিচাদ, বন্য-জাতি ইত্যাদি নাম লৈ সমাজত বাস কৰিছিল। বৰ্তমান এই সকলকেই জনজাতি বা আদিম জাতি বুলি নৃতাত্বিক সকলে আঙুলিয়াইছে। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় ৮.৬% ই জনগোষ্ঠীয় লোক। ইয়াৰ বিপৰীতে ২০০1 চনৰ লোকপিয়লৰ তথ্য অনুযায়ী অসমৰ মুঠ জনসংখ্যাৰ ১২.৫% জনগোষ্ঠীয় লোক।

অঞ্চল অনুযায়ী অনুসুচীত জাতি-জনজাতিৰ ধাৰণাটো বেলেগ বেলেগ হয়। ২০০১ চনৰ লোকপিয়লৰ তথ্য অনুযায়ী উত্তৰ পূৰ্ব ভাৰতত ১৬০ টা অনুসুচীত জনজাতি আছে। বৰ্তমান ১৪ টা জনজাতিয়ে অসমৰ 'সমভূমি অঞ্চলৰ' অনুসুচিত জনজাতিৰ মৰ্য্যদা লাভ কৰি আছে। সেই সমূহ হ'ল- কাছৰৰ বৰ্মন সকল, বড়ো, দেউৰী, হোজাই, কছাৰী, সোণোৱাল, লালুং, মেচ, মিচিং, ৰাভা ইত্যাদি। ইয়াৰ বিপৰীতে এটা চৰকাৰী প্ৰতিবেদনত অসমত ১৫ টা পাহাৰীয়া জনজাতিয় সম্প্ৰদায় আছে বুলি মত পোষন কৰে তাৰে ভিতৰত খাছী, গাৰো, কাৰ্বী, ডিমাচা আদিয়েই প্ৰধান।

ভাৰতীয় সংবিধানক সন্মান জনাই ষষ্ঠ অনুসুচিত উল্লেখ থকা কথাখিনি থুলমুলকৈ এনেধৰণৰ "ই জনজাতীয় লোক সকলক সুৰক্ষা দিয়াৰ বাবদ স্বায়ত্বশাসিত উন্নয়ণ পৰিষদ গঠন কৰিব যাৰ জৰিয়তে জনজাতীয় সম্প্ৰদায় বোৰক ভূমি, শিক্ষা, জনস্বাস্থ্য, কৃষি আৰু অন্যান্য সকলোৰে ওপৰত বিশেষ আইন প্ৰস্তুত কৰি তেওঁলোকৰ বিকাশৰ বাবে কাম কৰিব পৰা যাব। অনুচ্ছেদ ২৪৪(২) ত উল্লেখ আছে-ষষ্ঠ অনুসুচীৰ ব্যৱস্থা সমূহ অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যৰ জনজাতীয় অঞ্চলসমূহৰ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। অসমৰ উত্তৰ কাছাৰ পাহাৰীয়া অঞ্চল, কাৰ্বি আংলং আৰু বড়োভূমি ষষ্ঠ অনুসুচিৰ অন্তৰ্গত। অসমত ৬ টা বিধিযুক্ত স্বায়ত্বশাসিত পৰিষদ আছে। সেই কেইটা ক্ৰমেঃ

(১) ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ

(২) মিচিং স্বায়ত্ব শাসিত পৰিষদ

(৩) তিৱা স্বায়ত্ব শাসিত পৰিষদ

(৪) দেওৰী স্বায়ত্ব শাসিত পৰিষদ

(৫) ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ আৰু

(৬) সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ

অসমৰ মুঠ জনসংখ্যাৰ ১২.৪% জনগোষ্ঠীয় লোক। অঞ্চল অনুযায়ী অনুসুচীত জাতি/জনজাতিৰ ধাৰণাটো বেলেগ বেলেগ হয়। এনে স্বায়ত্ব শাসিত জিলা পৰিষদৰ হাতত জিলা উন্নয়ণ সম্পৰ্কীয় সকলো বিশেষ সুবিধাই উপলব্ধ যাৰ ফলত জনগোষ্ঠী খিনিয়ে বিশেষ সামাজিক চৰকাৰী মৰ্য্যদা লাভ কৰে। বিভিন্ন সময়ত গৱেষণাৰ কামত জনগোষ্ঠীয় সম্প্ৰদায়বোৰ অধ্যয়ন কৰোতে অনুভৱ কৰিছিলো উত্তৰ পূৰ্ব ভাৰতৰ অনুসুচিত জনজাতি খিনি আন আন জাতি সমূহতকৈ অলপ পিছ পৰা। কিন্তু কিহৰ ওপৰত ভিত্তি কৰি কম আগবঢ়া বুলি ভাৱিছো তাৰ সঠিক বিশ্লেষণ আজিও উল্লেখ কৰিব পৰা নাই। আজি কালি উত্তৰপূৰ্ব ভাৰতত দেখা যায় যে, কোনো জনগোষ্ঠীয়েই অকলসৰে বাস নকৰে। তেওঁলোকে আন আনজনগোষ্ঠী বোৰৰ লগত একেলগেই সহবাস কৰে। অৰ্থনৈতিক ভাৱেও তেওঁলোক এতিয়া ইমানপিছপৰা নহয়। শিক্ষা, যাতায়ত সকলোতে তেওঁলোক আগবঢ়া। মিজোৰাম তাৰেই এক সুন্দৰ উদাহৰণ। উত্তৰ পূৰৰ জনজাতি খিনিক দৰিদ্ৰ বা সংখ্যালঘু বুলিও আঙুলিয়াব নোৱাৰি। বৰ্তমান অসমকে ধৰি উত্তৰ পূৰৰ জনজাতি বোৰৰ অৱস্থাঃ

(১) সৰহ সংখ্যকেই খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰিছে।

(২) তেওঁলোকৰ প্ৰায় সৰহ সংখ্যকৰেই কঠিত ভাষা সমূহৰ কোনো লিখিত তথ্য নাই। সেয়েহে তেওঁলোক অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাৰ কাষ চাপিছে।

(৩) যদিও স্থানান্তৰিত বা ঝুম খেতি তেওঁলোকে অতীতৰ পৰা কৰি আহিছে কিন্তু যুগৰ লগত মিলাই বৰ্তমান তেওঁলোকে নাঙল খেতিতো হাত ধৰিছে।

(৪) যৌতুক প্ৰথা, মহিলাক কৰা শোষণ, অন্ধ বিশ্বাস, ডাইনী হত্যা এইবোৰ নতুনকৈ জনগোষ্ঠীয় সমাজ সমূহত দেখা দিয়া এক সামাজিক ব্যাধি। অতীতত কিন্তু এনেধৰণৰ ঘটনাৰ কথা তথ্যই প্ৰমান নকৰে। মোৰ দৃষ্টিত বহিঃৰাজ্যৰ প্ৰভাৱৰ বাবেহে দুই এক বিক্ষিপ্ত ঘটনা বৰ্তমান পৰিলক্ষিত হৈছে।

নিজস্ব সংস্কৃতিৰে চিনাকী দিয়া প্ৰতিটো জনগোষ্ঠীয় সম্প্ৰদায় সমগোত্ৰীয় গোট আৰু তেওঁলোকৰ নিজস্ব উপভাষা আছে। 'Tribua' শব্দৰ পৰা ইংৰাজী শব্দ Tribal ৰ উৎপত্তি হৈছে। যাৰ অৰ্থ 'Political Unit'। বৰ্তমান সময়ত দেখা গৈছে আমাৰ অসমত এটা জনগোষ্ঠীয় সমস্যা শেষ হ'লেই আন এটা সমস্যাই মূৰ দাঙি উঠিছে। অসমতা আৰু ভৌগোলিক বিচ্ছিন্নতা ইয়াৰ মূল কাৰণ। মূলতে অসমৰ জনগোষ্ঠী খিনি কৃষিজীৱি। কিন্তু বানপানীয়ে প্ৰতি বছৰেই তেওঁলোকৰ সপোনৰ খেতি ডৰা নষ্ট কৰে। দেখা গৈছে ঝুম খেতিত ভূমি স্ফলনৰ সম্ভৱনা যথেষ্ট বেছি। এতিয়াও তেওঁলোক বাস কৰা অঞ্চলৰ যাতায়ত আন অঞ্চলৰ তুলনাত সুগম নহয়। সন্ত্ৰাসবাদীৰ সমস্যা তেওঁলোকৰ আন এক জলন্ত সমস্যা। নিৰক্ষৰতা, অন্ধবিশ্বাস, ডাইনীহত্যা দূৰ কৰি তেওঁলোকৰ সৰ্বাংগীণ বিকাশ কৰিবলৈ শিক্ষাৰ অতি প্ৰয়োজন। চৰকাৰে বিভিন্ন আঁচনি জনগোষ্ঠীয় বিকাশৰ বাবে সময়ে সময়ে হাতত লৈছে। তাৰ ভিতৰতঃ

(১) অনুসুচিত জনজাতিৰ বাবে প্ৰাক্ মেট্ৰিক আৰু মেট্ৰিকৰ পিছৰ বৃত্তি।

(২) অসম বিকাশ যোজনাৰ অধীনত মুখ্যমন্ত্ৰীৰ বিশেষ নিযুক্তি সৃষ্টি কাৰ্য্যসুচী।

(৩) যক্ষ্মা/ কৰ্কট ৰোগ আৰু অন্যান্য মাৰাত্মক ৰোগত আক্ৰান্ত ৰোগীসকলক অনুদান।

(৪) অনুসুচিত জনজাতিৰ মেধাৱী শিক্ষাৰ্থী সকলক অনুদান।

(৫) উন্নত চিকিৎসা, অভিযান্ত্ৰিক আৰু কৃষি শিক্ষা ল'বলৈ বুক বেংক নিৰ্মান।

(৬) ছাত্ৰ আৰু ছাত্ৰীৰ বাবে পঢ়িবলৈ আৰু থাকিবলৈ উন্নত মানদণ্ডৰ ছাত্ৰ নিবাস আৰু ছাত্ৰী নিবাস নিৰ্মান।

(৭) কেন্দ্ৰীয় আৰু ৰাজ্যিক অসামৰিক সেৱা পৰীক্ষা আৰু অন্যান্য সহযোগী সেৱাৰ বাবে জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিক চৰকাৰী ভাৱে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰে।

উক্ত অধ্যয়ণে বৰ্তমানৰ পৰিস্থিতি বিশ্লেষণ কৰিব যাওঁতে দেখা পালে যে, ইমান বোৰ সুবিধা থকা স্বত্বেও জনজাতীয় শিক্ষাৰ হাৰ আনুপাতিক দৃষ্টিত অজনগোষ্ঠীয় লোকতকৈ কম। কাৰণ হিচাপে অন্যতম এক কাৰণ হ'ল - সময়ে সময়ে ঘটি যোৱা জনজাতীয় আন্দোলন বোৰ। স্বাধীনতাৰ পিছত প্ৰায় সকলোবোৰ জনজাতীয় আন্দোলনৰ আঁৰৰ মৌলিক কাৰণটোই আছিল- বাহিৰাগতৰ প্ৰৱেশ, সাংস্কৃতিক একতাত বাধা, বন বিচ্ছিন্নতা আৰু ধ্বংসৰ প্ৰয়াস আৰু চাকৰি প্ৰাপ্তিত কৰিব খোজা প্ৰৱঞ্চনা। এনেবোৰ কাৰণতেই অসমত এটা সময়ত বড়ো আন্দোলনে দেশ কপাই গৈছিল। ১৯৮৭ চনৰ ২ মাৰ্চ তাৰিখে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নেতৃত্বত পৃথক বড়োলেণ্ডৰ দাবীৰে অসম চুক্তিক প্ৰতিহত কৰি এক বৃহৎ গণ জাগৰণৰ সৃষ্টি হৈছিল। পৰিণতি, ফলাফল আৰু সমাধান সময়ত অসম আৰু প্ৰতিজন অসমীয়াই অনুধাৱণ কৰিছে বা কৰিব। সাংস্কৃতিক/সামাজিক বিভিন্নতা থকা অসম বা উত্তৰ পূৰ্বৰ প্ৰতিটো জনগোষ্ঠীৰ উৎপত্তি আৰু বিকাশৰ বাবে চৰ্চা কৰিবলৈ দৰাচলতেই ৰাষ্ট্ৰীয় শিক্ষা নিতী ২০২০ য়ে এটা বিশেষ ব্যৱস্থা হাতত ল'ব লাগে। এনে কৰিলে জনজাতীয় বিকাশ হোৱাৰ লগতেই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক কৌতুহলতা, জ্ঞান আদি বৃদ্ধি পাব। মই ভাবোঁ গতানুগতিক শিক্ষাতকৈ নিদিষ্ট অৰ্থপূৰ্ণ এনেধৰণৰ পেছাদাৰী শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উন্নতিৰ লগতেই যুৱ প্ৰজন্মক শিক্ষাৰ এক নতুন আকৰ্ষণীয় দিশলৈ লৈ যাব য'ত অফুৰন্ত গৱেষণাৰ থল থাকিব। এনে গৱেষণাই উত্তৰ পূৰ্ব ভাৰতৰ লগতেই অসমক জাতি-

জনজাতিৰ ভাৰতৰ লগতেই অসমক এক সুকিয়া স্থান দখলত সহায় কৰিব পাৰে। এতিয়াও অসমত বহু জনগোষ্ঠীৰ জীৱনশৈলীৰ বিস্তৃত অধ্যয়ন সম্ভৱ হোৱা নাই। নৱ প্ৰজন্ম জনগোষ্ঠীয় শিক্ষাৰ প্ৰতি আগ্ৰহী হ'লে গৱেষণাৰ দিশত অসমৰ উন্নতি অনিবাৰ্য্য।

## অধ্যয়নৰ উদ্দেশ্য

(ক) উচ্চ শিক্ষাত জনজাতীয় লোকৰ ভূমিকা।

(খ) জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিৰ শিক্ষাৰ প্ৰতি ধাৰণা।

(গ) তেওঁলোকৰ ভৱিষ্যত পৰিকল্পনা।

(ঘ) পৰিকল্পনা সমূহ বাস্তৱায়িত কৰিবলৈ তেওঁলোকে কৰা প্ৰয়াস।

## অধ্যয়নৰ পূৰ্বাণুমান

(ক) শিক্ষাৰত ছাত্ৰ-ছাত্ৰী খিনিয়ে শিক্ষাৰ মাধ্যমেদি জনগোষ্ঠীয় বিকাশত এক যুগান্তকাৰী ভূমিকা গ্ৰহণ কৰিব। এনে ধৰণৰ পূৰ্বাণুমান অহাৰ মুলতেই আছিল উচ্চ শিক্ষাত নতুনত্বৰ সোৱাদ আনিবলৈ প্ৰয়াস কৰা এসময়ৰ অসম চৰকাৰৰ, উচ্চ শিক্ষা বিভাগৰ সঞ্চালক স্বৰ্গীয় টাবু টাইডৰ উল্লেখনীয় অৱদান বা অন্য হাতে ডাইনী হত্যাৰ দৰে কু-প্ৰথা নাশ কৰিবলৈ সক্ষম হোৱা ড° বিৰুবলা ৰাভাৰ নাৰী শিক্ষা বিকাশৰ বাবে লোৱা অৱদান। পদ্মশ্ৰী ৰংবং টেৰাংৰ সাহিত্য, শিক্ষা সংস্কৃতিক লৈ আগবঢ়োৱা অৱদানো উল্লেখনীয়। দুবাৰকৈ অসম সাহিত্য সভাৰ সভাপতিৰ আসন শুৱনি কৰা তেখেতৰ 'ৰংমিলিৰ হাঁহি' এক যুগজয়ী সৃষ্টি।

## অধ্যয়নৰ পদ্ধতি

মুলতে অধ্যয়নৰ বাবে গুৱাহাটী মহানগৰ এলেকাৰ অন্তৰ্গত তিনিখন মহাবিদ্যালয় ক্ৰমে (১) সোণাপুৰ মহাবিদ্যালয় (২) ডিমৰীয়া মহাবিদ্যালয় আৰু (৩) উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ জনগোষ্ঠীয় স্নাতক বা স্নাতকোত্তৰ পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰী খিনিক বিষয়বস্তু হিচাপে গণ্য কৰি অধ্যয়ণটো চলাই নিবলৈ প্ৰয়াস কৰা হৈছিল। পৰৱৰ্তী পৰ্য্যায়ত প্ৰাপ্ত তথ্যৰ ওপৰত ভিত্তি কৰি স্নাতক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীকেই অগ্ৰাধিকাৰ দি অধ্যয়নৰ ফলাফল নিৰূপণৰ ব্যৱস্থা লোৱা হৈছিল। উক্ত তিনিখন মহাবিদ্যালয়কেই নিৰ্বাচন কৰাৰ কাৰণ হিচাপে ক'ব পাৰি যে-সোণাপুৰ মহাবিদ্যালয় আৰু ডিমৰীয়া মহাবিদ্যালয় জনজাতীয় এলেকাৰ অন্তৰ্গত। আনহাতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়খনো এখন জনজাতীয় গাওঁতেই অৱস্থিত। উচ্চ শিক্ষাত জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ দখল বা অংশীদাৰিত্ব নিৰূপণ কৰিবলৈ যাওঁতে ঠায়ে ঠায়ে গৱেষকে জনগোষ্ঠীয় ইতিহাস, পৰিৱৰ্তন আৰু ক্ৰম বিকাশৰ আদিৰ বিষয়ে আভাষ দিবলৈ কিছু প্ৰচেষ্টা কৰিছে। স্নাতক পৰ্য্যায়ৰ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিৰ তথ্য সংগ্ৰহ কৰিবলৈ যাওঁতে দুটা পৰ্য্যায়ত প্ৰশ্নাৱলী প্ৰস্তুত কৰা হৈছিল। তাৰে এখন অধ্যক্ষ সকলৰ বাবে আৰু আনখন ছাত্ৰ-ছাত্ৰীৰ বাবে। ক'ভিড-১৯ অতিমাৰীৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিখন মহাবিদ্যালয়ৰ মুঠ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ পৰা মাত্ৰ ৫ জনকৈ ছাত্ৰ-ছাত্ৰীৰ মনোভাব প্ৰশ্নাৱলীৰ যোগেদি আহৰণ কৰি বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হৈছে কিয়নো তথ্য সংগ্ৰহৰ সময়ত অসমত ক'ৰনা অতিমাৰীৰ বাবে আন্তঃজিলা যাতায়ত বন্ধ আছিল। তথাপিও অধ্যক্ষ সকলৰ পূৰ্ণ সহযোগ আৰু ছাত্ৰ-ছাত্ৰীৰ অকৃত্ৰিম তথ্য দানে উক্ত অধ্যয়নটো চলাই নিয়াত যথেষ্ট সহায় কৰিলে। মুলতে প্ৰশ্নাৱলী পদ্ধতি প্ৰয়োগৰ বাদেও সাক্ষাতকাৰ আৰু নিৰীক্ষণ পদ্ধতি গৱেষণাকালত প্ৰয়োগ কৰা হৈছিল। প্ৰাথমিক তথ্যৰ বাবে প্ৰশ্নাৱলীক সমল জ্ঞান কৰি অধ্যয়ণ চলাই লৈ যোৱা হৈছিল। পুথিগত আৰু ইণ্টাৰনেট তথ্যক গৌণ উৎস জ্ঞান কৰি প্ৰণালীবদ্ধ অধ্যয়ন চলাই যোৱা হৈছিল।

# অধ্যয়নৰ ফলাফল

সোণাপুৰ, ডিমৰীয়া আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ স্নাতক পৰ্য্যায়ৰ মুঠ ৫৯০, ৪২০ আৰু ২৮৬ গৰাকী জনগোষ্ঠীয় ছাত্ৰ ছাত্ৰীৰ ওপৰত নিৰ্ভৰ কৰি যাদৃচ্ছিক নমুনাৰ ভিত্তিত পোৱা ফলাফল সমূহ এনেধৰণৰঃ

## টেবুল (১) মহাবিদ্যালয়ৰ প্ৰাথমিক তথ্য

| ক্ৰমিক নং | মহাবিদ্যালয়ৰ নাম | কোন চনত মহাবিদ্যালয়খন স্থাপন হৈছিল | মহাবিদ্যালয়খন জনগোষ্ঠীয় অঞ্চলৰ অন্তৰ্গত নেকি? | মহাবিদ্যালয়খনত কি কি শাখা আছে | মহাবিদ্যালয় খনৰ কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী জনগোষ্ঠীয় | জনগোষ্ঠীয় ছাত্ৰ-ছত্ৰীৰ % | কি কি জনগোষ্ঠীয় ছাত্ৰ -ছাত্ৰী মুলতে ইয়াত পঢ়িবলৈ আহে |
|---|---|---|---|---|---|---|---|
| ১ | সোণাপুৰ মহাবিদ্যালয় | ১৯৯১ | হয় | কলা/বাণিজ্য | ৫৯০ | ৪২.২৬% | কাৰ্বি, তিৱা, বড়ো আৰু ৰাভা |
| ২ | ডিমৰীয়া মহাবিদ্যালয় | ১৯৭৯ | হয় | কলা/বিজ্ঞান | ৪২০ | ৩০% | কাৰ্বি, তিৱা, বড়ো,ৰাভা আৰু চাহ জনজাতীয় সম্প্ৰদায় |
| ৩ | উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ১৯৬২ | নহয় | কলা/বিজ্ঞান | ২৮৬ | ২৬% | বড়ো, গাৰো, খাছী আৰু ৰাভা |

উৎসঃ (তথ্যসমূহ ওপৰত উল্লেখিত মহাবিদ্যালয় সমূহৰ অধ্যক্ষৰ দ্বাৰা প্ৰাপ্ত)

বি.দ্ৰঃ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ তথ্য খিনি কেৱল স্নাতক পৰ্য্যায়ৰ পৰাহে লোৱা হৈছে।

**বিশ্লেষণঃ_** টেবুল ১ ত পোৱা তথ্যৰ পৰা দুটা কথা স্পষ্ট হ'ল (১) সোণাপুৰ মহাবিদ্যালয় আৰু ডিমৰীয়া মহাবিদ্যালয় জনগোষ্ঠীয় অঞ্চলৰ অন্তৰ্গত। আনহাতে যদিও উত্তৰ গুৱাহাটী মহাবিদ্যালয় বড়ো জনগোষ্ঠীয় অঞ্চল এটাতেই অৱস্থিত তথাপিও এই মহাবিদ্যালয় খন জনগোষ্ঠীয় অঞ্চলৰ

অন্তৰ্গত নহয়। সোণাপুৰ মহাবিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৪২.২৬% ছাত্ৰ-ছাত্ৰীয়েই জনগোষ্ঠীয়। ঠিক তেনেদৰে ডিমৰীয়া মহাবিদ্যালয়ৰ ৩০% আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ২৬% ছাত্ৰ-ছাত্ৰীয়েই জনগোষ্ঠীয়।

মহাবিদ্যালয়ৰ ৩০% আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ২৬% ছাত্ৰ-ছাত্ৰীয়েই জনগোষ্ঠীয়।

## টেবুল (২) প্ৰতিটো শাখাত মহাবিদ্যালয় অনুযায়ী জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

| মহাবিদ্যালয়ৰ নাম | শাখা | মুঠ ছাত্ৰ | % | মুঠ ছাত্ৰী | % | মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | % |
|---|---|---|---|---|---|---|---|
| সোণাপুৰ মহাবিদ্যালয় | কলা | ৩০০ | ৫০.৮৪ | ২৯০ | ৪৯.১৫ | ৫৯০ | ১০০% |
| | বাণিজ্য্য | - | - | - | - | | |
| ডিমৰীয়া মহাবিদ্যালয় | কলা | ১৩০ | ৫৪.১৬ | ১১০ | ৪৫.৮৩ | ২৪০ | ১০০% |
| | বিজ্ঞান | ১২০ | ৬৬.৬৬ | ৬০ | ৩৩.৩৩ | ১৮০ | ১০০% |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | কলা | ৭৮ | ৫০.৩২ | ৭৭ | ৪৯.৬৭ | ১৫৫ | ১০০% |
| | বিজ্ঞান | ৯০ | ৬৮.৭০ | ৪১ | ৩১.২৯ | ১৩১ | ১০০% |

বি.দ্রঃ (সোণাপুৰ মহাবিদ্যালয়ে বাণিজ্য শাখাৰ তথ্য দাখিল কৰা নাছিল)

**বিশ্লেষণঃ** তিনিওখন মহাবিদ্যালয়তে দেখা গ'ল যে, কলা শাখাত নাম ভৰ্ত্তি কৰিবলৈ অহা জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অধিক। ছাত্ৰীত কৈ ছাত্ৰৰ সংখ্যা অত্যাধিক। ঠিক তেনেদৰে বিজ্ঞান শাখাতো নাম ভৰ্ত্তি কৰিবলৈ জনগোষ্ঠীয় ছাত্ৰীত কৈ ছাত্ৰৰ সংখ্যা অধিক।

**টেবুল (৩) বিষয় অনুযায়ী পঢ়িবলৈ অহা জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা**

| মহাবিদ্যালয়ৰ নাম | বিষয় | মুঠ ছাত্ৰ | % | মুঠ ছাত্ৰী | % | মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | % |
|---|---|---|---|---|---|---|---|
| সোণাপুৰ মহাবিদ্যালয় | অসমীয়া | ৬৮ | ৫৪.৮৩ | ৫৬ | ৪৫.১৬ | ১২৪ | ১০০ |
| | ইংৰাজী | ৫৭ | ৪৫.৯৬ | ৬৭ | ৫৪.০৩ | ১২৪ | ১০০ |
| | অৰ্থনিতী | ২৫ | ৫০ | ২৫ | ৫০ | ৫০ | ১০০ |
| | শিক্ষা | ২৭ | ৫১.৯২ | ২৫ | ৪৮.০৭ | ৫২ | ১০০ |
| | ৰাজনীতি বিজ্ঞান | ২০ | ৪৭.৬১ | ২২ | ৫২.৩৮ | ৪২ | ১০০ |
| | ভূগোল | ২৮ | ৫৩.৮৪ | ২৪ | ৪৬.১৫ | ৫২ | ১০০ |
| | বুৰঞ্জী | ৩০ | ৫০ | ৩০ | ৫০ | ৬০ | ১০০ |
| | হিন্দী | ১২ | ৬৬.৬৬ | ৬ | ৩৩.৩৩ | ১৮ | ১০০ |
| | দৰ্শন | ১৪ | ৫০ | ১৪ | ৫০ | ২৮ | ১০০ |
| | ভ্ৰমন আৰু পৰ্য্যটন ব্যৱস্থাপনা | ১২ | ৬০ | ৮ | ৪০ | ২০ | ১০০ |
| | তথ্য প্ৰযুক্তি বিদ্যা | ৮ | ৪০ | ১২ | ৬০ | ২০ | ১০০ |
| ডিমৰীয়া মহাবিদ্যালয় | তথ্য প্ৰদান নকৰিলে | | | | | | |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | তথ্য প্ৰদান নকৰিলে | | | | | | |

**বিশ্লেষনঃ** ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ৰ লক্ষ্য আগত ৰাখি আৰম্ভ কৰা এই অধ্যয়নত উক্ত টেবুলখনৰ বাবে প্ৰয়োজনীয় তথ্য ডিমৰীয়া আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে সময়ত প্ৰদান কৰিব নোৱাৰিলে। সোণাপুৰ মহাবিদ্যালয়ৰ পৰা প্ৰাপ্ত তথ্য অনুযায়ী সেই অঞ্চলৰ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিৰ সৰহ সংখ্যকেই অসমীয়া আৰু ইংৰাজী পঢ়িবলৈ আগ্ৰহী। উল্লেখনীয় ভাবে জনগোষ্ঠীয় ছাত্ৰীৰ ৫৪.০৩% য়ে ইংৰাজী ভাষাটো পঢ়িবলৈ আগ্ৰহী। ভাষাজ্ঞান অৰ্জন কৰিবলৈ থকা তেওঁলোকৰ এনে ধাউতী নিশ্চিত ভাৱে অসমীয়া ভাষা সংস্কৃতি সবল আৰু উন্নয়ণ মুখী কৰিবলৈ এক শুভ ইংগিত বহন কৰিব। ইয়াৰ উপৰিও সোণাপুৰ মহাবিদ্যালয়ত থকা ভ্ৰমন আৰু পৰ্য্যটন ব্যৱস্থাপনা বিষয় আৰু তথ্য প্ৰযুক্তি বিদ্যা বিষয় পঢ়িবলৈ অহা জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ মন কৰিবলগীয়া। দেখি এনে লাগিছিল ছাত্ৰ-ছাত্ৰী খিনিয়ে যেন গতানুগতিক শিক্ষাত কৈ নতুনত্বৰ প্ৰতি বেছি আগ্ৰহী।

টেবুল (৪)  যোৱা ৫ বছৰত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা

| মহাবিদ্যালয়ৰ নাম | চন | জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | | | | |
|---|---|---|---|---|---|---|
| | | ছাত্ৰ | % | ছাত্ৰী | % | মুঠ |
| সোণাপুৰ মহাবিদ্যালয় | ২০১৬ | ২২৫ | ৪৫.৭৩ | ২৬৭ | ৫৪.২৬ | ৪৯২ |
| | ২০১৭ | ১৯৬ | ৩৩.৮৫ | ৩৮৩ | ৬৬.১৪ | ৫৭৯ |
| | ২০১৮ | ১৮৯ | ৩২.৬৪ | ৩৯০ | ৬৭.৩৫ | ৫৭৯ |
| | ২০১৯ | ১৯৪ | ৩৪.৮৫ | ৩৭০ | ৬৫.১৪ | ৫৬৪ |
| সোণাপুৰ মহাবিদ্যালয় | ২০২০ | ২৫৮ | ৪০.০৬ | ৩৮৬ | ৫৯.৯৩ | ৬৪৪ |
| ডিমৰীয়া মহাবিদ্যালয় | ২০১৬ | ২১০ | ৫২.৫ | ১৯০ | ৪৭.৫ | ৪০০ |
| | ২০১৭ | ২৫৬ | ৫০ | ২৫৬ | ৫০ | ৫১২ |
| | ২০১৮ | ২৯০ | ৫১.৬০ | ২৭২ | ৪৮.৩৯ | ৫৬২ |
| | ২০১৯ | ২৮০ | ৫০ | ২৮০ | ৫০ | ৫৬০ |
| | ২০২০ | ৩১৫ | ৫১.৬৩ | ২৯৫ | ৪৮.৩৬ | ৬১০ |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ২০১৬ | ৪৪ | ৪৮.৮৮ | ৪৬ | ৫১.১১ | ৯০ |
| | ২০১৭ | ১৮ | ৩০.৫০ | ৪১ | ৬৯.৪৯ | ৫৯ |
| | ২০১৮ | ১৬ | ৪২.১০ | ২২ | ৫৭.৮৯ | ৩৮ |
| | ২০১৯ | ২১ | ৪৮.৮৩ | ২২ | ৫১.১৬ | ৪৩ |
| | ২০২০ | ২১ | ৪২.৮৫ | ২৮ | ৫৭.১৪ | ৪৯ |

**বিশ্লেষণঃ** তিনিও খন মহাবিদ্যালয় গুৱাহাটীৰ নিকটবৰ্তী। যোৱা ৫ বছৰত তিনিও খন মহাবিদ্যালয়ৰ ভিতৰত উত্তীৰ্ণৰ সংখ্যা সোণাপুৰ আৰু ডিমৰীয়া মহাবিদ্যালয়ত ক্ৰমাগত হাৰত বাঢ়িছে। ঠিক তেনেদৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত ২০১৬ চনৰ উত্তীৰ্ণৰ হাৰত কৈ পিছৰ বছৰ কেইটাত ক্ৰমাগত ভাৱে কম দেখা গৈছে। যিহেতু তথ্য খিনিয়ে জনগোষ্ঠীগত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ওপৰত থকা অংশীদাৰিত্ব  প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে তেনে ক্ষেত্ৰত এনে হ্ৰাসে এক চিন্তাৰ সুচনা কৰে।

## টেবুল (৫) উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ দক্ষতাৰ বিৰৰণ

| মহাবিদ্যালয়ৰ নাম | চন | সন্মান সহ প্ৰথম বিভাগত | | | | | সন্মান সহ দ্বিতীয় বিভাগত | | | | | সাধাৰণ ভৰে উত্তীৰ্ণৰ সংখ্যা | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | ছাত্ৰ | % | ছাত্ৰী | % | মুঠ | ছাত্ৰ | % | ছাত্ৰী | % | মুঠ | ছাত্ৰ | % | ছাত্ৰী | % | মুঠ |
| সোণাপুৰ মহাবিদ্যালয় | ২০১৬ | ১৩ | ২৭.০৮ | ৩৫ | ৭২.৯ | ৪৮ | ১৮ | ২৫ | ৫৪ | ৭৫ | ৭২ | ১৮৬ | ৫০ | ১৮৬ | ৫০ | ৩৭২ |
| | ২০১৭ | ৬ | ১৭.১৪ | ২৯ | ৮২.৮৫ | ৩৫ | ৮ | ৯.০৯ | ৮০ | ৯০.৯০ | ৮৮ | ২৪০ | ৫২.৬৩ | ২১৬ | ৪৭.৩৬ | ৪৫৬ |
| | ২০১৮ | ৬ | ২০.৬৮ | ২৩ | ৭৯.৩১ | ২৯ | ১৮ | ২৩.৬৮ | ৫৮ | ৭৬.৩১ | ৭৬ | ২৪০ | ৫০.৬৩ | ২৩৪ | ৪৯.৩৬ | ৪৭৪ |
| | ২০১৯ | ১০ | ১৯.২৩ | ৪২ | ৮০.৭৬ | ৫২ | ৯ | ২৫.৭১ | ২৬ | ৭৪.২৮ | ৩৫ | ২৭০ | ৫৬.১৩ | ২১১ | ৪৩.৮৬ | ৪৮১ |
| | ২০২০ | ৮ | ১৫.৩৮ | ৪৪ | ৮৪.৬১ | ৫২ | ১ | ৯.০৯ | ১০ | ৯০.৯০ | ১১ | ৩০০ | ৫১.৬৩ | ২৮১ | ৪৮.৩৬ | ৫৮১ |
| ডিমৰীয়া মহাবিদ্যালয় | ২০১৬ | ১২ | ৬৬.৬৬ | ৬ | ৩৩.৩৩ | ১৮ | ২১ | ৪২ | ২৯ | ৫৮ | ৫০ | ১৬৬ | ৫০ | ১৬৬ | ৫০ | ৩৩২ |
| | ২০১৭ | ১০ | ৪৫.৪৫ | ১২ | ৫৪.৫৪ | ২২ | ২২ | ৪৪.৮৯ | ২৭ | ৫৫.১০ | ৪৯ | ২৬০ | ৫৮.৯৫ | ১৮১ | ৪১.০৪ | ৪৪১ |
| | ২০১৮ | ১৫ | ৪১.৬৬ | ২১ | ৫৮.৩৩ | ৩৬ | ১৪ | ৩৬.৮৪ | ২৪ | ৬৩.১৫ | ৩৮ | ২৬০ | ৫৩.২৭ | ২২৮ | ৪৬.৭২ | ৪৮৮ |
| | ২০১৯ | ১৬ | ৬১.৫৩ | ১০ | ৩৮.৮৬ | ২৬ | ১২ | ৬০ | ৮ | ৪০ | ২০ | ২৮৬ | ৫৫.৬৪ | ২২৮ | ৪৪.৩৫ | ৫১৪ |
| | ২০২০ | ১৩ | ৩১.৭০ | ২৮ | ৬৮.২৯ | ৪১ | ১০ | ৫৮.৮২ | ৭ | ৪১.১৭ | ১৭ | ২৭৬ | ৫০ | ২৭৬ | ৫০ | ৫৫২ |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ২০১৬ | ১ | ১০০ | ০ | ০ | ১ | ১ | ২৫ | ৩ | ৭৫ | ৪ | ৫০ | ৫৮.৮২ | ৩৫ | ৪১.১৭ | ৮৫ |
| | ২০১৭ | ০ | ০ | ১ | ১০০ | ১ | ২ | ২২.২২ | ৭ | ৭৭.৭৭ | ৯ | ২৪ | ৪৮.৯৭ | ২৫ | ৫১.০২ | ৪৯ |
| | ২০১৮ | ০ | ০ | ০ | ০ | ০ | ০ | ০ | ৬ | ১০০ | ৬ | ১২ | ৩৭.৫ | ২০ | ৬২.৫ | ৩২ |
| | ২০১৯ | ০ | ০ | ৩ | ১০০ | ৩ | ১ | ১১.১১ | ৮ | ৮৮.৮৮ | ৯ | ১৫ | ৪৮.৩৮ | ১৬ | ৫১.৬১ | ৩১ |
| | ২০২০ | ১ | ৫০ | ১ | ৫০ | ২ | ২ | ১৮.১৮ | ৯ | ৮১.৮১ | ১১ | ১৮ | ৫০ | ১৮ | ৫০ | ৩৬ |

**বিশ্লেষণঃ** ইয়াৰ পৰা গ'ম পোৱা গ'ল যে ২০১৯ আৰু ২০২০ বৰ্ষত সোণাপুৰ মহাবিদ্যালয়ৰ পৰা সৰ্বাধিক ছাত্ৰ-ছাত্ৰীয়ে সন্মান সহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ডিমৰীয়া মহাবিদ্যালয়তো বিগত ৫ বছৰত সন্মান সহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ -ছাত্ৰীৰ সংখ্যা ক্ৰমাগত ভৱে বৃদ্ধি পাইছে। সাধাৰণ ভৱে উত্তীৰ্ণ হাৰো উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ক্ষেত্ৰত বৰ্ষ অনুযায়ী নিম্ন গামী। সোণাপুৰ মহাবিদ্যালয়ত ছাত্ৰৰ তুলনাত ছাত্ৰীয়ে সৰ্বাধিক সন্মানসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে।

## টেবুল (৬) জনজাতীয় শিক্ষাৰ ব্যৱস্থাপনা

| মহাবিদ্যালয়ৰ নাম | জনজাতীয় শিক্ষাৰ ব্যৱস্থা আছে নে? | যদি আছে কেনে ধৰণৰ | এইবোৰ আনুষ্ঠানিক/অনানুষ্ঠানিক/ অনুমোদিত নে অন্য কিবা | জনগোষ্ঠীয় বিশেষ শিক্ষাৰ বাদেও আন কি কি বিষয় পঢ়িবলৈ ছাত্ৰ-ছাত্ৰী সকল আগ্ৰহী |
|---|---|---|---|---|
| সোণাপুৰ মহাবিদ্যালয় | আছে | মনোৰম কাৰ্কোন কাৰ্বি ভাষা শিক্ষণ | অনানুষ্ঠানিক | মহাবিদ্যালয়ত উপলব্ধ আন আন সকলো বিষয়েই তেওঁলোকে পঢ়ে |
| ডিমৰীয়া মহাবিদ্যালয় | নাই | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | ,, |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | নাই | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় | ,, |

**বিশ্লেষণঃ** সোণাপুৰ মহাবিদ্যালয়ে জনগোষ্ঠীয় ভাষা সংস্কৃতি বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীলৈ আগবঢ়োৱা মনোৰম কাৰ্কোন কাৰ্বি ভাষা শিক্ষণ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক উপকৃত কৰাৰ লগতেই অধ্যক্ষৰ তথ্যৰ ভিত্তিত গ'ম পোৱা গ'ল যে এনে অনানুষ্ঠানিক শিক্ষণে সমাজ খনলৈও এটা ইতিবাচক ইংগিত বহন কৰিছে। কাৰ্বি ভাষা শিক্ষা আৰু সাংস্কৃতিক বিকাশ, জনগোষ্ঠীয় ক্ৰীড়া আৰু সাহিত্য চৰ্চাত এই মহাবিদ্যালয় খনে বিশেষ ভাৱে সমাজ খনক প্ৰতিনিধিত্ব কৰিছে। অধ্যক্ষ সোণাপুৰ মহাবিদ্যালয়ে জনাই যে ছাত্ৰ-ছাত্ৰীৰ বাবে যদিও বিশেষ জনগোষ্ঠীয় কাৰ্য্যসুচী মহাবিদ্যালয়ত পালন কৰা নহয় তথাপিও মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতেই জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠানক বিশেষ গুৰুত্ব আৰোপ কৰি পাতিবলৈ অনুমতি দিয়া হয়। অধ্যক্ষ ডিমৰীয়া মহাবিদ্যালয়ে জনাই যে জনগোষ্ঠীয় শিক্ষা বা সাংস্কৃতিক উন্নয়ণৰ দিশত ছাত্ৰ-ছাত্ৰীক তেওঁলোকে প্ৰতি দিনাই উৎসাহিত কৰিবলৈ চেষ্টা কৰে। তেখেতে আৰু কয় যে বিশেষ জনগোষ্ঠীয় অনুষ্ঠান যদিও মহাবিদ্যালয় খনে আয়োজন নকৰে তথাপিও সাধাৰণ অনুষ্ঠান বোৰত আন আন ছাত্ৰ-ছাত্ৰীৰ লগত জনজাতীয় ছাত্ৰ-ছাত্ৰী সকলেও সমানেই অংশ গ্ৰহণ কৰে। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে এই ক্ষেত্ৰত নৱাগত জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰখিনিক আদৰিবলৈ জনগোষ্ঠীয় নৱাগত আদৰণি সভা প্ৰতি বছৰে অনুষ্ঠিত কৰে। জনজাতীয় সাংস্কৃতিক সভাও প্ৰতিবছৰে এই খন মহাবিদ্যালয়ে অনুষ্ঠিত কৰি ভাতৃত্বৰ ভাৱ বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰে।

## টেবুল (৭) চলিত বৰ্ষত জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ আধাতে শিক্ষা সামৰিব লগা হোৱা সংখ্যা

| মহাবিদ্যালয়ৰ নাম | শাখা | ষান্মাষিক | ছাত্ৰ | % | ছাত্ৰী | % | মুঠ | % |
|---|---|---|---|---|---|---|---|---|
| সোণাপুৰ মহাবিদ্যালয় | তথ্য দাখিল কৰিব পৰা নাই | | | | | | | |
| ডিমৰীয়া মহাবিদ্যালয় | অধ্যক্ষৰ তথ্যমতে এনে নিৰ্দ্ধাৰণ সহজ সাধ্য নহয় | | | | | | | |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | কলা | দ্বিতীয় | ৪ | ৫০ | ৪ | ৫০ | ৮ | ১০০ |
| | বিজ্ঞান | দ্বিতীয় | ৪ | ৫০ | ৪ | ৫০ | ৮ | ১০০ |

বিশ্লেষণঃ মহাবিদ্যালয় দুখনে তথ্য প্ৰদান কৰিব নোৱাৰাৰ বাবে বিশ্লেষণ সঠিক ভাৱে কৰিব পৰা নগ'ল। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে প্ৰদান কৰা তথ্য খিনিৰ সত্যাসত্যও প্ৰতিপন্ন কৰিব পৰা নগ'ল।

আধাতেই শিক্ষা সমাপ্তৰ মুল কাৰণ হিচাপে সোণাপুৰ মহাবিদ্যালয়ে অৰ্থনৈতিক, ঘৰৰ হেচাঁ, বিবাহ আদি কাৰণকেই মুখ্যতঃ আঙুলিয়াইছে। আধাতেই শিক্ষা সামৰা ছাত্ৰ-ছাত্ৰীৰ পৰিসংখ্যা যদিও ডিমৰীয়া মহাবিদ্যালয়ে সঠিক ভাৱে দিব নোৱাৰিলে তথাপিও কাৰণ হিচাপে অৰ্থনৈতিক, দুৰ্গম যাতায়ত আৰু  বিবাহক নিৰ্দ্ধাৰণ কৰিছে। উত্তৰ গুৱাহাটী মহাবিদ্যালয়েও কাৰণ হিচাপে অৰ্থনৈতিক আৰু বিবাহকেই আঙুলিয়াইছে। ইয়াত ভিতৰত ঘৰৰ হেচাঁ আৰু বিবাহ বিশেষকৈ ছাত্ৰী-সমাজৰ মাজত দেখা দিয়া বাধাৰ কাৰক হিচাপেই প্ৰতিফলিত হৈছে।

জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ সকলৰ বাবে জীৱন-জীৱিকাৰ শিক্ষা দিবলৈ আন আন ছাত্ৰ-ছাত্ৰী সকলৰ লগতেই তিনিও খন মহাবিদ্যালয়ে ব্যক্তিত্ব বিকাশৰ প্ৰশিক্ষণ, কাৰিকৰী বা বৃত্তিমুখী শিক্ষাৰ ব্যৱস্থা, NET/SET ৰ প্ৰাৰম্ভীক প্ৰশিক্ষণ (স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা থকা মহাবিদ্যালয়), Campus interview আদিৰ ব্যৱস্থা কৰি দিয়ে।

**টেবুল (৮)  যোৱা ৫ বছৰত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলৰ বৰ্তমান সমাজত স্থিতি (তথ্যৰ আধাৰত বিশ্লেষণ কৰিবলৈ কিছু প্ৰয়াস)**

| মহাবিদ্যালয়ৰ নাম | চন | কৰ্মসংস্থাপন পোৱা | | | | | | | | | কৰ্মসংস্থাপন পোৱা নাই | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | চাকৰি | | | ব্যৱসায় | | | গৃহিণী | | | | | |
| | | ছাত্ৰ | ছাত্ৰী | মুঠ | ছাত্ৰ | ছাত্ৰী | মুঠ | ছাত্ৰ | ছাত্ৰী | মুঠ | ছাত্ৰ | ছাত্ৰী | মুঠ |
| সোণাপুৰ মহাবিদ্যালয় | ২০১৬ | ২৫ (৫৮.৩৪) | ২১(৪৫.৬৫) | ৪৬ | ৩২ (৯৪.১১) | ২(৫.৮৮) | ৩৪ | ০ | ১১ (১০০) | ১১ | পৰ্য্যপ্ত তথ্য উপলব্ধ নহয় | | |
| | ২০১৭ | ২০ (৬০.৬০) | ১৩ (৩৯.৩৯) | ৩৩ | ২৮ (৯৩.৩৩) | ২ (৬.৬৬) | ৩০ | ০ | ৯ (১০০) | ৯ | | | |
| | ২০১৮ | ১৫ (৪২.৮৫) | ২০(৫৭.১৪) | ৩৫ | ২৫(১০০) | ০ | ২৫ | ০ | ৩ (১০০) | ৩ | | | |
| | ২০১৯ | ৩৭ (৬৪.৯১) | ২০ (৩৫.০৮) | ৫৭ | ৪৬ (৯৭.৮৭) | ১(২.১২) | ৪৭ | ০ | ৬ (১০০) | ৬ | | | |
| | ২০২০ | ১৮ (৪২.৮৫) | ২৪(৫৭.১৪) | ৪২ | ২৩(১০০) | ০ | ২৩ | ০ | ১ (১০০) | ১ | | | |
| ডিমৰীয়া মহাবিদ্যালয় | এনে তথ্য মহাবিদ্যালয় খনত উপলব্ধ নাই | | | | | | | | | | | | |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ২০১৬ | ১৩ (৬৮.৪২) | ৬(৩১.৫৭) | ১৯ | ২০(৮০) | ৫(২০) | ২৫ | - | ২০ (১০০) | ২০ | ১১ (৪২.৩০) | ১৫ (৫৭.৬৯) | ২৬ |
| | ২০১৭ | ৮(৪২.১০) | ১১(৫৭.৮৯) | ১৯ | ৪(২৮.৫৭) | ১০ (৭১.৪২) | ১৪ | - | ৫ (১০০) | ৫ | ৬ (২৮.৫৭) | ১৫(৭১.৪২) | ২১ |
| | ২০১৮ | ২(৫০) | ২(৫০) | ৪ | ৫(৬২.৫) | ৩(৩৭.৫) | ৮ | - | ২ (১০০) | ২ | ৯(৩৭.৫) | ১৫(৬২.৫) | ২৪ |
| | ২০১৯ | ৩(৭৫) | ১(২৫) | ৪ | ৪ (৬৬.৬৬) | ২ (৩৩.৩৩) | ৬ | - | ৩ (১০০) | ৩ | ১৪ (৪৬.৬৬) | ১৬ (৫৩.৩৩) | ৩০ |
| | ২০২০ | - | - | - | ২(১০০) | - | ২ | - | ৪ (১০০) | ৪ | ১৯ (৪৬.৩৪) | ২২ (৫৩.৬৫) | ৪১ |

**বিশ্লেষণঃ** প্ৰাপ্ত তথ্যৰ আধাৰত দেখা গ'ল ছাত্ৰ-ছাত্ৰী খিনিৰ চাকৰিৰ প্ৰতি ধাউতী বেছি। ঠিক তেনেদৰে ব্যৱসায়ত ছাত্ৰীৰ অংশীদাৰিত্ব কম। ২০১৬ চনত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ১৮.৩০% ছাত্ৰ-ছাত্ৰী য়ে কৰ্ম সংস্থাপন পোৱা নাই। ২০১৭,২০১৮,২০১৯ আৰু ২০২০ চনত এই তথ্য এনেধৰণৰ ১৪.৭৮%, ১৬.৯০%, ২১.১২% আৰু ২৮.৮৭% গড় হিচাপত এই সমীকৰণে ভৱিষ্যতে এক চিন্তাৰ সুচনা কৰিব পাৰে।

**টেবুল (৯) জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিয়ে মহাবিদ্যালয়ত লাভ কৰা বিশেষ সুবিধা**

| মহাবিদ্যালয়ৰ নাম | চৰকাৰী জনগোষ্ঠীয় অনুদান পাইছে নে? | জনগোষ্ঠীয় জলপানি পাইছেনে? | নামভৰ্তিৰ ক্ষেত্ৰত কিবা আকৰ্ষণীয় পদক্ষেপ মহাবিদ্যালয়খনে লৈছে নে? |
|---|---|---|---|
| সোণাপুৰ মহাবিদ্যালয় | নাই | পায় | লয় (অঞ্চলটোৰ লগতে সমগ্ৰ ডিমৰীয়া আৰু তোলনীয়া গাওঁ সমূহৰ (জনগোষ্ঠীয়/অজনগোষ্ঠীয় ছাত্ৰ -ছাত্ৰীক নাম ভৰ্ত্তিত বিশেষ ৰেহাইৰ ব্যৱস্থা আছে) |
| ডিমৰীয়া মহাবিদ্যালয় | নাই | পায় | যিহেতু নামভৰ্ত্তি মেধাৰ ভিত্তিত হয় গতিকে তেনে কোনো বিশেষ পদক্ষেপ নলয়। কেৱল চৰকাৰী নিয়ম অনুযায়ী আসন সংৰক্ষণ হয়। |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | নাই | পায় | চৰকাৰী নামভৰ্ত্তি সম্পৰ্কীয় সংৰক্ষণৰ লগতে সন্মানীয় বিষয় নিৰ্বাচন কৰি পঢ়িবলৈ তেওঁলোকক সংৰক্ষণৰ ব্যৱস্থা কৰি দিয়ে। |

**বিশ্লেষণঃ** তিনিওখন মহাবিদ্যালয়তেই জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী খিনিয়ে বিশেষ জনগোষ্ঠীয় জলপানি পায়। আজি পৰ্য্যন্ত কোনো এখন মহাবিদ্যালয়ে চৰকাৰী অন্য জনগোষ্ঠীয় একো আন অনুদান লাভ কৰা নাই। জনগোষ্ঠীয় অধ্যুষিত অঞ্চলত অৱস্থিত মহাবিদ্যালয় হিচাপে সোণাপুৰ মহাবিদ্যালয়ে জনগোষ্ঠীয় শিক্ষা সংস্কৃতি আৰু সাহিত্যৰ বিকাশৰ বাবে নিজাববীয়াকৈ বিভিন্ন পন্থা হাতত লৈছে। ডিমৰীয়া অঞ্চলৰ বিভিন্ন বিদ্যালয়ত গৈ শিক্ষা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিব প্ৰয়াস কৰিছে। ঠিক তেনেদৰে ওচৰৰ গাওঁ সমূহক নিৰ্বাচন কৰি তোলনীয়া গাওঁ (Adopted Village) হিচাপে গণ্য কৰি সাহিত্য সংস্কৃতি আৰু শিক্ষাৰ বিকাশ সাধন কৰিছে। অতিমাৰী কভিড'ৰ প্ৰভাৱ ,কাৰ্য্যালয়ৰ যাৱতীয় দায়িত্বৰ লগতে সময়ৰ তাগিদাৰ খাতিৰত প্ৰাপ্ত তথ্যৰ ভিত্তিত প্ৰতিখন মহাবিদ্যালয়ৰ পৰা মাত্ৰ ৫ জনকৈ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীক যাদৃচ্ছিক নমুনাৰ অধীনত নিৰ্বাচন কৰি বিশ্লেষণ কৰিব প্ৰয়াস কৰা হৈছে।

**টেবুল (১০) সাক্ষাতকাৰী মুঠ জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰীৰ সংখ্যা**

| | সোণাপুৰ মহাবিদ্যালয় | ডিমৰীয়া মহাবিদ্যালয় | উত্তৰ গুৱাহাটী মহবিদ্যালয় |
|---|---|---|---|
| মুঠ | ৫ | ৫ | ৫ |

**বিশ্লেষণঃ** সোণাপুৰ মহাবিদ্যালয়ৰ পৰা সংগ্ৰহ কৰা তথ্যৰ ভিতৰত ২ গৰাকী ছাত্ৰী আৰু বাকী ৩ জনেই ছাত্ৰ। ডিমৰীয়া মহাবিদ্যালয়ৰ ৫ জনী ছাত্ৰীৰ পৰাই তথ্য খিনি সংগ্ৰহ কৰা হৈছিল। ঠিক তেনেদৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ৪ জনী ছাত্ৰী আৰু ১ জন জনগোষ্ঠীয় ছাত্ৰৰ পৰা তথ্য খিনি সংগ্ৰহ কৰা হৈছিল।

টেবুল (১১) বিষয়টোৰ প্ৰতি আগ্ৰহ

| মহাবিদ্যালয়ৰ নাম | বিষয়টোৰ প্ৰতি আগ্ৰহ(বহু বিকল্পী উত্তৰো সম্ভৱ) | | | | |
|---|---|---|---|---|---|
| | নিয়োগৰ বাবে | ভৱিষ্যতে গৱেষণা কৰাৰ বাবে | আমাৰ জাতিটোক আগবঢ়াই নিয়াৰ বাবে | আত্মনিৰ্ভশীল হ'বৰ বাবে | অন্যান্য |
| সোণাপুৰ মহাবিদ্যালয় | ১ (২০%) | | ১ (২০%) | ৩ (৬০%) | |
| ডিমৰীয়া মহাবিদ্যালয় | | ১ (২০%) | ১ (২০%) | ৩ (৬০%) | |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ১ (২০%) | | | ৪ (৮০%) | |

**বিশ্লেষণঃ** তথ্যই প্ৰমান কৰিলে যে সৰহ সংখ্যাক ছাত্ৰ-ছাত্ৰয়েই জীৱনত আত্মনিৰ্ভৰশীল হ'ব ৰ বাবেই পঢ়া শুনা কৰে। তথ্যৰ বাবে নিৰ্বাচন কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়েই স্নাতক পৰ্য্যায়ত পঢ়ি থকা। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ গড় হিচাপত ৮০% ছাত্ৰ-ছাত্ৰীয়েই আত্মনিৰ্ভৰশীল হ'বৰ বাবেই পঢ়া শুনা কৰে। জাতিটোক আগবঢ়াই নিয়াৰ উদ্দেশ্যে ডিমৰীয়া আৰু সোণাপুৰ মহাবিদ্যালয়ৰ ২০% কৈ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া শুনা সম্পন্ন কৰে। এনে দৃষ্টিভংগী সচাঁই প্ৰশংসনীয়। ভাষা-কৃষ্টি-সংৰক্ষণৰ বাবে এনে দৃষ্টি ভংগী সদায় আদৰণীয়।

টেবুল (১২) মহাবিদ্যালয় খন বাচনিৰ কৰাৰ কাৰণ

| মহাবিদ্যালয়ৰ নাম | মহাবিদ্যালয় খন বাচনি কৰাৰ কাৰণ (বহু বিকল্পী উত্তৰো সম্ভৱ) | | | | | |
|---|---|---|---|---|---|---|
| | বাসগৃহৰ ওচৰত | মহাবিদ্যালয়খনত ভাল আন্তঃগাঠনি থকাৰ বাবে | শিক্ষক সকলৰ গুণগত মানদণ্ডৰ বাবে | বিদ্যয়তনিক সকলো সা-সুবিধা থকাৰ বাবে | মহাবিদ্যালয়খন জনগোষ্ঠীয় অঞ্চলত প্ৰতিষ্ঠিত বাবে | আন মহাবিদ্যালয়ত নাম ভৰ্ত্তিকৰণৰ সুবিধা নোপোৱাৰ বাবে |
| সোণাপুৰ মহাবিদ্যালয় | | ২ (৪০%) | ৩ (৬০%) | | | |
| ডিমৰীয়া মহাবিদ্যালয় | | ২ (৪০%) | ৩ (৬০%) | | | |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | | ১ (২০%) | ২ (৪০%) | | ১ (২০%) | ১ (২০%) |

**বিশ্লেষণঃ** শিক্ষক সমাজৰ উন্নত গুণগত মানদণ্ডৰ বাবেই মুলতঃ ছাত্ৰী-ছাত্ৰী খিনিয়ে মহাবিদ্যালয় এখন নিৰ্বাচন কৰে। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ২০% ছাত্ৰ-ছাত্ৰীয়ে অন্য মহাবিদ্যালয়ত নামভৰ্ত্তিকৰণ কৰাৰ সুবিধা নোপোৱাৰ বাবে উক্ত মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰা বুলি কোৱাৰ বিপৰীতে ১ গৰাকী ছাত্ৰীয়ে কয় তেওঁ জনগোষ্ঠীয় অঞ্চলত মহাবিদ্যালয় খন স্থাপন হোৱাৰ বাবেহে উক্ত মহাবিদ্যালয় খন পঢ়িবৰ বাবে নিৰ্বাচন কৰি লৈছে। পঢ়িবৰ

বাবে মহাবিদ্যালয় এখন নিৰ্বাচন কৰাৰ সময়ত ছাত্ৰ-ছাত্ৰীয়ে যে ভাল আন্তঃগাঠনিও চাই তাক অধ্যয়নে প্ৰমাণ কৰিছে। সোণাপুৰ আৰু ডিমৰীয়া মহাবিদ্যালয়ৰ ৪০% কৈ ছাত্ৰ-ছাত্ৰীয়ে ভাল আন্তঃগাঠনিৰ ওপৰতেই গুৰুত্ব দি মহাবিদ্যালয় এখন অধ্যয়নৰ বাবে নিৰ্বাচন কৰি লৈছে। অধ্যয়ণৰ বাবে ভাল আন্তঃগাঠনিয়ে মহাবিদ্যালয় নিৰ্বাচনত বিশেষ ভূমিকা গ্ৰহণ কৰে। প্ৰতি তিনিওখন মহাবিদ্যালয়ৰ ১০০% ছাত্ৰ-ছাত্ৰীয়ে উক্ত মহাবিদ্যালয় খনত পঢ়ি সুখী।

**টেবুল (১৩) বিষয় নিৰ্বাচনৰ কাৰণ (বহু বিকল্পী উত্তৰো সম্ভৱ)**

| মহাবিদ্যালয়ৰ নাম | সন্মান সহ উত্তীৰ্ণ | | | | | Pass Course লৈ উত্তীৰ্ণ | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | বিষয়টো সহজ | বিষয়টোৰ গুৰুত্ব বাঢ়ি আহিছে | উত্তীৰ্ণ হ'ব সহজ | প্ৰতিযোগিতা মূলক পৰীক্ষাত ভাল ফলাফল দেখুৱাব পৰি | বিষয়টো জনগোষ্ঠীয় উন্নয়ণত সহায়কাৰী | বিষয়টো সহজ | বিষয়টোৰ গুৰুত্ব বাঢ়ি আহিছে | উত্তীৰ্ণ হ'ব সহজ | প্ৰতিযোগিতা মূলক পৰীক্ষাত ভাল ফলাফল দেখুৱাব পৰি | বিষয়টো জনগোষ্ঠীয় উন্নয়ণত সহায়কাৰী |
| সোণাপুৰ মহাবিদ্যালয় | ২ (৪০%) | ৩ (৬০%) | | | | | | | | |
| ডিমৰীয়া মহাবিদ্যালয় | ২ (৪০%) | ২ (৪০%) | | ১ (২০%) | | | | | | |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ৩ (৬০%) | | ১ (২০%) | ১ (২০%) | | | | | | |

**বিশ্লেষণঃ** Pass Course লৈ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ তথ্য ইয়াত পোৱা নগ'ল। ৬০% সোণাপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচিত বিষয়টোৰ গুৰুত্ব বাঢ়ি অহাৰ বাবে সন্মান সহ পঢ়িবলৈ আগ্ৰহী বুলি মত পোষণ কৰে। ডিমৰীয়া মহাবিদ্যালয়ৰ ২০% ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতা মূলক পৰীক্ষাত ভাল ফলাফল দেখুৱাৰ মানসেৰে বিষয়টো নিৰ্বাচন কৰিছিল। আনহাতে কোনো এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিষয়টো জনগোষ্ঠীয় উন্নয়ণত সহায়কাৰী হোৱাৰ মানসেৰে বিষয়টো নিৰ্বাচন কৰা দেখা নগ'ল।

**টেবুল (১৪) ভৱিষ্যত পৰিকল্পনা (বহু বিকল্পী উত্তৰো সম্ভৱ)**

| মহাবিদ্যালয়ৰ নাম | ভৱিষ্যত পৰিকল্পনা | | | | |
|---|---|---|---|---|---|
| | চাকৰি | গৱেষণা | ব্যৱসায় | গৃহিণী | অন্য কিবা |
| সোণাপুৰ মহাবিদ্যালয় | ৫ (১০০%) | | | | |
| ডিমৰীয়া মহাবিদ্যালয় | ৫ (১০০%) | | | | |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ৫ (১০০%) | | | | |

**বিশ্লেষণঃ** তিনিওখন মহাবিদ্যালয়ৰ ১০০% ছাত্ৰ-ছাত্ৰীয়েই চাকৰিৰ বাবেই মুলতে যে পঢ়া-শুনা কৰে তাক তথ্যই প্ৰমান কৰিলে। বৰ্তমান যুগটোত শিক্ষাৰ উদ্দেশ্য কেৱল চাকৰি পোৱাতোতেই সীমাবদ্ধ নহে যদি ভৱিষ্যতৰ বাবে এজন আত্মনিৰ্ভৰশীল মানুহ হ'বৰ বাবেও প্ৰস্তুত কৰাব পাৰে তেন্তে শিক্ষা প্ৰকৃতাৰ্থে প্ৰগতিমুখী হ'ব।

## সামৰণি

যোৱা ১৩-০৮-২০২১ আৰু ১৪-০৮-২০২১ তাৰিখে তথ্য সংগ্ৰহৰ বাবে আমি আলোচ্য তিনিওখন মহাবিদ্যালয়লৈ গৈছিলো। প্ৰাপ্ত তথ্যৰ ভিত্তিত বিশ্লেষণ আগবঢ়াই এটা কথা নিশ্চিত হ'ল যে, ছাত্ৰী-ছাত্ৰী খিনি নিজৰ কৃষ্টি সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ প্ৰতি দায়িত্বশীল। সময়, সুযোগ আৰু সঠিক ব্যৱস্থাপনাই সহযোগ কৰিলে নিৰ্দ্ধাৰিত শিক্ষা ব্যৱস্থাৰ মাজতো জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী সকলে নিজস্বতাক উপলব্ধি কৰিব পাৰিব। আগতেই উল্লেখ কৰিছো সংস্কৃতিয়ে মানুহক জন্তুৰ পৰা পৃথক কৰে। বিশ্বৰ একতা বৰ্তাই ৰখাত সংস্কৃতি এক প্ৰধান অস্ত্ৰ। বৈচিত্ৰময় জনজাতীয় সংস্কৃতিত থকা স্বক্ৰীয়তা, একতা বা চাৰিত্ৰীক বিবিধতা জানিবলৈ প্ৰণালীবদ্ধ সু শিক্ষাৰ বিশেষ প্ৰয়োজন।

অধ্যয়ণে প্ৰমান কৰিলেঃ

(১) জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী সকল কলা সংস্কৃতিৰ প্ৰতি আগ্ৰহী।

(২) আধুনিক ভাৰতীয় ভাষা শিকনৰ প্ৰতি তেওঁলোক আগ্ৰহী। ভাষাজ্ঞান অৰ্জন কৰিবলৈ থকা তেওঁলোকৰ ধাউতীয়ে সমাজত এক শুভ বাৰ্তা বিয়পাব পাৰে।

(৩) তিনিওখন মহাবিদ্যালয় গুৱাহাটীৰ নিকটবৰ্তী। যোৱা ৫ বছৰত সোণাপুৰ আৰু ডিমৰীয়া মহাবিদ্যালয়ত জনজাতীয় ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ বৃদ্ধি পাইছে। কিন্তু আচৰ্য্যজনক ভৱে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ ক্ৰমাগত হাৰত নিম্নগামী হৈছে। যদি আমি প্ৰকৃত পক্ষেই বহনক্ষম বিকাশৰ ওপৰত গুৰুত্ব দিওঁ তেন্তে এনে পৰিসাংখ্যিক তথ্যই সামাজিক অংশীদাৰিত্বত প্ৰভাৱ পেলাব।

(৪) আনুষ্ঠানিক জনজাতীয় শিক্ষাৰ ব্যৱস্থা নাথাকিলেও প্ৰতিখন মহাবিদ্যালয়ে নিজস্ব প্ৰক্ৰিয়াৰে জনগোষ্ঠীয় কৃষ্টি সংস্কৃতি, ঐতিহ্য ধৰি ৰাখিবলৈ প্ৰয়াস কৰিছে।

(৫) তথ্যৰ ভিত্তিত ক'ব পাৰি জীৱন জীৱিকাৰ সুবিধা লাভেই শিক্ষাৰ মূল উদ্দেশ্য। দেখা গ'ল বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়েই ভৱিষ্যতে চাকৰি মুখী জীৱন এটা কামনা কৰে।

(৬) তথ্যই প্ৰমান কৰিছে জনজাতীয় ছাত্ৰ-ছাত্ৰী খিনিয়ে অধ্যয়নৰত অৱস্থাত চৰকাৰী বিশেষ অনুদান লাভ কৰিছে। আমি আশাবাদী পৰৱৰ্তী সময় চোৱাত জনগোষ্ঠীয় জলপানিৰ বাদেও যাতে অসমৰ ছাত্ৰ-ছাত্ৰীয়ে পূৰ্বালোচ্য আন আন সকলো সুবিধাই সময়ত লাভ কৰিব পাৰিব।

(৭) অধ্যয়ণ কৰা জনগোষ্ঠী সমূহ বিশেষকৈ কাৰ্বি, তিৱা, বড়ো, ৰাভা, চাহ জনজাতীয় সম্প্ৰদায়, গাৰো, খাছী ইত্যাদিয়েই প্ৰধান।

(৮) বৃহৎ অসমীয়া জাতিটোক আগুৱাই নিয়াৰ মানসৰে অধ্যয়ন কৰা ২০% জনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী দায়বদ্ধ। ভাষা কৃষ্টি সংৰক্ষণৰ বাবে এনে দৃষ্টি ভংগী সচাঁই আদৰণীয়।

(৯) উদ্দেশ্য মুখী শিক্ষাই শিকাৰুৰ সংখ্যা বৃদ্ধি কৰে আৰু তাৰ বাবে লাগিব গুণগত মানসম্পন্ন শিক্ষক আৰু ভাল আন্তঃগাঠনি। গৱেষণাই প্ৰমান কৰিলে উক্ত এটা দুটা প্ৰধান কাৰণৰ বাবেই ছাত্ৰ-ছাত্ৰীয়ে এখন শিক্ষানুষ্ঠান নিৰ্বাচন কৰে।

(১০) আগতেই উল্লেখ কৰি আহিছো যে জনগোষ্ঠী সমূহৰ ওপৰত গৱেষণাৰ যথেষ্ট স্থল আছে কিন্তু অধ্যয়নে হতাশ কৰি জনালেঁ যে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত পৰিকল্পনা কেৱল চাকৰিহে। আমি আশাবাদী পৰবৰ্তী শিক্ষা নীতিৰ আকৰ্ষণীয় পদক্ষেপে গৱেষণাৰ পৰিষৰো বৃদ্ধি কৰিব পাৰিব।

শেষত, অধ্যয়নৰ পূৰ্বানুমান ইতিবাচক ভাৱে সম্পৰ্কিত বুলি উপস্থাপন কৰিব পাৰি।


## কৃতজ্ঞতা স্বীকাৰ

পোন প্ৰথমেই এনে এটি গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অধ্যয়ন কৰিবলৈ অনুমতি দিয়াৰ বাবে ৰুচা অসমৰ মিছন সঞ্চালক ড° দীপক মজুমদাৰ মহোদয়ক পুনৰ বাৰ ধন্যবাদ জনালোঁ। তেখেতৰ সময়োপযোগী চিন্তাধাৰাই মোক বাৰুকৈয়ে অনুপ্ৰাণীত কৰিছিল।

দ্বিতীয়তে, তিনিওখন মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী খিনিৰ অপৰিসীম সহযোগিতাৰ বাবে ধন্যবাদ জনালোঁ। ছাত্ৰ-ছাত্ৰী খিনিৰ সহযোগ অবিহনে মোৰ পক্ষে-এনে বিতং অধ্যয়ন কেতিয়াও সম্ভৱপৰ নহ'লহেতেন। কাৰ্য্যালয়ৰ ব্যস্ত সময়সুচীত মিছন মোডত কাম কৰিও এনে এটা গুৰুত্ব পূৰ্ণ বিষয়ৰ ওপৰত লিখিব লগা হোৱাত অধ্যয়নৰ বিশেষ প্ৰয়োজন হৈছিল। কিন্তু সঞ্চালক প্ৰমুখ্যে ৰুচা অসমৰ সমূহ কৰ্মকৰ্তাই দেখুওৱা সহযোগৰ বাবে কম সময়ৰ ভিতৰতেই লিখি উলিয়াবলৈ এক প্ৰয়াস কৰা হৈছিল। প্ৰজ্ঞাৰ উক্ত খণ্ডটিত প্ৰকাশ হ'বলৈ ওলোৱা এই লিখনিটো লৈ মই যথেষ্ট আশাবাদী। ভুল নিশ্চয় থাকিব। কিন্তু ইতিবাচক দৃষ্টিভংগীৰে পাঠক সমাজে গঠনমূলক সমালোচনাৰে আঙুলিয়াই দিলে নথৈ উপকৃত হ'ম। লগতে যথেষ্ট আশাবাদী যাতে ৰাষ্ট্ৰীয় শিক্ষা নীতিত জনগোষ্ঠীয় শিক্ষাই স্থান লাভ কৰে। চৰকাৰী ভাৱে উক্ত নীতিৰ অধীনত এনে ছাত্ৰ-ছাত্ৰীক আগুৱাই নিবলৈ যথেষ্ট আকৰ্ষণীয় পদক্ষেপ লওঁক। শিক্ষাৰ পৰিবেশ সলনি হওঁক। শিক্ষাৰ্থীসকলৰ দক্ষতা বিকাশত গুৰুত্ব দিয়ক। শেষত এটা কথাই ক'ব খোজো চৰকাৰী নীতি নিৰ্মাতা সকলে যাতে শিক্ষাৰ্থীৰ সৰ্বাঙ্গীন বিকাশত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰে। তেনে কৰিলেহে দৰচলতে প্ৰকৃতাৰ্থত জাতীয়তাবাদ গঢ়ি উঠিব পাৰিব। শেষত প্ৰজ্ঞাৰ সম্পাদিকা শ্ৰী মতী নমিতা বৰুৱাৰ লগতে মোৰ লিখনিটোৰ কম্পিউটাৰ টাইপিং কৰি পূৰ্ণাংগ ৰূপ দিয়া শ্ৰী ধনজীৎ গগৈলৈও অশেষ ধন্যবাদ জ্ঞাপন কৰিলো।


## গ্ৰন্থপঞ্জী


(১) Bordoloi, B.N., G.C. Sharma Thakur, M.C. Saikia. 1987. Tribes of Assam (Part-I), Tribal Research Institute, Assam Guwahati.

(২) Census of India.2011.Provisional Population Totals, Paper -2, Volume 1 of 2011, Rural-Urban distribution, India series -1 http://www.censusindia.gov.in

(৩) Sarmah, Lipika.2011. "Health practices of the Boro, Kachari Women in North Guwahati Area of Greater Guwahati, Assam, Bulletin of the Department of Anthropology from Gauhati University,XII:2010-11 In ISSN 2230-9527.


(প্ৰজ্ঞাৰ অক্টোবৰ-ডিচেম্বৰ, ২০২১ সংখ্যাত প্ৰকাশিত)

# অধ্যায়ঃ ৫

# বিজ্ঞান শিক্ষাত মহিলাৰ অংশীদাৰিত্বঃ উত্তৰ গুৱাহাটী আৰু দাঁতিকাষৰীয়া এলেকাৰ এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন

## প্ৰস্তাৱনা

লিখনিটো মুলতে বিজ্ঞান শিক্ষাৰ সজাগতাৰ বাবে লিখা হৈছিল। পণ্ডিত আনন্দ ৰাম বৰুৱাৰ জন্মস্থান শিক্ষা নগৰী উত্তৰ গুৱাহাটীত (দাঁতি কাষৰীয়া অঞ্চলো অধ্যয়নৰ বাবে অন্তৰ্ভূক্ত কৰা হৈছে) বিজ্ঞান শিক্ষাৰ প্ৰতি মহিলাৰ অংশীদাৰিত্ব শীৰ্ষক বিষয়ত অধ্যয়ন চলাই লাভ কৰা তথ্যৰ ভিত্তিত গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হৈছিল। উত্তৰ গুৱাহাটী বৃহত্তৰ গুৱাহাটীৰ অংশ বিশেষ। প্ৰতিগৰাকী ইয়াৰ বাসিন্দা জীৱন-জীৱিকাৰ বাবে গুৰহাটীৰ লগত প্ৰত্যক্ষ ভাৱে জড়িত। জল পৰিবহনৰে মাত্ৰ ৭ ৰ পৰা ১০ মিনিটৰ পথ অতিক্ৰম কৰিলেই গুৱাহাটীৰ বাণিজ্য কেন্দ্ৰ ফাঁচী বজাৰ পাৱলৈ তেওঁলোক সক্ষম। ইয়াৰ বাসিন্দাৰ বাবে পানবজাৰস্থিত কটন বিশ্ববিদ্যালয় বা সন্দিকৈ মহাবিদ্যালয়ো নিচেই কাষত। স্বাভাৱিকতেই ভৱিষ্যত সন্ধানী বহু ছাত্ৰ-ছাত্ৰী উত্তৰ গুৱাহাটীৰ পৰা চৰকাৰী আৰু বেচৰকাৰী গুৱাহাটীস্থিত উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰত পঢ়িবলৈ আহে। বিভিন্ন কাৰণত যি কিছু সংখ্যাক ছাত্ৰ ছাত্ৰী উত্তৰ গুৱাহাটীতেই উচ্চ শিক্ষা লৈ আছে সেইসকলৰ ভিতৰত কিমান সংখ্যক ছাত্ৰীয়ে বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহী সেইটো অধ্যয়ন কৰাই আছিল আমাৰ গৱেষণাৰ উদ্দেশ্য। দাঁতি কাষৰীয়া অঞ্চল নিৰ্বাচনৰ কৰাৰ কাৰণ আছিল পূব কামৰূপ বা চাংচাৰীত পূৰ্বতে কোনো ধৰণৰ উচ্চ শিক্ষাৰ অনুষ্ঠান নাছিল। সেই সময়ত সকলো কেৱল ১৯৬২ চনতেই প্ৰতিষ্ঠিত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ওচৰত নিৰ্ভৰশীল আছিল। পৰৱৰ্তী সময়ত ৰাইজৰ আশা আকাংক্ষা পূৰণ কৰি পূব কামৰূপ মহাবিদ্যালয় আৰু শৰাইঘাট মহাবিদ্যালয় স্থাপন হয়। যুগৰ পৰিৱৰ্তনত মহাবিদ্যালয় কেইখনৰ ছাত্ৰ-ছাত্ৰী বিশেষকৈ ছাত্ৰী সমাজে বিজ্ঞান শিক্ষাত আগবঢ়াই অহা অৱদান মূল্যায়ণ কৰিবলৈ এই অধ্যয়ণৰ এক প্ৰয়াস কৰা হৈছিল। মহিলাই প্ৰাপ্য অধিকাৰ প্ৰচলিত সমাজত লাভ কৰিবলৈ সু শিক্ষিত হ'বই লাগিব। বিজ্ঞানৰ অৱদানে বিজ্ঞানকেই শংকালৈ ঠেলি নিয়াৰ মূহুৰ্তত নাৰী সমাজে উদ্দেশ্য মুখী শিক্ষাৰে বিজ্ঞান আৰু প্ৰকৃতিক সমানে বুজি উঠক সেয়াই লিখনিটোৰ দৰাচলতে এক আকুল আহ্বান।

## পাতনি

শিক্ষাই মানুহক চাৰিওফালৰ পৃথিৱীখনৰ বিষয়ে বুজিবলৈ সহায় কৰে। যাৰ ফলত তেওঁলোকে ভাল বেয়া অনুধাৱন কৰিব পাৰে। তথ্যৰ সঠিক প্ৰয়োগ আৰু ব্যাখ্যাৰ বাবে শিক্ষাৰ প্ৰয়োজন অন্যতম কিয়নো শিক্ষাই জ্ঞান বৰ্ধনৰ লগতেই ব্যক্তি বিশেষৰ অধিকাৰ সাব্যস্ত কৰাত সহায় কৰে। প্ৰকৃত শিক্ষাই সু নাগৰিক হোৱাত সহায়ক হোৱাৰ লগতেই সমাজত ঘটি থকা ভাল বেয়া বোৰৰ বিচাৰ কৰিব পৰা সামৰ্থ নিৰূপণ কৰে। **শিক্ষা ব্যৱস্থা সদায় মানৱ প্ৰগতিৰ ওপৰত আধাৰিত হ'ব লাগে। এনে শিক্ষা বা শিক্ষা ব্যৱস্থাই মানুহৰ আত্ম বিশ্বাস গঢ় দিয়াত সহায় কৰে আৰু যি শিক্ষাত আত্ম বিশ্বাস থাকে** তেনে শিক্ষাই সদায় সৰ্বাংগসুন্দৰ পৃথিৱী গঢ়াত সহায় কৰে।

বিজ্ঞান শিক্ষাই শিক্ষাৰ্থীসকলক শিক্ষাৰ পুংখানুপুংখ বিশ্লেষাত্মক অধ্যয়ণ কৰাত সহায় কৰে, য'ত কিয় আৰু কেনেকৈ সংঘটিত হ'ল ইত্যাদিৰ ধাৰণাবোৰক ব্যাখ্যাৰ দ্বাৰা বুজায় সমাধানৰ পথ ছাত্ৰ-ছাত্ৰীক দেখুৱাব পাৰে। শিশু

সকলৰ কৌতুহলমুখী আচৰণক বিজ্ঞান শিক্ষাই সমাধানৰ দিশ নিৰূপণৰ দিহা কৰে। সেয়েহে শিশু সকলক সৰুৰে পৰাই বিজ্ঞান মুখী কৰি তুলিব লাগিব। কৌতুহলেৰে ভৰি থকা তেওঁলোকৰ প্ৰশ্নবোধক জীৱনবোৰক বিজ্ঞানৰ সৰলতাৰে সমাধান কৰাৰ দিহা অগ্ৰজ সকলে কৰিব লাগিব। তাৰ বাবে সৰুৰে পৰাই শিশু সকলক মানসিক অভ্যাস গঢ় দিব লাগিব। বৈজ্ঞানিক অনুসন্ধানৰ বাবে তেওঁলোকৰ মন মগজুক সামৰ্থ্য আৰু তৈয়াৰ কৰি ল'ব লাগিব। বিজ্ঞান শিক্ষাই অনুসন্ধিৎসু মনৰ উদয় কৰে। যেনে সৰল সমাধানৰ বাবে প্ৰশ্ন সোধা, তাৰবাবে সাম্ভৱ্য তথ্য সংগ্ৰহ কৰা ইত্যাদি। **বিজ্ঞান পৃথিৱীৰ একমাত্ৰ সত্য।** সামাজিক মুল্যবোধ জীয়াই ৰাখিব হ'লে বৈজ্ঞানিক জ্ঞানৰ প্ৰয়োজনীয়তা অপৰিসীম। মৌলিক মানৱীয় প্ৰয়োজনীয়তা পূৰণ কৰাত আৰু জীৱন ধাৰণৰ মানদণ্ড

উন্নীত কৰিবলৈ বিজ্ঞান অন্যতম সহায়ক। বিজ্ঞান বা বৈজ্ঞানিক চিন্তা চৰ্চাই সকলো সমস্যা যেনে শক্তি, সংৰক্ষণ, কৃষি, স্বাস্থ্য, পৰিবহন, যোগাযোগ প্ৰতিৰক্ষা, অৰ্থনীতি, অৱসৰ বিনোদন, ৰাজহুৱা নীতি আৰু ব্যক্তিগত সিদ্ধান্তৰ অন্বেষণৰ ওপৰত বিশ্লেষণ ঘটাই সমাধানৰ পথ সুগম কৰে।

মহিলা শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব সম্পৰ্কে ক'বলৈ গ'লে এজন পুৰুষ শিক্ষিত হ'লে এজন ব্যক্তি মাত্ৰ শিক্ষিত হয় কিন্তু এগৰাকী মহিলা শিক্ষিত হ'লে ঘৰৰ লগতে সমাজ খনো শিক্ষিত হয়। এগৰাকী মহিলা সুদক্ষ নাগৰিক হ'বৰ বাবে সু শিক্ষাৰ প্ৰয়োজন। উৎপাদনশীল কামৰ বাবে সুশিক্ষাৰ প্ৰয়োজন। সুশিক্ষাই কৰ্মক্ষেত্ৰৰ লগতেই জীৱন সংগ্ৰামতো ইতিবাচক ভূমিকা গ্ৰহণ কৰে। সামাজিক ব্যাধিবোৰ নাশ কৰিবলৈ মহিলাসকলক বিশেষ ভাৱে শিক্ষিত কৰি তুলিব লাগে। এনে ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টিভংগী আৰু দূৰদৰ্শী মনোভাৱৰ অন্ত্যন্ত প্ৰয়োজন। সমাজত ঘটি থকা ভ্ৰুণ হত্যা, কন্যা শিশু হত্যা, যৌতুক, বাল্য বিবাহ, ডাইনী হত্যা ইত্যাদি আঁতৰ কৰিবলৈ নাৰী শিক্ষাৰ অন্ত্যন্ত প্ৰয়োজন। লিংগ সমতা ৰক্ষাৰ বাবে প্ৰয়োজনীয় সজাগতা সৃষ্টি কৰিবলৈ নাৰী শিক্ষাৰ ব্যাপক প্ৰচাৰ হ'বই লাগিব। নাৰী শিক্ষা অবিহনে দেশৰ উন্নতি অসম্ভৱ। **পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী শিক্ষাই যদি ব্যাপক অগ্ৰাধিকাৰ নাপায়, তেন্তে নাৰী আজিও সমাজৰ বাবে এক বোজা অথবা বিবাহ আৰু সন্তান জন্ম দিব পৰা মেচিন হিচাপেহে পৰিলক্ষিত হ'ব।**

খবৰৰ পৃথিৱীত ভাল বেয়াৰ বিচাৰৰ সৈতে সহবাস কৰি জীয়াই থাকিব হ'লে বৈজ্ঞানিক চিন্তা-চৰ্চা আৰু বিচাৰ বুদ্ধি থাকিবই লাগিব। যিকোনো সমালোচনামূলক পৰ্য্যালোচনাক আলোচনা কৰিবলৈ, আমাৰ অধিকাৰ সমূহক অনুভৱ কৰিবলৈ বিজ্ঞান শিক্ষাই সহায় কৰে। মহিলাৰ ওপৰত চলা সামাজিক, মানসিক, শাৰিৰীক নিৰ্যাতন বোৰ নিঃশেষ কৰিবলৈ পুৰুষৰ সমানেই মহিলা শিক্ষিত হোৱাৰ দৰকাৰ। মানুহ প্ৰকৃতিৰ লগত সন্তোলিত হাৰত সহবাস কৰিবলৈ হ'লে বিজ্ঞান শিক্ষাৰ প্ৰয়োজন। প্ৰকৃতিক যিমান ভালকৈ মহিলাই বুজি পায় হয়তু সমহাৰত পুৰুষে আজিও বুজি নাপায়। নাৰী সৃষ্টি কামী, সন্তান সম্ভৱা। সন্তান এটা জন্ম দিয়াৰ পৰা লালন পালন কৰি উৎপাদনমুখী কৰি তুলালৈ মহিলাৰ ভূমিকা অপৰিসীম। প্ৰযুক্তি বিদ্যাৰ দ্ৰুত প্ৰসাৰৰ লগে-লগে বিজ্ঞান শিক্ষাৰ গুৰুত্ব অত্যাধিক হৈ আহিছে। যিকোনো সমস্যা সমাধান কৰি সিদ্ধান্তত উপনীত হ'বলৈ বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰয়োজন। বিজ্ঞান অবিহনে জীৱন অসাৰ। ৰন্ধা-বঢ়া, খোৱা লোৱা, উশাহ নিশাহ লোৱা, গাড়ী চলোৱা, খেলা ধূলা কৰা, আমি পিন্ধা কাপোৰকানি, দাঁত মাজা ব্ৰাছ, পেষ্ট, চেম্পু, প্ৰসাধনৰ সামগ্ৰী, এই সকলো বিজ্ঞানৰেই পৰিনাম। নাৰী শিক্ষাৰ প্ৰসাৰে মহিলা সকলক স্থানীয় আৰু ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত নেতৃত্ব ল'বলৈ অনুপ্ৰেৰণা যোগায়। উচিত শিক্ষাৰে শিক্ষিত হোৱা মহিলাই সমাজ আৰু সম্প্ৰদায়ক প্ৰতিনিধিত্ব কৰিব পাৰে। উদাহৰণস্বৰূপে অসমৰ পূৰ্ণিমা দেৱী বৰ্মনৰ কথা আঙুলিয়াব পাৰি। তেখেত এগৰাকী বিশিষ্ট বন্যপ্ৰাণী সংৰক্ষণৰ বাবে মাত মতা অসমৰ জীৱ বিজ্ঞানী। তেওঁৰ কাম আৰু গৱেষণাৰ বিষয়বস্তু হাড়গিলা সংৰক্ষণৰ বাবে তেওঁ আজি সৰ্বত্ৰে পৰিচিত। ২০১৭ চনত তেখেতে তেখেতৰ হাড়গিলা সংৰক্ষণ প্ৰচেষ্টাৰ বাবে ভাৰতৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা প্ৰদান কৰা মহিলাসকলৰ বাবে ঘোষিত সৰ্ব্বোচ্চ অসামাৰিক

বঁটা “নাৰী শক্তি পুৰস্কাৰ” লাভ কৰে। যেহেতু অধ্যয়ণ উত্তৰ গুৱাহাটী আৰু ইয়াৰ নিচেই দাঁতিকাষৰীয়া অঞ্চলক সামৰি চলোৱা এক প্ৰয়াস সেয়েহে প্ৰাপ্ত তথ্যৰ ভিত্তিত উত্তৰ গুৱাহাটীৰ ওপৰত কিছু তথ্য প্ৰয়োজন সাপেক্ষে দাঙি ধৰা হ’ল। উত্তৰ গুৱাহাটী বুলিলে দৰাচলতে কামৰূপ (মেট্ৰ’) আৰু (গ্ৰাম্য) দুয়োখন জিলাতেই ইয়াৰ স্থিতি নিৰূপণ কৰিব পাৰি। ২০০১ চনৰ ভাৰতৰ লোকপিয়ল অনুসৰি উত্তৰ গুৱাহাটীৰ জনসংখ্যা মাত্ৰ ১৬,১৩১ জন। পুৰুষ জনসংখ্যা ৫৩% আৰু মহিলা জনসংখ্যা ৪৭%। উত্তৰ গুৱাহাটীৰ গড় সাক্ষৰতাৰ হাৰ ৭৩%। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড় সাক্ষৰতাৰ হাৰ মাত্ৰ ৫৯.৫% হে। উত্তৰ গুৱাহাটীৰ পুৰুষ সাক্ষৰতাৰ হাৰ ৭৮% আৰু মহিলা সাক্ষৰতাৰ হাৰ ৬৮%। উত্তৰ গুৱাহাটীত মুঠ জনসংখ্যাৰ ১০% লোকৰ বয়স ৬ বছৰৰ তলত। উত্তৰ গুৱাহাটীত প্ৰায় ৩৪ খন সৰু বৰ গাওঁ আছে। ২০১১ লোক পিয়ল অনুসৰি উত্তৰ গুৱাহাটী চহৰত মুঠ ২,২৯৪ টা পৰিয়াল আছে। মুঠ জনসংখ্যা ১০,৩২৮ জন। গড় লিংগৰ অনুপাত ১,০৩০। সাক্ষৰতাৰ হাৰ ৯৩.৭%। পুৰুষ সাক্ষৰতাৰ হাৰ ৯৬.৫১% ৰ বিপৰীতে মহিলা সাক্ষৰতাৰ হাৰ ৯০.৯৭%। অন্য এক ইণ্টাৰনেটত উপলব্ধ তথ্য অনুযায়ী উত্তৰ গুৱাহাটীৰ জনসংখ্যা প্ৰায় ৩ লাখ।

গুৱাহাটী পৌৰ নিগমৰ তথ্য অনুসৰি ২৬২ বৰ্গ মিটাৰ অঞ্চল আৱৰি আছে উত্তৰ গুৱাহাটীয়ে। মাজেদি বৈ যোৱা ব্ৰহ্মপুত্ৰই গুৱাহাটী - উত্তৰ গুৱাহাটীক দুভাগত ভাগ কৰিছে। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ পঞ্চতীৰ্থ উত্তৰ গুৱাহাটী কিন্তু যাতায়তৰ ফালৰ পৰা গুৱাহাটীতকৈ আজিও বহু পিছ পৰা। উক্ত কাৰণটোৰ বাবেই বিভিন্ন জাতি- জনজাতিৰে ভৰপূৰ অঞ্চলটো বহু ক্ষেত্ৰত কংক্ৰিটৰ মহানগৰীতকৈ পিছ পৰি আছে। এই অঞ্চলটোত অৱস্থিত একমাত্ৰ স্নাতক শিক্ষাৰ অনুষ্ঠানটোত বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰীৰ অংশদাৰীত্ব সম্পৰ্কে দাঁতিকাষৰীয়া অঞ্চলৰ লগত তুলনামূলক ভাৱে অধ্যয়ন কৰি সমাধান নিৰ্ণয় কৰাটোৱেই আছিল মুল অধ্যয়নৰ লক্ষ্য।

## অধ্যয়নৰ উদ্দেশ্য

**অধ্যয়নৰ উদ্দেশ্য সমূহ এনে ধৰণৰঃ**

(ক) উচ্চ শিক্ষাত মহিলাৰ অংশীদাৰিত্ব

(খ) বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰীৰ আগ্ৰহ

(গ) পৰিবেশৰ প্ৰাধান্য

(ঘ) ছাত্ৰীৰ শিক্ষা সাংৰ পিছত ভৱিষ্যত পৰিকল্পনা

(ঙ) পৰিকল্পনা সমূহ বাস্তৱায়িত কৰিবলৈ ব্যক্তিগত আৰু সামাজিক প্ৰয়াস

## অধ্যয়নৰ পূৰ্বানুমান

শিক্ষাৰত ছাত্ৰী খিনিয়ে বিজ্ঞান শাখাত পঢ়ি ব্যক্তি, ঘৰ আৰু সমাজৰ বাবে এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব। প্ৰচলিত দৃষ্টিভংগী সলনি কৰাত তেখেত সকলে এক বিশেষ ভূমিকা গ্ৰহণ কৰিব। এই বিশ্বাস অহাৰ মূলতেই আছিল ভাৰতীয় মূলৰ প্ৰথম মহিলা মহাকাশচাৰী প্ৰয়াত কল্পনা চাওঁলাৰ NASA ত প্ৰদৰ্শন কৰা গুৰুত্বপূৰ্ণ গৱেষণা । ইয়াৰ উপৰিও আনন্দীবাই গোপালৰাওঁ যোশী (প্ৰথম ভাৰতৰ মহিলা চিকিৎসক) যিয়ে সামাজিক বাধা নেওঁচি স্বাস্থ্য সজাগতাৰ বাবে চিকিৎসা সেৱা পঢ়িবলৈ বিদেশত শিক্ষা গ্ৰহণ কৰিছিল।

## অধ্যয়নৰ পদ্ধতি

মূলতে অধ্যয়নৰ বাবে উত্তৰ গুৱাহাটী আৰু দাঁতিকাষৰীয়া এলেকাৰ তিনিখন মহাবিদ্যালয় ক্ৰমে উত্তৰ গুৱাহাটী মহাবিদ্যালয়, শৰাইঘাট মহাবিদ্যালয় আৰু পূব কামৰূপ মহাবিদ্যালয়ক নিৰ্বাচন কৰি বিজ্ঞান শিক্ষাৰ বাবে থকা ছাত্ৰীৰ আগ্ৰহৰ ওপৰত এটা মনঃস্তাত্বিক অধ্যয়ণ চলাবৈল প্ৰয়াস কৰা হৈছিল। পৰৱৰ্তী সময়ত অধ্যক্ষৰ লগত যোগাযোগ মৰ্মে গ'ম পোৱা গ'ল যে, শৰাইঘাট মহাবিদ্যালয়ত বিজ্ঞান শাখা ছাত্ৰ-ছাত্ৰীৰ বাবে এতিয়াও মুকলি হোৱা নাই। পূৱ কামৰূপ আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ তথ্যৰ ওপৰত ভিত্তি কৰিয়েই মুল লিখনিটো প্ৰস্তুত কৰা হৈছে। ক'ভিড পৰিস্থিতি আৰু কাৰ্য্যালয়ৰ ব্যস্ততাপূৰ্ণ কামৰ উপৰিও উক্ত গৱেষণা পত্ৰ খন প্ৰস্তুত কৰিবলৈ দুয়োখন মহাবিদ্যালয়ৰ পৰা যাদৃচ্ছিক নমুনাৰ সহায়ত ৯ গৰাকীকৈ ছাত্ৰীৰ তথ্য সংগ্ৰহ কৰি বিশ্লেষাত্মক ৰূপ দিবলৈ প্ৰচেষ্ট চলোৱা হৈছিল। প্ৰশ্নাৱলী দুটা পৰ্য্যায়ত প্ৰস্তুত কৰা হৈছিল। তাৰে এখন অধ্যক্ষ সকলৰ পৰা আৰু আনখন প্ৰশ্নাৱলী প্ৰতিখন মহাবিদ্যালয়ৰ ৯ গৰাকীকৈ ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা হৈছিল। সাংখ্যিক তথ্য আৰু গুণগত তথ্য সমূহ আহৰণ কৰিবলৈ মূলতে প্ৰশ্নাৱলী প্ৰদ্ধতি প্ৰয়োগৰ বাদেও প্ৰয়োজন সাপেক্ষে সাক্ষাৎকাৰ আৰু নিৰীক্ষন পদ্ধতিও গৱেষণাকালত প্ৰয়োগ কৰা হৈছিল। প্ৰাথমিক তথ্যৰ বাবে প্ৰশ্নাৱলী আৰু পথিগত আৰু ইণ্টাৰনেট তথ্যক গৌণ উৎস জ্ঞান কৰি প্ৰণালীবদ্ধ অধ্যয়ণ চলাই নিয়া হৈছিল।

## অধ্যয়নৰ গুৰুত্ব

প্ৰতিজন শিশু দেশৰ ভৱিষ্যত। এনে ভৱিষ্যতক বাস্তৱমুখী শিক্ষা দিবলৈ বিজ্ঞানৰ জ্ঞান অপৰিহাৰ্য্য। কৌতুহলপূৰ্ণ জীৱন আৰু অনুসান্ধিৎসু মনৰ গৰাকী কৰিবলৈ প্ৰতিজন শিশুকেই সৰুৰে পৰাই প্ৰয়োগিক জ্ঞানৰ লগত পৰিচয় কৰাই দিব লাগে। প্ৰয়োগিক শিক্ষাৰ বাবে বিজ্ঞান শিক্ষাৰ প্ৰসাৰ অনিবাৰ্য্য। সমাজ সুৰক্ষিত হ'বলৈ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত প্ৰতিগৰাকী মহিলা প্ৰথম সাক্ষৰ হ'ব লাগিব উচিত শিক্ষাৰে। যি খন সমাজে মহিলাৰ আত্ম সন্মান আৰু মৰ্য্যাদাৰ কথা চিন্তা কৰে সেই সমাজখনে নিশ্চিন্তে সুশিক্ষিত। সুশিক্ষত মহিলাই নিজৰ অধিকাৰৰ বাবে মাত মাতিব পাৰে আৰু প্ৰতিগৰাকী মহিলাই যদি নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে মাত দিয়ে তেন্তে নিশ্চিতভাৱে আমাৰ প্ৰচলিত পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰ পৰা ঘৰুৱা হিংসা, যৌতুকৰ চাহিদা, কম মজুৰিৰে কাম কৰা আদিৰ দৰে সমাজিক ব্যাধি বোৰৰ বিৰুদ্ধে মহিলাই যুজ দিব পাৰিব। নাৰী শিক্ষিত মানেই এখন সমাজ শিক্ষিত আৰু প্ৰতিখন সমাজ শিক্ষিত হ'বলৈ প্ৰয়োগিক আৰু বিশ্লেষাত্মক আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত শিক্ষাৰ ব্যাপক প্ৰচাৰ হ'বই লাগিব। বিজ্ঞান শিক্ষাৰ প্ৰচাৰ অবিহনে শিক্ষা অসাৰ।

## অধ্যয়নৰ ফলাফল

পূৱ কামৰূপ মহাবিদ্যালয় আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰীৰ বিজ্ঞান শিক্ষাৰ প্ৰতি থকা আগ্ৰহ জুখিবলৈ মূলতে যাদৃচ্ছিক নমুনাৰ সহায় লোৱা হৈছিল। বিশ্লেষণত মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰীৰ পৰা পোৱা ফলাফল তথ্যৰ ভিত্তিত প্ৰকাশ কৰিব প্ৰচেষ্টা চলোৱা হৈছিল। মহাবিদ্যালয় দুখনৰ অধ্যক্ষই দিয়া তথ্যৰ ভিত্তিত তালিকা সমূহ প্ৰস্তুত কৰি বিশ্লেষণ কৰা হ'ল।

### তালিকা ০১- মহাবিদ্যালয়ৰ প্ৰাথমিক তথ্য

| ক্ৰমিক নং | মহাবিদ্যালয়ৰ নাম | কোন চনত মহাবিদ্যালয়খন স্থাপন হৈছিল | মহাবিদ্যালয়খনত কি কি শাখা আছে | মহাবিদ্যালয়খনত স্নাতক পৰ্য্যায়ত থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | মহাবিদ্যালয়খনৰ কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে স্নাতক পৰ্য্যায়ত বিজ্ঞান পঢ়ে | মহাবিদ্যালয়খনৰ কিমান সংখ্যক ছাত্ৰীয়ে স্নাতক পৰ্য্যায়ত বিজ্ঞান পঢ়ে |
|---|---|---|---|---|---|---|
| ১ | পূৱ-কামৰূপ মহাবিদ্যালয় | ১৯৭২ | কলা,বিজ্ঞান | ২৩৮০ | ১৩০৩ (৫৪.৭৮%) | ৫১৬ (৩৯.৬০%) |
| ২ | উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ১৯৬২ | কলা,বিজ্ঞান | ৯৯১ | ৪৮১ (৪৮.৫৩%) | ৪৮১ (১০০%) |
| ৩ | শৰাইঘাট মহাবিদ্যালয় | ১৯৮১ | কলা | ১০৯৯ | প্ৰযোজ্য নহয় | প্ৰযোজ্য নহয় |

উৎসঃ সংশ্লিষ্ট মহাবিদ্যালয় কেইখনৰ অধ্যক্ষৰ দ্বাৰা প্ৰাপ্ত তথ্যৰ ভিত্তিত তালিকা প্ৰস্তুত কৰা হৈছে।

বিশ্লেষণঃ তথ্যই প্ৰকাশ কৰিলে পূব় কামৰূপ মহাবিদ্যালয়ৰ ২৩৮০ গৰাকী ছাত্ৰ-ছাত্ৰীৰে স্নাতক পৰ্য্যায়টো ভৰপূৰ হৈ থকা মহাবিদ্যলয় খনৰ মাত্ৰ ৩৯.৬০% শতাংশ ছাত্ৰীয়েহে বিজ্ঞান পঢ়ে। ঠিক তেনেদৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মুঠ ৯৯১ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৪৮১ গৰাকী ছাত্ৰীয়ে স্নাতক পৰ্য্যায়ত বিজ্ঞান পঢ়ে। এগৰাকী ছাত্ৰও বিজ্ঞান শাখাত নামভৰ্ত্তি নকৰাটো তথ্যই প্ৰমান কৰিলে।

## তালিকা ০২- বিষয় অনুযায়ী স্নাতক পৰ্য্যায়ত বিজ্ঞান শাখাৰ ছাত্ৰীৰ সংখ্যা

| মহাবিদ্যালয়ৰ নাম | পদাৰ্থ বিজ্ঞান | ৰাসায়ন বিজ্ঞান | উদ্ভিদ বিজ্ঞান | প্ৰাণী বিজ্ঞান | কম্পিউটাৰ বিজ্ঞান | গণিত শাস্ত্ৰ | পৰিসংখ্যা বিজ্ঞান | অৰ্থনীতি বিজ্ঞান | ভূগোল বিজ্ঞান | নৃতত্ব |
|---|---|---|---|---|---|---|---|---|---|---|
| পূব়-কামৰূপ মহাবিদ্যালয় | ১৮ (৩.৪৮%) | ৫৫ (১০.৬৫%) | ৮৬ (১৬.৬৬%) | ১০১ (১৯.৫৭%) | ৩৩ (৬.৩৯%) | ২৪ (৪.৬৫%) | ১৩ (২.৫১%) | ২ (০.৩৮%) | ২ (০.৩৮%) | - |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ৮ (১.৬৬%) | ৫৫ (১১.৪৩%) | ১০২ (২১.২০%) | ১১১ (২৩.০৭%) | - | ১১ (২.২৮%) | | - | ২ (০.৪১%) | ২ (০.৪১%) |
| শৰাইঘাট মহাবিদ্যালয় | উক্ত মহাবিদ্যালয়ত বিজ্ঞান শাখা উপলব্ধ নাই | | | | | | | | | |

বিশ্লেষণঃ প্ৰাপ্ত তথ্য অনুযায়ী পূব় কামৰূপ মহাবিদ্যালয় আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰীসকল জৈৱ-ৰাসায়ন বিজ্ঞান অধ্যয়নৰ প্ৰতি বেছি আগ্ৰহী।

## তালিকা ০৩- সংমিশ্ৰিত বিষয়ৰ প্ৰতি আগ্ৰহী ছাত্ৰী

| মহাবিদ্যালয়ৰ নাম | বিষয় | | | | | | |
|---|---|---|---|---|---|---|---|
| | ৰাসায়ন বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞান | ৰাসায়ন বিজ্ঞান আৰু গণিত শাস্ত্ৰ | প্ৰাণী বিজ্ঞান আৰু উদ্ভিদ বিজ্ঞান | কম্পিউটাৰ বিজ্ঞান আৰু গণিত শাস্ত্ৰ | প্ৰাণী বিজ্ঞান আৰু ৰাসায়ন বিজ্ঞান | কম্পিউটাৰ বিজ্ঞান আৰু পৰিসংখ্যা বিজ্ঞান | পদাৰ্থ বিজ্ঞান আৰু গণিত শাস্ত্ৰ |
| পূব়-কামৰূপ মহাবিদ্যালয় | ২০ (৩.৮৭%) | ২৫ (৪.৮৪%) | ৬০ (১১.৬২%) | ১৫ (২.৯০%) | ৪০ (৭.৭৫%) | ১৫ (২.৯০%) | ১৫ (২.৯০%) |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | প্ৰাণী বিজ্ঞান, উদ্ভিদ বিজ্ঞান, ৰাসায়ন বিজ্ঞান | পদাৰ্থ বিজ্ঞান, ৰাসায়ন বিজ্ঞান, গণিত শাস্ত্ৰ | প্ৰাণী বিজ্ঞান, উদ্ভিদ বিজ্ঞান. নৃতত্ব | প্ৰাণী বিজ্ঞান,উদ্ভিদ বিজ্ঞান, ভূগোল | | | |
| | ৬১ (১২.৬৮%) | ২৯ (৬.০২%) | ৬১ (১২.৬৮%) | ৬১ (১২.৬৮%) | | | |
| শৰাইঘাট মহাবিদ্যালয় | তথ্য প্ৰযোজ্য নহয় | | | | | | |

বিশ্লেষণঃ দুয়োখন মহাবিদ্যালয়ে দিয়া তথ্যৰ পৰা গম পোৱা গ'ল যে ছাত্ৰী সকল বিশেষকৈ জৈৱ ৰাসায়ন বিজ্ঞানৰ প্ৰতি আগ্ৰহী। ৰাজকীয় বিজ্ঞানত ক্ৰমে ৩.৮৭% আৰু ৪.৮৪% পূব় কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰী বৰ্তমান শিক্ষাৰত আনহাতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ৬.০২% গৰাকী ছাত্ৰী ৰাজকীয় বিজ্ঞানৰ প্ৰতি আগ্ৰহী।

## তালিকা ০৪- জনগাঁঠনিৰ তথ্য

| মহাবিদ্যালয়ৰ নাম | মহাবিদ্যালয়খনৰ আশে-পাশে থকা উচ্চ শিক্ষাৰ অনুষ্ঠান | অঞ্চলটোৰ জনবসতি | ১৮-২৩ বছৰ বয়সৰ জনসংখ্যা | ১৮-২৩ বছৰ বয়সৰ মহিলা জনসংখ্যা | অঞ্চলটোত বসবাস কৰা জনগোষ্ঠী সমূহৰ নাম |
|---|---|---|---|---|---|
| পূব-কামৰূপ মহাবিদ্যালয় | ৬ | ২,৮৩,৩১৭ | ৮৪,৪৯৫ (২৯.৮২%) | ৪০,৮৫৫ (৪৮.৩৫%) | সাধাৰণ শ্ৰেণী, অন্যান্য পিছ পৰা শ্ৰেণী, চাহ জনগোষ্ঠী, নেপালী |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ৩ | মহাবিদ্যালয় কৰ্তৃপক্ষই তথ্য প্ৰদান কৰিব নোৱাৰিলে | মহাবিদ্যালয় কৰ্তৃপক্ষই তথ্য প্ৰদান কৰিব নোৱাৰিলে | মহাবিদ্যালয় কৰ্তৃপক্ষই তথ্য প্ৰদান কৰিব নোৱাৰিলে | কোঁচ, কলিতা বড়ো, গাৰো, সাধাৰণ শ্ৰেণী, অনুসূচীত জাতি, অন্যান্য পিছ পৰা শ্ৰেণী |
| শৰাইঘাট মহাবিদ্যালয় | প্ৰযোজ্য নহয় | | | | |

**বিঃদ্ৰঃ** উক্ত তালিকা খনৰ বাবে প্ৰয়োজনীয় তথ্য উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে দাখিল কৰিব নোৱাৰাৰ বাবে সঠিক বিশ্লেষণ সম্ভৱ নহ'ল।

**বিশ্লেষণঃ** ৪৮.৩৫% জনবসতিৰে সমৃদ্ধ কৰি ৰখা পূব কামৰূপ অঞ্চলৰ কিমান সংখ্যক মহিলা দৰাচলতে উচ্চ শিক্ষিত হ'ল পৰৱৰ্তী তালিকাত প্ৰকাশ কৰিব পৰাটোই উক্ত তালিকাৰ উদ্দেশ্য।

## তালিকা ০৫- যোৱা ৫ বছৰত স্নাতক (বিজ্ঞান শাখাত) ডিগ্ৰী লাভ কৰা ছাত্ৰীৰ সংখ্যা

| মহাবিদ্যালয়ৰ নাম | ২০১৭ | ২০১৮ | ২০১৯ | ২০২০ | ২০২১ |
|---|---|---|---|---|---|
| পূব-কামৰূপ মহাবিদ্যালয় | ৬৯ (২১.৯০%) | ৬৭ (২১.২৬%) | ৫২ (১৬.৫০%) | ৬১ (১৯.৩৬%) | ৬৬ (২০.৯৫) |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ২৬ (২৬.৫৩%) | ২৭ (২৭.৫৫%) | ৩৭ (৩৭.৭৫%) | ৮ (৮.১৬%) | তথ্য প্ৰদান কৰিব নোৱাৰিলে |
| শৰাইঘাট মহাবিদ্যালয় | তথ্য প্ৰযোজ্য নহয় | | | | |

**বিশ্লেষণঃ** যোৱা ৫ বছৰত পূব কামৰূপ মহাবিদ্যালয়ৰ পৰা মুঠ ৩১৫ গৰাকী ছাত্ৰী উত্তীৰ্ণ হৈছে আনহাতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পৰা ৯৮ গৰাকী। ২০১৭ চনত পূব কামৰূপ মহাবিদ্যালয়ত সাফল্যৰ হাৰ সৰ্বাধিক (২১.৯০%)।

## তালিকা ০৬- যোৱা ৫ বছৰত উত্তীৰ্ণ হোৱা ছাত্ৰীৰ সফলতাৰ নমুনা

| মহাবিদ্যালয়ৰ নাম | ২০১৭ | | | ২০১৮ | | | ২০১৯ | | | ২০২০ | | | ২০২১ | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | সন্মান সহ প্ৰথম বিভাগ | সন্মান সহ দ্বিতীয় বিভাগ | সাধাৰণ ভাৱে উত্তীৰ্ণ | সন্মান সহ প্ৰথম বিভাগ | সন্মান সহ দ্বিতীয় বিভাগ | সাধাৰণ ভাৱে উত্তীৰ্ণ | সন্মান সহ প্ৰথম বিভাগ | সন্মান সহ দ্বিতীয় বিভাগ | সাধাৰণ ভাৱে উত্তীৰ্ণ | সন্মান সহ প্ৰথম বিভাগ | সন্মান সহ দ্বিতীয় বিভাগ | সাধাৰণ ভাৱে উত্তীৰ্ণ | সন্মান সহ প্ৰথম বিভাগ | সন্মান সহ দ্বিতীয় বিভাগ | সাধাৰণ ভাৱে উত্তীৰ্ণ |
| পূব-কামৰূপ মহাবিদ্যালয় | ৪৯ (৭১.০১%) | ১৬ (২৩.১৮%) | ৪ (৫.৭৯%) | ৫১ (৭৬.১১%) | ১৪ (২০.৮৯%) | ২ (২.৯৮%) | ৩০ (৫৭.৬৯%) | ২০ (৩৮.৪৬%) | ২ (৩.৮৪%) | ৪৭ (৭৭.০৪%) | ১৩ (২১.৩%) | ১ (১.৬৩%) | ৪৫ (৬৮.১৮%) | ১৬ (২৪.২৪%) | ৫ (৭.৫৭%) |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ৬ (২৩.০৭%) | ২০ (৭৬.৯২%) | - | ১৪ (৫১.৮৫%) | ১২ (৪৪.৪৪%) | ১ (৩.৭৫%) | ১২ (৩২.৪৩%) | ১০ (২১.০২%) | ১৫ (৪০.৫৪%) | ৮ (২১.৬২%) | তথ্য প্ৰদানত অপাৰগ | | | | |
| শৰাইঘাট মহাবিদ্যালয় | তথ্য প্ৰযোজ্য নহয় | | | | | | | | | | | | | | |

বিশ্লেষণঃ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰীৰ সংখ্যা প্ৰতিবছৰে ইতিবাচক হাৰত পূৱ কামৰূপ মহাবিদ্যালয়ত বৃদ্ধি পাইছে আনহাতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে ২০২০ আৰু ২০২১ বৰ্ষৰ তথ্য প্ৰদানত অপৰাগ প্ৰতিপন্ন হয়। পূৱ কামৰূপ আৰু উত্তৰ গুৱাহাটী দুয়োখন মহাবিদ্যালয়ৰে বিজ্ঞান শাখাৰ অনুমোদন গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত। পূৱ কামৰূপ মহাবিদ্যালয়ত ১৯৮৮ চনৰ পৰাই বিজ্ঞান শিক্ষা প্ৰৱৰ্তন হৈছে আনহাতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত ১৯৯১ চনৰ পৰা বিজ্ঞান শিক্ষাৰ অনুমোদন গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা লাভ কৰিছে। অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়ে জনায় যে বিজ্ঞান শাখাত ছাত্ৰীৰ উপস্থিতি সন্তোষজনক। বিশেষকৈ চোকা বুদ্ধিৰ আৰু বিষয়টোক ভালপাই ছাত্ৰীসকল বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহী হয়। অধ্যক্ষই আৰু কয় যে বিজ্ঞান শিক্ষাক মনোগ্ৰাহী কৰিবলৈ ২০১০ চনত উক্ত মহাবিদ্যালয়ত শ্ৰদ্ধাৰ প্ৰয়াত প্ৰাক্তন ভাৰতৰ ৰাষ্ট্ৰপতি তথা বিশিষ্ট বিজ্ঞানী ড° এ.পি.জে. আব্দুল কালাম মহোদয়ৰ উপস্থিতি আৰু তেখেতৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লগত হোৱা মত বিনিময় মহাবিদ্যালয় খনৰ বাবে এক সোণালী সোঁৰণ। ২০১১ চনত উক্ত মহাবিদ্যালয়ে ভাৰত চৰকাৰৰ জৈৱ প্ৰযুক্তি বিদ্যা বিভাগৰ পৰা বায়'টেক  হাব স্থাপনৰ অনুদান লাভ কৰে। এই হাবৰ যোগেদি মহাবিদ্যালয়ৰ ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ বিদ্যালয় বা আন আন শিক্ষানুষ্ঠানৰ বাচনিকৃত ছাত্ৰ-ছাত্ৰীক বিজ্ঞান ভিত্তিক প্ৰশিক্ষণৰ সময়ে সময়ে আয়োজন কৰা হয়। উক্ত মহাবিদ্যালয়ে জৈৱ পদাৰ্থ বিদ্যাত স্নাতকোত্তৰ পাঠ্যক্ৰম বায়'টেক হাবৰ যোগেদিয়েই আৰম্ভ কৰিছে। উল্লেখযোগ্য যে এই জৈৱ পদাৰ্থ বিজ্ঞান বিভাগটো সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ পদাৰ্থ বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ একমাত্ৰ প্ৰথম অনুষ্ঠান। ২০১২ চনত ভাৰত চৰকাৰৰ জৈৱ প্ৰযুক্তি বিদ্যা বিভাগৰ তৰফৰ পৰা "ষ্টাৰ কলেজ" আঁচনি তিনি বছৰৰ বাবে মহাবিদ্যালয়খনে লাভ কৰে। এই আঁচনিৰ যোগেদি দাঁতিকাষৰীয়া অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক বিভিন্ন কৰ্মশালা আৰু প্ৰদৰ্শনীৰ জৰিয়তে উপকৃত কৰিবলৈ সক্ষম বনোৱাৰ লগতে তেওঁলোকে সমাজলৈও সেই শিক্ষাৰ দ্বাৰা বৰ্তমান অৰিহণা যোগাই আহিছে। দাঁতিকাষৰীয়া মৎস্যজীৱি সকলৰ বাবে বৈজ্ঞানিক ভিত্তিত মৎস্য পালন শীৰ্ষক কৰ্মশালা সময়ে সময়ে মহাবিদ্যালয় খনে আয়োজন কৰি তেওঁলোকৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসম বিজ্ঞান সমিতিৰ সহযোগত পৰিবেশ সংৰক্ষণৰ বাবে আলোচনা চক্ৰ আৰু প্ৰদৰ্শনীৰো এই মহাবিদ্যালয়ে আয়োজন কৰে।

২০১৮ চনত অসম চৰকাৰৰ ASTEC (ASSAM SCIENCE TECHNOLOGY & ENVIRONMENT COUNCIL) ৰ প্ৰত্যক্ষ সহযোগত উক্ত মহাবিদ্যালয়ে কেন্দ্ৰীয় ভাবে বিশ্ব পৰিৱেশ দিৱস পালন কৰে। অসম চৰকাৰৰ AMTRON এ এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াই। বিজ্ঞান শিক্ষা বিকাশৰ বাবে ৰুচা অসমে কম্পিউটাৰ বিজ্ঞান বিভাগৰ

বিজ্ঞানাগাৰটোৰ নিৰ্মাণ কৰি দিয়ে। গুৱাহাটী বিশ্ববিদ্যালয়ে উচ্চ শিক্ষাৰ গৱেষণাৰ বাবে উক্ত গৱেষণাগাৰটো ব্যৱহাৰৰ উপযোগী বুলি স্বীকৃতি প্ৰদান কৰে। ই নিশ্চিন্তে ৰুচাৰ লগতে মহাবিদ্যালয়খনৰ এক অন্যতম সাফল্য। ২০১৪ চনৰ পঞ্চম **প্ৰকল্প অনুমোদন বৰ্ডৰ** যোগেদি উক্ত মহাবিদ্যালয়খন ৰুচা ১.০ অধীনৰ “Upgradation of Existing Degree Colleges to Model Degree Colleges” শিতানত মুঠ ৪ কোটি টকাৰ অৰ্থ সাহৰ্য্য লাভ কৰি বিগত সময়ত আন্তঃগাঠনিৰ দিশত অসমৰ ভিতৰত এখন জাকত জিলিকা উন্নত মহাবিদ্যালয়লৈ ৰূপান্তৰিত হ'বলৈ সক্ষম হয়।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে দাখিল কৰা তথ্যত প্ৰকাশ পাইছে যে বিশেষকৈ চোকা বুদ্ধিৰ ছাত্ৰী, অৰ্থনৈতিক ভাৱে সৱল আৰু বিষয়টোক ভালপায় পঢ়িবলৈ আগবাঢ়ি অহা ছাত্ৰীয়েই বিজ্ঞান শাখাত মুখ্যতঃ নামভৰ্ত্তি কৰে। ইয়াৰ উপৰিও শিক্ষকগোটৰ আহ্বানতো বহু ছাত্ৰী বিজ্ঞান পঢ়িবলৈ আগবাঢ়ি আহে বুলি আমাক জানিব দিয়ে। অধ্যক্ষই জনাই যে শ্ৰেণীকোঠাত ছাত্ৰীৰ উপস্থিতি সদায় সন্তোষজনক। বিজ্ঞান শিক্ষাক মনোগ্ৰাহী কৰিবলৈ কেৱল পাঠ্যক্ৰমৰ অধিনস্থ ক্ষেত্ৰভিত্তিক অধ্যয়ণ, কৰ্মশালা আৰু শিক্ষামূলক ভ্ৰমণ আদি মহাবিদ্যালয় খনে আয়োজন কৰে বুলি জানিবলৈ দিয়ে। অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে সজাগতা অভিযান, বক্তৃতা অনুষ্ঠান ইত্যাদিৰো ব্যৱস্থা মহাবিদ্যালয় খনে মাজে সময়ে আয়োজন কৰে। বিধায়ক পুঁজি আৰু সংখ্যালঘুৰ অনুদানেই ছাত্ৰী সকলে বিশেষকৈ জলপানি হিচাপে লাভ কৰিছে। সহায়ক পুঁথি যোগান ধৰিয়েই বিজ্ঞান শিক্ষাৰ প্ৰতি আকৰ্ষণ জন্মাৰলৈ কৰা একমাত্ৰ প্ৰচেষ্টা বুলি অধ্যক্ষই লিখিত তথ্য প্ৰদান কৰে।

<u>তালিকা ০৭- চলিত বৰ্ষত বিষয় অনুযায়ী বিজ্ঞান শাখাত আধাতেই শিক্ষা সমাপ্ত কৰা ছাত্ৰীৰ সংখ্যা</u>

| মহাবিদ্যালয়ৰ নাম | পদাৰ্থ বিজ্ঞান | ৰাসায়ন বিজ্ঞান | উদ্ভিদ বিজ্ঞান | প্ৰাণী বিজ্ঞান | কম্পিউটাৰ বিজ্ঞান | গণিত শাস্ত্ৰ | পৰিসংখ্যা বিজ্ঞান | অৰ্থনীতি বিজ্ঞান | ভূগোল বিজ্ঞান |
|---|---|---|---|---|---|---|---|---|---|
| পূব-কামৰূপ মহাবিদ্যালয় | ২ (৮.৬৯%) | ১ (৪.৩৪%) | ৩ (১৩.০৪%) | ৪ (১৭.৩৯%) | ২ (৮.৬৯%) | ২ (৮.৬৯%) | ২ (৮.৬৯%) | ৩ (১৩.০৪%) | ৪ (১৭.৩৯%) |
| উত্তৰ গুৱাহাটী মহাবিদ্যালয় | ১ (২০%) | ১ (২০%) | ২ (৪০%) | ১ (২০%) | | | | | |
| শৰাইঘাট মহাবিদ্যালয় | তথ্য প্ৰযোজ্য নহয় | | | | | | | | |

**বিশ্লেষণঃ** চলিত বৰ্ষত পূব কামৰূপ মহাবিদ্যালয়ৰ ২৩ গৰাকী ছাত্ৰীয়ে আধাতেই শিক্ষা সমাপ্ত কৰিব লগা হয়। প্ৰাণী বিজ্ঞান আৰু ভূগোল বিজ্ঞানত সৰ্বাধিক (১৭.৩৯%) গৰাকী ছাত্ৰীয়ে শিক্ষা আধাতেই সমাপ্ত কৰে। আনহাতে ৫ গৰাকী ছাত্ৰীয়ে চলিত বৰ্ষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ শিক্ষা আধাতেই সমাপ্ত কৰে। ৪০% উদ্ভিদ বিজ্ঞানৰ ছাত্ৰীয়ে শিক্ষা আধাতেই সমাপ্ত কৰিব লগা হয়। আধাতেই শিক্ষা সমাপ্তিৰ কাৰণ হিচাপে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষই জনাই যে মুলতঃ ঘৰৰ হেঁচাত আৰু বিবাহৰ বাবেই ছাত্ৰী খিনিয়ে আধাতেই শিক্ষা সমাপ্ত কৰে। আনহাতে পূব কামৰূপ মহাবিদ্যালয়ে অন্য বিষয়ত শিক্ষাগ্ৰহণ কৰিব যোৱাৰ বাবেহে উক্ত ছাত্ৰীখিনিয়ে পঢ়া সাময়িক ভাবে সমাপ্ত কৰে বুলি জানিব দিয়ে। পূব কামৰূপ মহাবিদ্যালয়ে ব্যক্তিত্ব বিকাশৰ প্ৰশিক্ষণ ছাত্ৰী খিনিক দিয়াৰ লগতেই Campus Interview ৰ ব্যৱস্থা কৰি দিয়ে।

## তালিকা ০৮- যোৱা ৫ বছৰত উত্তীৰ্ণ হোৱা ছাত্ৰীৰ বৰ্তমান স্থিতি সম্পৰ্কে

| পূৰ্ব কামৰূপ মহাবিদ্যালয় | | | | | | |
|---|---|---|---|---|---|---|
| চন | কৰ্মসংস্থাপন পাইছে | | | কৰ্মসংস্থাপন পোৱা নাই | | গৱেষণা কৰি আছে |
| | চাকৰি | ব্যৱসায় | গৃহিনী | স্নাতকোত্তৰ কৰি আছে | ঘৰত আছে | |
| ২০১৭ | ৫ (৫৫.৫৫%) | - | ৪ (৪৪.৪৪%) | ১০ (৭৬.৯২%) | ১ (৭.৬৯%) | ২ (১৫.৩৮%) |
| ২০১৮ | ৮ (৬৬.৬৬%) | - | ৪ (৩৩.৩৩%) | ৯ (৬৯.২৩%) | ২ (১৫.৩৮%) | ২ (১৫.৩৮%) |
| ২০১৯ | ৬ (৪০%) | ২ (১৩.৩৩%) | ৭ (৪৬.৬৬%) | ১২ (৮০%) | - | ৩ (২০%) |
| ২০২০ | ৭ (৪৬.৬৬%) | ৩ (২০%) | ৫ (৩৩.৩৩%) | ৮ (৬৬.৬৬%) | ২ (১৬.৬৬%) | ২ (১৬.৬৬%) |
| ২০২১ | ৭ (৬৩.৬৩%) | ২ (১৮.১৮%) | ২ (১৮.১৮%) | ১৬ (৯৪.১১%) | ১ (৫.৮৮%) | - |

| উত্তৰ গুৱহাটী মহাবিদ্যালয় | | | | | | |
|---|---|---|---|---|---|---|
| চন | কৰ্মসংস্থাপন পাইছে | | | কৰ্মসংস্থাপন পোৱা নাই | | গৱেষণা কৰি আছে |
| | চাকৰি | ব্যৱসায় | গৃহিনী | স্নাতকোত্তৰ কৰি আছে | ঘৰত আছে | |
| ২০১৭ | ২ (১৫.৩৮%) | ৪ (৩০.৭৬%) | ৭ (৫৩.৮৪%) | ৪ (৩০.৭৬%) | ৯ (৬৯.২৩%) | - |
| ২০১৮ | ৩ (২৫%) | ৩ (২৫%) | ৬ (৫০%) | ৮ (৫৭.১৪%) | ৬ (৪২.৮৫%) | - |
| ২০১৯ | ৪ (২৩.৫২%) | ৪ (২৩.৫২%) | ৯ (৫২.৯৪%) | ৮ (৪০%) | ১২ (৬০%) | - |
| ২০২০ | ২ (১০০%) | - | - | - | ৬ (১০০%) | - |
| ২০২১ | - | - | - | - | - | - |
| শৰাইঘাট মহাবিদ্যালয়ৰ তথ্য প্ৰযোজ্য নহয় | | | | | | |

**বিশ্লেষণঃ** আশ্বৰ্য্যজনক ভাৱে যোৱা ৫ বছৰত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱা সৰহ সংখ্যক ছাত্ৰীৰেই জীৱিকা হৈছে গৃহিণী। যোৱা ৫ বছৰত কৰ্মসংস্থাপন হিচাপে চাকৰি পোৱা ছাত্ৰীৰ সংখ্যা যদি গ্ৰাফৰ সহায়েৰে উপস্থাপন কৰিব যাওঁ তেন্তে এই হাৰ উঠা-নমা অৱস্থাত পৰিলক্ষিত হ'ব। ২০২০ আৰু ২০২১ বৰ্ষত স্নাতকোত্তৰ কৰিব যোৱা ছাত্ৰীৰ কোনো পৰিসংখ্যাগত তথ্য উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে যোগান ধৰিব নোৱাৰিলে। কৰ্মসংস্থাপন নাপায় ঘৰত থকা ছাত্ৰীৰ সংখ্যাও উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত তুলানামূলক ভাৱে পূব কামৰূপ মহাবিদ্যালয়তকৈ বেছি। আনহাতে কোনো ছাত্ৰীয়ে যোৱা ৫ বছৰত গৱেষণা কৰি থকাৰ তথ্য উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে যোগান ধৰিব নোৱাৰিলে। যোৱা ৫ বছৰৰ ভিতৰত পূব কামৰূপ মহাবিদ্যালয়ৰ চাকৰি পোৱা ছাত্ৰীৰ সংখ্যা ক্ৰমাগত হাৰত বৃদ্ধি পাইছে। ধাৰা অক্ষুন্ন ৰাখিছে ২০২০ আৰু ২০২১ চনত। স্নাতকোত্তৰ কৰি থকা ছাত্ৰীৰ সংখ্যাও পূব কামৰূপ মহাবিদ্যালয়ত সন্তোষজনক। ঠিক তেনেদৰে স্নাতকোত্তৰ কৰি গৱেষণা কৰি থকা ছাত্ৰীৰ সংখ্যাও ক্ৰমাগত হাৰত বৃদ্ধি পাইছে।

## ছাত্ৰীৰ তথ্য সম্বলিত প্ৰশ্নাৱলীৰ বিশ্লেষণঃ

পূব কামৰূপ আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পৰা ক্ৰমে প্ৰথম, তৃতীয় আৰু পঞ্চম ষান্মাসিকৰ পৰা তিনি গৰাকীকৈ ছাত্ৰীৰ ওপৰত অধ্যয়ন চলোৱা হয়। অনুসূচিত জাতি. জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সাধাৰণ শ্ৰেণীৰ ছাত্ৰীৰ পৰাই মুলতঃ তথ্য সংগ্ৰহ কৰা হৈছিল। ১০% পূব কামৰূপৰ ছাত্ৰীয়ে উক্ত মহাবিদ্যালয় খনতেই পঢ়ি অঞ্চলটোৰ বাবে কিবা এটা কৰাৰ মানসেৰে উক্ত মহাবিদ্যালয় খন নিৰ্বাচন কৰিছিল। ৩০% ছাত্ৰীয়ে শিক্ষক সকলৰ গুণগত মানদণ্ডৰ বাবে উক্ত মহাবিদ্যালয় খন নিৰ্বাচন কৰে। ৩০% ছাত্ৰীয়ে ভাল আন্তঃগাঠনিৰ বাবে আৰু আন ৩০% ছাত্ৰীয়ে বাসগৃহৰ ওচৰতেই মহাবিদ্যালয় খন অৱস্থিত বাবে উক্ত পূব কামৰূপ মহাবিদ্যালয়কেই অধ্যয়নৰ বাবে নিৰ্বাচন কৰে।

ঠিক তেনেদৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ৪০% ছাত্ৰীয়ে বিদ্যায়তনিক সকলো সুবিধা উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত থকাৰ বাবে উক্ত মহাবিদ্যালয়খন নিৰ্বাচন কৰিছে। ৫০% ছাত্ৰীয়ে কয় যে উক্ত মহাবিদ্যালয় খন বাসগৃহৰ ওচৰতেই অৱস্থিত বাবে পঢ়িবলৈ নিৰ্বাচন কৰিছে। মাত্ৰ ১০% ছাত্ৰীয়ে কয় অঞ্চলটোৰ বাবে কিবা এটা কৰাৰ উদ্দেশ্যৰে উক্ত মহাবিদ্যালয় খন নিৰ্বাচন কৰা হৈছে। দুয়োখন মহাবিদ্যালয়ৰ ৫০% ছাত্ৰীয়েই কেৱল বিজ্ঞানৰ প্ৰতি ধাউতী থকাৰ বাবেই বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰে। ৯% উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰীয়ে আন শাখাত কৈ বিজ্ঞান শাখাত সন্মান বেছি বাবেহে বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহী । ১১% ছাত্ৰীয়ে ঘৰৰ মানুহৰ ইচ্ছাৰ বাবে বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰিছে। ২০% উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰীয়ে আত্মনিৰ্ভৰশীল হ'বলৈ বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰিছে। ১০% ছাত্ৰীয়ে চাকৰিৰ বাবে বিজ্ঞান শাখাত নামভৰ্ত্তি কৰিছে। আনহাতে পূব কামৰূপ মহাবিদ্যালয়ৰ ৪০% ছাত্ৰীয়েই বিজ্ঞান পঢ়ি আত্মনিৰ্ভৰশীল হ'বৰ বাবে বিজ্ঞান শাখাত নাম ভৰ্ত্তি কৰিছে। ৭% ছাত্ৰীয়ে স্নাতকোত্তৰৰ পৰিকল্পনা আৰু ৩% ছাত্ৰীৰ ভৱিষ্যতে গৱেষণা কৰাৰো প্ৰবল ইচ্ছা তথ্যই প্ৰকাশ কৰে। দুয়োখন মহাবিদ্যালয়ৰ ১০০% ছাত্ৰীয়েই মহাবিদ্যালয় খনত পঢ়ি বৰ্তমান সুখী। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ৯৫% ছাত্ৰীয়েই কেৱল পঢ়ি থকা বিষয়বোৰ সহজ বাবেই হেনো অধ্যয়নৰ বাবে নিৰ্বাচন কৰি লৈছে। মাত্ৰ ৫% ছাত্ৰীয়ে ভৱিষ্যতে প্ৰতিযোগিতা মুলক পৰীক্ষাত উক্ত বিষয়বোৰ প্ৰয়োজনীয় বুলি ভাবি বিষয় নিৰ্বাচন কৰিছে। ঠিক তেনেদৰে পূব কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰীৰ পৰা পোৱা মন্তব্য এনেধৰণৰঃ

(১) ৬০% ছাত্ৰীয়ে বিষয়বোৰ সহজ বুলি নিৰ্বাচন কৰি পঢ়িবলৈ আগবাঢ়িছে।

(২) ২০% জনাই যে বৰ্তমান যিবোৰ বিষয়ৰ গুৰুত্ব বাঢ়ি আহিছে সেইবোৰ বিষয় নিৰ্বাচন কৰি তেওঁলোকে পঢ়ি আছে।

(৩) ২% ছাত্ৰীয়ে সমাজত সন্মান থকা বিষয়বোৰ নিৰ্বাচন কৰি পঢ়িবলৈ আগবাঢ়িছে।

(৪) ৮% ছাত্ৰীয়ে চাকৰি পাব সহজ বুলি ভবা বিষয়বোৰ লৈ পঢ়িবলৈ আগবাঢ়িছে।

(৫) আৰু ১০% ছাত্ৰীয়ে উত্তীৰ্ণ হ'ব সহজ বুলি ভবা বিষয়বোৰ লৈ পঢ়াশুনা কৰি আছে। ছাত্ৰীৰ ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে সোধাত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ৮০% ছাত্ৰীৰ ভৱিষ্যত পৰিকল্পনা কেৱল চাকৰি এটা যোগাৰ কৰা। ১০% ই ক্ৰমে স্নাতকোত্তৰ আৰু গৱেষণাত ইচ্ছা প্ৰকাশ কৰে। পূব কামৰূপ মহাবিদ্যালয়ৰ ৬০% ভৱিষ্যত পৰিকল্পনা চাকৰি। ২৫% ছাত্ৰীৰ ভৱিষ্যত পৰিকল্পনা স্নাতকোত্তৰ কৰাৰ আৰু আন ১৫% ছাত্ৰীৰ ভৱিষ্যত পৰিকল্পনা গৱেষণা কৰাৰ। দেখা গ'ল বহু ক্ষেত্ৰত প্ৰয়োজনীয় তথ্য উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে দাখিল কৰিব নোৱাৰাৰ বাবে সঠিক তুলনামুলক অধ্যয়ণ সম্ভৱপৰ হৈ নুঠিল। প্ৰাপ্ত তথ্যৰ আলমতে য'তদূৰ সম্ভৱ বিশ্লেষণ আগবঢ়াই নিয়া হৈছিল। এই খিনিতে এটা কথা জনাই থওঁ যে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে ৰুচা ২.০ ৰ অধীনত ২০১৮ চনত " Infrastructure Grants to Colleges" শিতানত মুঠ ২ কোটি টকাৰ অনুদান দ্বাদশ প্ৰকল্প অনুমোদন বৰ্ডৰ যোগেদি লাভ কৰিছে।

## সামৰণি

যোৱা ২৮-০১-২০২২ তাৰিখে উত্তৰ গুৱাহাটী আৰু পূব কামৰূপ মহাবিদ্যালয়ে ৰুচা অসমে প্ৰস্তুত কৰা প্ৰশ্নাৱলীৰ ভিত্তিত প্ৰয়োজনীয় তথ্য নিম্নঃস্বাক্ষৰকাৰীক দাখিল কৰে। পৰৱৰ্তী পৰ্য্যায়ত কাৰ্য্যালয়ৰ সকলো কাম কাজৰ মাজতেই তেখেত সকলে দাখিল কৰা তথ্য সমূহ বিশ্লেষণ কৰিবলৈ আৰম্ভ কৰো। বিশ্লেষণত পোহৰলৈ অহা তথ্য সমূহ এনেধৰণৰঃ

(১) বিজ্ঞান শিক্ষাৰ ব্যাপকতা এতিয়াও পুৰুষৰ তুলনাত মহিলাৰ মাজত কম। (গৌণ তথ্যৰ ভিত্তিত এই কথা প্ৰমান হৈছে)।

(২) তথ্যই প্ৰমান কৰিছে অধ্যয়নৰত ছাত্ৰীখিনিৰ বেছি ভাগেই জৈৱ ৰাসায়ণ বিজ্ঞানৰ প্ৰতি আকৃষ্ট।

(৩) যোৱা ৫ বছৰৰ তথ্যই প্ৰমান কৰিছে যে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত বিজ্ঞান শাখাত উত্তীৰ্ণ হোৱা ছাত্ৰীৰ সংখ্যা পূব কামৰূপ মহাবিদ্যালয়ৰ তুলনাত কম। তালিকা নং ৫ ত এই কথা স্পষ্ট প্ৰতিফলিত হৈছে। ২০২০ চনৰ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে দাখিল কৰা তথ্য এই ক্ষেত্ৰত সৰ্বাধিক লক্ষণীয়।

(৪) সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰীৰ সংখ্যা প্ৰতিবছৰে ইতিবাচক হাৰত পূব কামৰূপ মহাবিদ্যালয়ত বৃদ্ধি পাইছে। আনহাতে ২০২০-২১ বৰ্ষৰ প্ৰয়োজনীয় তথ্য উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে দাখিল কৰিব নোৱাৰিলে।

(৫) তথ্যই প্ৰমান কৰিছে আধাতেই শিক্ষা সমাপ্ত কৰা ছাত্ৰীৰ মূল কাৰণ হৈছে ঘৰৰ হেঁচা আৰু বিবাহ (উত্তৰ গুৱাহাটী মহাবিদ্যালয়)

(৬) যোৱা ৫ বছৰত উত্তীৰ্ণ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ বেছি ভাগ বিজ্ঞান শাখাৰ ছাত্ৰীৰেই বৰ্তমান জীৱিকা গৃহিণী। স্নাতকোত্তৰ বা পৰৱৰ্তী সময়ত গৱেষণাৰ প্ৰতি আগ্ৰহী ছাত্ৰী কেৱল পূব কামৰূপ মহাবিদ্যালয়তেই দেখা পোৱা গ'ল।

(৭) বিজ্ঞান শিক্ষাৰ প্ৰতি যিমান জনজাগৰণ উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত হ'ব লাগিছিল সিমান জনজাগৰণ হোৱা নাই। প্ৰাপ্ত তথ্যই এই কথা প্ৰমান কৰিছে। ১৯৯১ চনতেই বিজ্ঞান শিক্ষাৰ অনুমোদন পোৱা মহাবিদ্যালয় খনে আজি পৰ্য্যন্ত বিজ্ঞান শিক্ষাৰ প্ৰতি জনজাগৰণ ইতিবাচক হাৰত আনিব পাৰা নাই। এই কথা তথ্যই স্পষ্টভাৱে প্ৰমান কৰিছে। বহু ক্ষেত্ৰত প্ৰয়োজনীয় তথ্যও যোগান ধৰিবলৈ অপৰাগ উক্ত মহাবিদ্যালয় খন।

(৮) উদ্দেশ্যমুখী শিক্ষা বৰ্তাই ৰাখিব হ'লে বিজ্ঞান শিক্ষাৰ জনপ্ৰিয়তা বাঢ়িবই লাগিব। মানৱ সম্পদ গঢ় দিয়াই উদ্দেশ্য মুখী শিক্ষাৰ লক্ষ্য। বিজ্ঞানে প্ৰচলিত কলা-সংস্কৃতিক সন্মান কৰি সমাজ খনৰ ভাৰসাম্যতা ৰক্ষা কৰে।

(৯) বিজ্ঞান শিক্ষাত মহিলাৰ অংশীদাৰিত্বৰ ওপৰত পৰৱৰ্তী পৰ্য্যায়ত যথেষ্ট গৱেষণা হ'ব লাগে অন্যথা জনজাগৰণ আৰু জনসচেতনতা বৃদ্ধি নহ'ব। আমি কেৱল উত্তৰ গুৱাহাটী এলেকাত এটা পৰীক্ষামূলক সৰু গৱেষণা চলাইছিলো কিয়নো বৃহত্তৰ উত্তৰ গুৱাহাটী হৈছে এখন উদীয়মান শিক্ষা নগৰী। ইয়াৰ সকলো মানুহেই শিক্ষিত, সচেতন আৰু

ভৱিষ্যত সম্ভৱা। এনে ঠাইত বিজ্ঞান শিক্ষাৰ প্ৰতি জনজাগৰণ বা মহিলাৰ অংশীদাৰিত্ব হিচাপে শিক্ষানুষ্ঠান কেইখনৰ ছাত্ৰীক অধ্যয়ণৰ সমল গণ্য কৰি চলোৱা প্ৰচেষ্ঠাত আন বহু কথা পোহৰলৈ আহিল। যেনেঃ উত্তৰ গুৱাহাটীৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী গুৱাহাটী, অসম বা ভাৰতৰ আন আন শিক্ষানুষ্ঠানত পঢ়ি আছে। যিখিনি অঞ্চলটোত পঢ়ি আছে সেই সংখ্যা ১৮-২৩ বছৰৰ জনসংখ্যাৰ একেবাৰে তাকৰিয়া খিনি। দাঁতিকাষৰীয়া পূব কামৰূপৰ তথ্য উক্ত প্ৰসংগত অন্তৰ্ভক্ত নহয়। এই ছাত্ৰ-ছাত্ৰী খিনিক উপযুক্ত মানৰ সম্পদলৈ গঢ় দিয়াত মহাবিদ্যালয় খনৰ কৰণীয় দায়িত্ব যথেষ্ট। মহাবিদ্যালয় সমূহলৈ এই সুযোগতে এটা অনুৰোধ যাতে ছাত্ৰ-ছাত্ৰীৰ লগতে জড়িত তথ্য সংগ্ৰহত তেখেত সকলে প্ৰকৃতাৰ্থত মনোনিবেশ কৰে। শিক্ষানুষ্ঠানসমূহে উপযুক্ত তথ্য সময়ত উচ্চ শিক্ষা বিভাগক দাখিল কৰিব নোৱোৰাৰ বাবেই বহু ক্ষেত্ৰত বিভাগটোই প্ৰয়োজনীয় তথ্য সঠিক ৰূপত উপস্থাপন কৰিব নোৱাৰে আৰু যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে হয়তু বহু প্ৰাপ্য সুযোগৰ পৰা বঞ্চিত হোৱাৰ শংকা নুই কৰিব নোৱাৰি। বৰ্তমানৰ যুগ তথ্য প্ৰযুক্তিৰ যুগ গতিকে তথ্য দাখিল বা সংগ্ৰহত যাতে শিক্ষানুষ্ঠান সমূহে পূৰ্ণ সহযোগ বিভাগীয় কৰ্তৃপক্ষক প্ৰদান কৰিব পাৰে তাৰ বাবে উচিত ব্যৱস্থা সকলোৱে গ্ৰহণ কৰা উচিত। শেষত অধ্যয়নৰ পূৰ্বানুমান আশানুৰূপ হাৰত ইতিবাচক ভাৱে সম্পৰ্কিত বুলি উপস্থাপন কৰিব পৰা ন'গল।

## কৃতজ্ঞতা স্বীকাৰ

উচ্চ শিক্ষা বিভাগ, অসম চৰকাৰৰ সচিব তথা ৰুচা অসমৰ মিছন সঞ্চালক ড° দীপক মজুমদাৰ, আই.এ.এছ. মহোদয়ে মোক এনে এটা গুৰুত্বপূৰ্ণ বিষয় নিৰ্বাচন কৰি মোৰ জন্মস্থান উত্তৰ গুৱাহাটীৰ ওপৰত অধ্যয়ণ কৰিবলৈ পুনৰ বাৰ সুবিধা কৰি দিয়াৰ বাবে তেখেতলৈ প্ৰণাম জনালোঁ। কৰ্মজীৱনৰ দৈনিক ব্যস্ততাৰ মাজতো তেখেতৰ মোৰ প্ৰতি থকা বিশ্বাসক সমল হিচাপে লৈ তেখেতৰ নিৰ্দেশত পৰ্য্যায়ক্ৰমে অধ্যয়ন চলাই যোৱা হৈছিল। উত্তৰ গুৱাহাটী মোৰ প্ৰাণৰো প্ৰাণ। ইয়াৰ প্ৰতি গৰাকী সন্মানীয় বাসিন্দা, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক সমাজলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম। মহাবিদ্যালয় দুখনে পাৰ্য্যমানে যুগুতাই দিয়া তথ্যৰ আলমত বিশ্লেষণ কৰা হৈছিল বিষয়টো। বিশ্লেষণৰ ফলাফল বৰ্তমান প্ৰতিগৰাকী পাঠকৰ

হাতত। ধন্যবাদ দাঁতি কাষৰীয়া অঞ্চল হিচাপে পৰিগণিত পূব কামৰূপ আৰু শৰাইঘাট মহাবিদ্যালয়ৰ ওচৰৰ প্ৰতিগৰাকী বাসিন্দা লৈ। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজৰ সহযোগ অবিহনে তুলনামুলক অধ্যয়ণ চলোৱাটো মোৰ পক্ষে সম্ভৱপৰ নাছিল। সেয়েহে প্ৰতিগৰাকী সহযোগ কাৰী শিক্ষকলৈ মোৰ প্ৰণাম আৰু ছাত্ৰীলৈ মোৰ মৰম। প্ৰজ্ঞাৰ উক্ত খণ্ডটিত প্ৰকাশ হ'ব লগীয়া মোৰ এই লিখনিটোক লৈ মই নিজে যথেষ্ট আগ্ৰহী আৰু আশাবাদী কিয়নো নাৰী হিচাপে মোৰ কৰণীয় দায়িত্ব মোৰ লিখনিত কি হাৰত প্ৰকাশ হৈছে সেই লৈ মই নিজে বহু সময়ত উচ্ছ্যুক। মহিলাই অধিকাৰ সাব্যস্ত কৰিবলৈ হ'লে শিক্ষিত হ'বই লাগিব। যি শিক্ষাত উদ্দেশ্য নাথাকে সেই শিক্ষা দৰাচলতে অৰ্থহীন। গতিকে প্ৰতিগৰাকী নাৰী উদ্দেশ্যমুখী শিক্ষাৰে শিক্ষিত হৈ ঘৰ, সমাজ, দেশ আৰু বিশ্বক প্ৰতিনিধিত্ব কৰক। নাৰী শিক্তিৰ অপাৰ ক্ষমতাক প্ৰণাম জনাই বিজ্ঞানৰ জয় যাত্ৰা অব্যাহত ৰখাৰ মানসেৰে প্ৰতিগৰাকী পাঠক সমাজক লিখনিটো পঢ়ি গঠন মূলক সমালোচনা আগবঢ়াব বুলি আশা প্ৰকাশ কৰিলোঁ। শেষত, ৰুচা পৰিয়ালৰ সকলোলৈ তেখেত সকলৰ সহযোগৰ বাবে অশেষ ধন্যবাদ জনাই লিখনিটোৰ উত্তৰণৰ বাবে পাঠক সমাজৰ পৰা ইতিবাঁচক সঁহাৰি বিচাৰি ইয়াতেই সামৰণি মাৰিলো। ভৱিষ্যতে নাৰী শিক্ষা, সুৰক্ষা আৰু সজাগতাৰ বাবে এনেদৰেই প্ৰজ্ঞাৰ জৰিয়তে অসমৰ বৌদ্ধিক সমাজে আন বহু গৱেষকৰ পৰা যাতে লিখনি পঢ়ি সমাজৰ ভাৱ ধাৰা সলনি কৰাত সক্ষম হয় তাৰ বাবে এগৰাকী নাৰী হিচাপে মই কৰযোগে সকলোকে আহ্বান জনালোঁ।

## গ্ৰন্থপঞ্জী

(১) Census of India.2011. Provisional Population totals, Paper -2, Volume 1 of 2011, Rural-Urban Distribution, India Series -1.

http:// www.censusindia.gov.in

(২) Sarmah, Lipika, 2014, "Reproductive Health Seeking Behaviour of the Boro-Kachari Women in North Guwahati Area, Assam" Ph.D. thesis from Gauhati University.


(প্ৰজ্ঞাৰ ২০২২ ৰ জুলাই সংখ্যাত প্ৰকাশিত )